# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Chandradhar Barua | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Patarikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1928-29 (1849-50 Sak) | Edition: |
| Size: 23 cms - 4+230 pages | Genre: Magazine |
| Volumes: 2 - 4 issues | Condition of the original: good. |
| Remarks: The magazine was 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্রিকা

আহাৰ—ভাদ, ১৮৪৯—৫০

দ্বিতীয় বছৰ ] মুঠ সংখ্যা—৮ [ চতুৰ্থ সংখ্যা



নং
তাং


## গোলাপ মৰহি যায় যেতিয়া শুকাই।

( জালল উদ্দিন কমি )

গোলাপ মৰহি যায় যেতিয়া শুকাই
ফুলনিখনিও আৰু জঁয় পৰি যায়,
নাযায় যেতিয়া শুনা বুল্‌বুলৰ গান,
মোহিনী সঙ্গীতে তাৰ মুজুৰায় প্ৰাণ।
প্ৰেমাস্পদ সৰ্ব্বেসৰ্ব্বা, মাথোন প্ৰেমিকে
তেওঁকেই গুপ্ত কৰি ঢাকি-ঢুকি থাকে;
জীৱন্ত, জাগ্ৰত যত প্ৰেমাস্পদ হয়,
প্ৰেমিক মাথোন মৃতবৎ হই ৰয়।
প্ৰেমিকে নকৰে যেয়ে প্ৰেমৰ পৰশ
অনুভৱ, হয় তেৱে নিজেই অৱশ।
হয় সিটো পাখিহীন পখীৰ নিচিনা;
কিদৰে ৰাখিম হায় নিজৰ চেতনা!
মুখৰ জেউতি প্ৰেমাস্পদে নেদেখায়
যদি, মোৰ পঞ্চেন্দ্ৰিয়ে ৰক্ষাতো নাপায়।

৩ জানুৱাৰী, ১৯২৩ শ্ৰীমহানন্দ বৰুৱা।

---

## শান্তিলাভ

( গীতা, ২।৭১ )

সকলো কামনা যেয়ে পৰিহাৰ কৰি
সংসাৰত বিচৰণ কৰে,
নিস্পৃহ, নিৰ্ম্মম আৰু অহঙ্কাৰশূন্য
হই, তেৱেঁ শান্তি পাব পাৰে।

১১ আগষ্ট, ১৯২১। শ্ৰীমহানন্দ বৰুৱা।

---

## সত্য আৰু অন্ধবিশ্বাস

( ইংৰাজীৰপৰা )

কেতিয়াও অন্ধবিশ্বাসৰ কাঠীটিৰে
সত্যৰ ছুৱাৰ নৰে মেলিব নোৱাৰে।

২২ জানুৱাৰী, ১৯২৪ শ্ৰীমহানন্দ বৰুৱা।

---

# উত্তৰ-ভাৰতৰ অনুশাসনত প্ৰাচীন কামৰূপ-বুৰঞ্জীৰ আভাস।*

সুবিস্তীৰ্ণ প্ৰাচীন কামৰূপ-ৰাজ্যৰ ধাৰাবাহিক বুৰঞ্জী আজিলৈকে সঙ্কলিত হোৱা নাই। ইয়াৰ কাৰণ, তেনে বুৰঞ্জী সঙ্কলনৰ যথেষ্ট সঁজুলি পোহৰলৈ ওলোৱা নাই। প্ৰাচীন কামৰূপৰ নৃপতিসকলৰ ভিতৰত আমি আজিলৈকে বলবৰ্ম্মদেৱ, ভাস্কৰবৰ্ম্মা, হৰ্জ্জৰবৰ্ম্মা, বনমালদেৱ, ধৰ্ম্মপাল, ৰত্নপাল, ইন্দ্ৰপাল আৰু বৈদ্যদেৱ আদিৰ মাথোন ফলি পাইছোঁ। সেইবোৰত প্ৰাচীন কামৰূপ-বুৰঞ্জীৰ বিষয়ে প্ৰক্ষীপ্ত ভাবে আভাস পোৱা যায়। ইয়াৰ বাহিৰেও প্ৰাচীন গ্ৰন্থাৱলীত কামৰূপ বা প্ৰাগ্‌জ্যোতিষৰ বিষয়ে অলপ-অচৰপ বিৱৰণ পোৱা যায়। সম্প্ৰতিলৈকে এই দুই শ্ৰেণীৰ সঁজুলি লৈয়েই প্ৰাচীন কামৰূপ-বুৰঞ্জী সঙ্কলনৰ চেষ্টা কৰা হৈছে।

যথাযথ আহিলাৰ অভাৱত বুৰঞ্জী-লিখকে অসমৰ সীমা পাৰ হৈ, আৰু এবিধ উপাদান অনুসন্ধান কৰিবলৈ বাধ্য হৈছে। সেয়ে হৈছে, প্ৰাচীন উত্তৰ-ভাৰতৰ অনুশাসনবোৰত কামৰূপৰ উল্লেখ। এই তৃতীয় বিধ সঁজুলিৰ ভালকৈ আলোচনা হোৱা নাই। এনে সঁজুলিৰ পৰিমাণ তাকৰ হলেও ইয়াৰ মূল্য বৰ বেচি।

আগৰ দিনত উত্তৰ-ভাৰতৰ ৰজাসকলৰ সৈতে কামৰূপৰ বৰ ঘনিষ্ঠ সম্বন্ধ আছিল। আৰ্য্যাৱৰ্ত্তৰ নৃপতিবৃন্দই কামৰূপক আওহতীয়া বুলি কোনো বিৰাট্ অনুষ্ঠান বা আন্দোলনৰপৰা বাদ নিদিছিল, আৰু কামৰূপেও উত্তৰ-ভাৰতৰ কোনো সাৰ্ব্বজনীন কাৰ্য্যকলাপৰপৰা আঁতৰত থাকিবলৈ ভাল নাপাইছিল। ৰাজনৈতিক বা বৈবাহিক সূত্ৰে ভগদত্ত-স্মৃতি-জড়িত কামৰূপৰ সৈতে আৰ্য্যাৱৰ্ত্তৰ নৃপতিসকল আবদ্ধ হৈ গৌৰৱান্বিত হৈছিল। এনে বিৰাট্, সুদীৰ্ঘ আদান-প্ৰদানৰ ফলস্বৰূপে, উত্তৰ ভাৰতৰ ৰজাসকলৰ লিপিবদ্ধ কাহিনীত, ঘাইকৈ অনুশাসনবোৰত কামৰূপৰ নাম অঙ্কিত হৈছে। তাৰ অলপ আভাস দিয়াই বৰ্ত্তমান প্ৰবন্ধৰ উদ্দেশ্য।

ভাৰতৰ মহাসমৰ কুৰুক্ষেত্ৰত ভগদত্তৰ বীৰত্বব্যঞ্জক মূৰ্ত্তি আৰু তেওঁৰ সেনাবাহিনীৰ সাজপাৰে যুঁজাৰুসকলৰ প্ৰাণত ভয় আৰু বিস্ময় সঞ্চাৰ কৰিছিল। ইন্দুমতীৰ বিবাহ-মণ্ডপত স্বয়ম্বৃত দৰা অজই হস্তিচালনাত সুনিপুণ কামৰূপেশ্বৰৰ হাতত হাত থৈ হস্তীৰপৰা অৱতৰণ কৰিছিল। (ৰঘুবংশ, ৭ম সৰ্গ, ১৭শ শ্লোক)।

কাশ্মীৰ-নৃপতি মেঘবাহনে যুৱৰাজ-কালত পিতৃ গোপাদিত্যৰ আদেশমতে কামৰূপ ৰাজ-নন্দিনী অমৃতপ্ৰভাৰ স্বয়ম্বৰত উপস্থিত হৈছিল। পৰাক্ৰমী ৰাজলক্ষণসূচক বৰাজ মেঘবাহনৰ গাত, তাহানি নৰকাসুৰে বৰুণৰপৰা কাঢ়ি অনা ছত্ৰৰ ছায়া পৰিবলৈ ধৰিলে। অমৃতপ্ৰভাৰ বৰমাল্য মেঘবাহনৰ কণ্ঠত অৰ্পিত হল। কামৰূপ-কন্যা কাশ্মীৰ-ৰাজমহিষী অমৃতপ্ৰভা পাচলৈ বৌদ্ধ ভিক্ষু-সকলৰ পৃষ্ঠপোষক হৈছিলগৈ। (ষ্টেইনৰ অনূদিত ৰাজতৰঙ্গিণী, ২য় আৰু ৩য় খণ্ড)।

কামৰূপেশ্বৰ ভাস্কৰবৰ্ম্মাই স্থানেশ্বৰৰ সম্ৰাট হৰ্ষবৰ্দ্ধন শিলাদিত্যৰ সৈতে মিত্ৰতা স্থাপন কৰিবৰ নিমিত্তে হংসবেগ কটকীৰ জৰীয়তে যিবোৰ উপঢৌকন পঠিয়াইছিল, তাৰ ভিতৰত এই অলৌকিক শক্তিসম্পন্ন আভোগছত্ৰ সৰ্ব্বপ্ৰধান আছিল। (হৰ্ষচৰিত, কাৱেল আৰু টমাছৰ ভাঙনী, পৃঃ ২১২, ২১৭)।

কামৰূপেশ্বৰৰ নিচিনা পৰাক্ৰমী প্ৰত্যন্ত-নৃপতিসকলৰ দ্বাৰা নিজৰ আজ্ঞা পালন হোৱাৰ কাৰণে গুপ্ত-সম্ৰাট্ সকল গৌৰৱান্বিত হৈছিল। (ফ্লীটৰ গুপ্ত-অনুশাসনমালা, ১নং, পৃঃ ১৪)

* বৰ্ত্তমান লিখকৰ Assam Inscriptions বা আসামৰ শাসনমালা নামে দীঘলীয়া ইংৰাজী প্ৰবন্ধত আসাম সম্পৰ্কীয় সকলো ফলি বা অনুশাসনৰ বিৱৰণ দিয়া হৈছে। ইয়াৰ প্ৰথম খণ্ড, তামৰ ফলি; দ্বিতীয় খণ্ড, শিলৰ ফলি। উক্ত ইংৰাজী প্ৰবন্ধ অলপতে Indian Antiquary কাকতত ওলাব। বৰ্ত্তমান প্ৰবন্ধত থকা সকলো কথা ইংৰাজী প্ৰবন্ধৰ দ্বিতীয় খণ্ডত বহলাই আলোচনা কৰা হৈছে।—শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।



হূনৰাজ মিহিৰকুলৰ দৰ্পচূৰ্ণকাৰী যশোধৰ্ম্মনৰ সাম্ৰাজ্য পশ্চিম-সাগৰৰপৰা লৌহিত্যৰ তীৰলৈকে গোটেই উত্তৰ-ভাৰতত বিস্তৃত আছিল। (ঐ, ৩৩ নং, পৃঃ ১৪৮)

মগধৰাজ মহাসেনগুপ্তই নিজৰ দিগ্বিজয় যাত্ৰাত কামৰূপ নৃপতি ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ সুস্থিতবৰ্ম্মাৰ পৰা বীৰোচিত প্ৰতিবন্ধক পাইছিল। 'হৰ্ষচৰিতৰ' গ্ৰন্থকাৰ বাণভট্টৰ মতে এই সুস্থিতবৰ্ম্মা বা মৃগাঙ্ক দিগ্বিজয়ী বীৰ বুলি ভাৰতত বিখ্যাত আছিল। কিন্তু দৈৱ দুৰ্ব্বিপাকত মহাসেনগুপ্তৰ হাতত সুস্থিতবৰ্ম্মাৰ পৰাজয় ঘটে। মহাসেনগুপ্তৰ বিজয়গীতি তেওঁৰ নাতিয়েক আদিত্যসেনৰ দিনলৈকে লৌহিত্যতীৰত তামোল গছৰ তলে তলে গোৱা শুনা গৈছিল। (ঐ, ৪২ নং, পৃঃ ২০৬)

উত্তৰ-ভাৰতৰ একছত্ৰ সম্ৰাট হৰ্ষবৰ্দ্ধনৰ সৈতে ভাস্কৰবৰ্ম্মাৰ মিত্ৰতা, জ্ঞানপিপাসু ভাস্কৰবৰ্ম্মাৰ ৰাজচ'ৰাত পৰিব্ৰাজক-শিৰোমণি হিৱেনচাঙৰ অৱস্থিতি, হিন্দুমতৰ সন্নিকটবৰ্ত্তী মহাযান বৌদ্ধ-পন্থাৰ আলোচনাৰ কাৰণে হৰ্ষবৰ্দ্ধনৰ অনুষ্ঠিত পণ্ডিতসভালৈ শোভাযাত্ৰাত ব্ৰহ্মাস্বৰূপে ভাস্কৰবৰ্ম্মাৰ যোগদান, হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ পাচত তেওঁৰ সাম্ৰাজ্য ৰাজ্যলোলুপ মন্ত্ৰীৰ হাতত পৰাত, চীনসেনাপতি ওৱাং-হিৱেন-চিয়ে মগধ আক্ৰমণ কৰোঁতে চীন সেনানায়কক ভাস্কৰবৰ্ম্মাৰ সহায়দান, এইবোৰ কাহিনী ভাৰতীয় অনিসন্ধিৎসুবৃন্দৰ মাজত আজি সম্যক জনাজাত হৈছে।

ভাস্কৰবৰ্ম্মাৰ প্ৰায় এশবছৰৰ পাচত নেপালৰ লিচ্ছবী-বংশীয় নৃপতি জয়দেৱ পৰাচক্ৰকামই গৌড়-ওড্ৰ-কলিঙ্গ-কোশলপতি হৰ্ষদেৱৰ কন্যা ভগদত্ত-ৰাজ-কুলত জন্ম হোৱা ৰাজ্যমতীৰ পাণিগ্ৰহণ কৰে। (ইণ্ডীয়ান এণ্টিকোৱেৰী, ৯ম খণ্ড, পৃঃ ১৭৮)

উত্তৰ-ভাৰতৰ প্ৰাচীন অনুশাসনবিলাকৰ ভিতৰত যিবোৰত কামৰূপৰ উল্লেখ পোৱা যায়, তাৰ সংক্ষিপ্ত বিৱৰণ তলত দিয়া হল। এইটো লক্ষ্য কৰিব লগা কথা যে বৌদ্ধ-সম্ৰাট্ "দেৱানাম্-পিয়-পিয়দৰ্শী" অশোকৰ আজিলৈকে আবিষ্কৃত অনুশাসনবোৰত ক'তো কামৰূপৰ উল্লেখ নাই।—

## (১) এলাহাবাদত পোৱা স্তম্ভত গুপ্তসম্ৰাট্ সমুদ্ৰগুপ্তৰ অনুশাসন।

বৰ্ত্তমান এলাহাবাদ দুৰ্গৰ মাজত থকা অশোকৰ স্তম্ভ এটাৰ তলৰ খাপত গুপ্তসম্ৰাট্ "ভাৰতৰ নেপোলিয়ন" সমুদ্ৰগুপ্তৰ এখন অনুশাসন পোৱা গৈছে। ইয়াত কোনো তাৰিখৰ উল্লেখ নাই। কিন্তু পণ্ডিতসকলে অন্যান্য প্ৰমাণৰপৰা সমুদ্ৰগুপ্তৰ ৰাজত্বকাল খৃঃ ৩১০-৩৪০ বুলি ঠাৱৰ কৰিছে। যিবোৰ নৃপতি আৰু ৰাজ্য দিগ্বিজয়ী সম্ৰাট্ সমুদ্ৰগুপ্তই পৰাভৱ কৰিছিল, সেই সকলোবোৰৰে নাম এই অনুশাসনত লিপিবদ্ধ কৰা হৈছে। গতিকে প্ৰাচীন ভাৰতৰ বুৰঞ্জীৰ সঁজুলি স্বৰূপে এই ফলিৰ মূল্য অতি বেচি। অনুশাসনৰ প্ৰশস্তি মহাদণ্ডনায়ক হৰিসেনে ৰচনা কৰিছিল। নৰ্ম্মদা আৰু মাহিষ্মতীৰ দক্ষিণত থকা বাৰজন ৰজাৰ নামৰ পাচত আৰ্য্যাৱৰ্ত্তৰ ন-জন ৰজাৰ নাম পোৱা যায়। এই ন-জন ৰজাক সমুদ্ৰগুপ্তই ধ্বংস কৰিছিল। তাৰে ভিতৰত বলবৰ্ম্মা এজন। ভাস্কৰবৰ্ম্মাৰ পূৰ্ব্বপুৰুষসকলৰ ভিতৰত এজন বলবৰ্ম্মাৰ নাম পোৱা যায়। মিঃ কাশীনাথ দীক্ষিত আদি পণ্ডিতে এই কামৰূপ-পতি বলবৰ্ম্মাকে সমুদ্ৰগুপ্তৰ অনুশাসনৰ বলবৰ্ম্মা বুলি ঠাৱৰ কৰিবলৈ বিচাৰে। নিধানপুৰত আবিষ্কৃত ভাস্কৰবৰ্ম্মাৰ তামৰ ফলিৰপৰা জনা যায়, উপৰোক্ত কামৰূপেশ্বৰ বলবৰ্ম্মাৰ পিতৃদেৱৰ নাম সমুদ্ৰবৰ্ম্মা আৰু মাতৃৰ নাম দত্তদেৱী। গুপ্তসম্ৰাট্ সমুদ্ৰগুপ্তৰ মহিষী আৰু চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ মাতৃৰ নামো দত্তদেৱী। এই নামৰ সাদৃশ্যৰপৰা কামৰূপ-মগধৰ ঘনিষ্ঠতাৰ কথা অনুমান কৰিব পাৰি।

আৰ্য্যাৱৰ্ত্তৰ ৰজাসকলৰ নামৰ পাচত অটবীক ৰাজ্যৰ উল্লেখ আছে। তাৰ পাচত সমতট, দবাক, কামৰূপ, নেপাল, কৰ্ত্তৃপুৰ, এই পাঁচখন প্ৰত্যন্ত-ৰাজ্যৰ নাম পোৱা যায়। এই ৰাজ্যৰ অধিপতি প্ৰত্যন্ত-নৃপতিসকলে গুপ্তসম্ৰাট্ সমুদ্ৰগুপ্তক কৰ-ভাৰ দিছিল আৰু তেওঁৰ আজ্ঞা পালন কৰিছিল, যদিবাও এইবোৰ ৰাজ্য গুপ্ত-সাম্ৰাজ্যৰ অন্তৰ্গত নাছিল।

ওপৰত উল্লিখিত দবাক ৰাজ্য আজিলৈকে পণ্ডিতসকলে সঠিককৈ চিনাক্ত কৰিব পৰা নাই। ভিন্‌চেণ্ট স্মিথে বৰ্ত্তমান বগুৰা, দিনাজপুৰ আৰু ৰাজসাহীকে

এই দবাকৰ অন্তৰ্গত বুলি অনুমান কৰিছে। ভবিষ্যত অনুসন্ধানৰ ফলস্বৰূপে অজিকালিৰ নগাঁও জিলাৰ অন্তৰ্গত দবকা-খণ্ডকে এই প্ৰাচীন "দবাক" ৰাজ্য বুলি অনুমান কৰিব পৰা যাব বুলি কেতিয়াবা সন্দেহ হয়। কপিলী উপত্যকাত প্ৰাচীন কালত এটি হিন্দু-সভ্যতাৰ সোঁত বৈছিল। তাত থকা হিন্দু দেৱদেৱীৰ মূৰ্ত্তি আৰু মন্দিৰে তাৰ পৰিচয় দিয়ে। হৰ্জ্জৰবৰ্ম্মাৰ ফলি এখন এই অঞ্চলতে পোৱা গৈছে। কামৰূপ অনুসন্ধান সমিতিৰ মন্দিৰত থকা আৰু দবকা অঞ্চলত পোৱা এখন শিলৰ ফলিৰ পাঠ ভাৰত-গবৰ্ণমেণ্টৰ অনুশাসনবিৎ পণ্ডিত বা এপিগ্ৰাফিষ্টে আংশিক ভাবে উদ্ধাৰ কৰিছে। সেই ফলিত হিন্দু-সভ্যতাৰ প্ৰাদুৰ্ভাৱসূচক এই কেইটা শব্দ পোৱা গৈছে,—আৰাম, শাস্ত্ৰশাখা, শালা, হেম, মাণিক্য, দেৱব্ৰত।

কামৰূপ আৰু গুপ্ত-সাম্ৰাজ্যৰ মাজত স্থাপিত ৰাজনৈতিক ঘনিষ্ঠতাৰ প্ৰভাৱ দুটা কথাত ফুটি ওলোৱাৰ প্ৰমাণ পোৱা যায়—

(ক) এইটো জনাজাত কথা যে, গুপ্তসম্ৰাট্‌সকলে ব্ৰাহ্মণসকলৰ মতবৰ্দ্ধিত হিন্দু-ধৰ্ম্মৰ পুনৰ প্ৰতিষ্ঠালাভৰ কাৰণে চেষ্টা কৰিছিল। তেওঁলোক প্ৰকাশ্য ভাবে বৌদ্ধ-ধৰ্ম্মৰ সৰ্ব্বনাশক নাছিল যদিও, সেই ধৰ্ম্মৰ উন্নতিৰ কাৰণে তেওঁলোকে কোনো চেষ্টা কৰা নাছিল। সমুদ্ৰগুপ্তই বহুত দিন অপ্ৰচলিত হৈ থকা অশ্বমেধ যজ্ঞৰ পুনৰ অনুষ্ঠান কৰে। হিন্দু-ধৰ্ম্মৰ পুনৰ প্ৰতিপত্তিৰ লগে লগে বৌদ্ধ-ধৰ্ম্মৰ অৱনতি ঘটে। কামৰূপৰ নৃপতিসকলে, সম্ভৱতঃ গুপ্তসম্ৰাট্‌সকলৰ অনুকৰণ মতে, বৌদ্ধ-ধৰ্ম্মক প্ৰশ্ৰয় নিদিছিল। হিৱেনচাঙৰ ভ্ৰমণ-কাহিনীৰপৰা জানিব পাৰি যে ভাস্কৰবৰ্ম্মাৰ দিনত কামৰূপত বৌদ্ধধৰ্ম্মাৱলম্বীসকলে লুকাই-চুৰকৈ নিজৰ মত পোষণ কৰিছিল। ভাস্কৰবৰ্ম্মাই নিজ ৰাজ্যলৈ হিৱেনচাঙক নিমন্ত্ৰণ কৰা চিঠি পাই নলন্দ বিহাৰৰ অধ্যক্ষ শিলাভদ্ৰই কৈছিল,—"ভাস্কৰবৰ্ম্মাৰ ৰাজ্যত বুদ্ধৰ মত ইমান বিস্তৃতভাৱে প্ৰচাৰ হোৱা নাই।" ভাস্কৰবৰ্ম্মাই নিজে স্বীকাৰ কৰিছিল,—"মই সংসাৰৰ বিষয়-বাসনাত মগ্ন হৈ আছোঁ। বৌদ্ধ-মতৰ দীক্ষা শক্তি মই এতিয়ালৈকে উপলব্ধি কৰিব পৰা নাই।" কিন্তু ভাস্কৰবৰ্ম্মাৰ ছয়-শ বছৰৰ পূৰ্ব্বে কামৰূপাধিপৰ চ'ৰাত সেই কালৰ প্ৰধান বৌদ্ধ-পণ্ডিত লোহদেশীয় স্তৌনপই বাস কৰিছিল। কাশ্মীৰৰাজ মেঘবাহনে ভাল বৌদ্ধ শ্ৰমণ বিচাৰি নোপোৱাত তেওঁৰ মহিষী অমৃতপ্ৰভাই পিতৃ-ৰাজ্যৰপৰা স্তৌনপক কাশ্মীৰলৈ লৈ যায়। উত্তৰ ভাৰতত বৌদ্ধ-মতৰ প্ৰতিপত্তি খৃঃ-পূৰ্ব্ব ২০০ অব্দৰপৰা খৃষ্টীয় ২০০ অব্দ, এই চাৰি-শ বছৰ বুলি অনুমান কৰা হৈছে। কামৰূপতো বৌদ্ধ-প্ৰাদুৰ্ভাৱৰ কাল উক্ত চাৰি-শ বছৰৰ লগত ৰক্ষিতা থায়।

(খ) কামৰূপ-গুপ্তৰাজ্যৰ ঘনিষ্ঠতাৰ ছাব কামৰূপত বহুকাললৈকে গুপ্তাব্দ প্ৰচলনৰপৰা পোৱা যায়। খৃষ্টীয় নৱম শতিকাত যে কামৰূপত গুপ্তাব্দ প্ৰচলিত আছিল তাত সন্দেহ নাই। তেজপুৰৰ ভাটীত ব্ৰহ্মপুত্ৰৰ তীৰত এটা শিলত হৰ্জ্জৰবৰ্ম্মাৰ অনুশাসন পোৱা গৈছে; তাত ৫১০ গুপ্তাব্দ উল্লিখিত হৈছে, খৃষ্টাব্দমতে ৮২৯-৮৩০।

মহাকবি কালিদাসৰ প্ৰাদুৰ্ভাৱৰ কাল সম্বন্ধে নানান তৰ্ক-বিতৰ্ক চলি থাকিলেও কিছুমান পণ্ডিতে ঠাৱৰ কৰিছে যে তেওঁ সমুদ্ৰগুপ্তৰ পুত্ৰ চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ ৰাজকবি আছিল। সমুদ্ৰগুপ্তৰ কামৰূপ-বিজয়ৰ বৃত্তান্ত সূক্ষ্মদৰ্শী কবি কালিদাসৰ অগোচৰ নাছিল। ৰঘুবংশৰ চতুৰ্থ সৰ্গত ৰঘুৰ কামৰূপ-দিগ্বিজয়ৰ যি বৰ্ণনা দিয়া হৈছে, সেই বিৱৰণ সমুদ্ৰগুপ্তৰ কামৰূপ-দিগ্বিজয়ৰ কাহিনীৰ ওপৰত গঁথিলা লৈ লিখা হৈছিল বুলি সহজে অনুমান কৰিব পাৰি। কালিদাসৰ কবিত্বপূৰ্ণ বিৱৰণৰ আভ্যন্তৰিক সুৰ এলাহাবাদ অনুশাসনৰ বিৱৰণৰ লগত সুন্দৰকৈ মিলে।

## (২) মান্দাছৰত পোৱা স্তম্ভত যশোধৰ্ম্মনৰ অনুশাসন।

বৰ্ত্তমান বৃটিছ গৱৰ্ণমেণ্টৰ কৰদ-মিত্ৰ ছিন্দিয়া ৰাজ্যৰ অন্তৰ্গত মান্দাছৰ জিলাৰ সদৰ ঠাইত এই খোদিত স্তম্ভ পোৱা গৈছে। যশোধৰ্ম্মনৰ আৰু দুখন অনুশাসন অন্য ঠাইত পোৱা গৈছে। যশোধৰ্ম্মনৰ বিষয়ে ইয়াৰ বাহিৰে অন্য কোনো ঠাইত আজিলৈকে উল্লেখ পোৱা নাই। উপৰোক্ত স্তম্ভমতে যশোধৰ্ম্মনে হূনৰাজ মিহিৰকুলক পৰাজয় কৰে। কিন্তু হিৱেনচাঙৰ মতে হূন-বিজেতাৰ নাম মগধৰাজ বলাদিত্য। এই ফলিত আৰু লিখা আছে যে পৰাক্ৰমী গুপ্তসম্ৰাট্‌সকলে যিবোৰ ৰাজ্য বশ কৰিব পৰা নাছিল, সেইবোৰ দেশ যশোধৰ্ম্মনৰ বশীভূত হৈছিল। তেওঁৰ সাম্ৰাজ্য পশ্চিম-সাগৰৰ পৰা ব্ৰহ্মপুত্ৰলৈকে, আৰু হিমালয়ৰপৰা মহেন্দ্ৰগিৰিলৈকে গোটেই উত্তৰ-ভাৰতত বিস্তৃত আছিল। এখন ফলিৰ মতে যশোধৰ্ম্মনৰ কাল ৫৩৩ খৃষ্টাব্দ বুলি ধাৰ্য্য কৰিব পাৰি। ভিন্‌চেণ্ট্‌ স্মিথৰ মতে যশোধৰ্ম্মনৰ অনুশাসনত লিপিবদ্ধ নিজৰ দিগ্বিজয় ঘোষণাত সত্যতকৈ আত্মশ্লাঘাৰ পৰিমাণ বেচি। তথাপি কেতিয়া, কেনেকৈ, আৰু কাৰ দিনত যশোধৰ্ম্মনে লৌহিত্যলৈকে ৰাজ্য বিস্তাৰ কৰিব পাৰিছিল, সেইটো অনুসন্ধান কৰিব লগীয়া।

## (৩) নলন্দ বিহাৰত পোৱা ভাস্কৰবৰ্ম্মাৰ ছাব।

আৰ্কিয়লজিকেল্‌ ডিপাৰ্টমেণ্টে প্ৰাচীন নলন্দ বিহাৰৰ ভগ্নাৱশেষ খানোতে কামৰূপ নৃপতি ভাস্কৰবৰ্ম্মাৰ এই ছাব বা মোহৰ আবিষ্কৃত হয়। এই মোহৰৰ ওচৰতে সম্ৰাট হৰ্ষবৰ্দ্ধনৰ দুটা আধাভগা ছাবো পোৱা গৈছে। এই ধৰণৰ ছাব মাটি পুৰি, ইটাৰ নিচিনা কট্‌কটীয়া টান কৰি কৰা হয়। তাতে ৰজাৰ নাম-ধাম, বংশ উপাধি আদিৰ পৰিচয় দিয়া হয়। এই ছাব আগৰ দিনত চিঠি-পত্ৰৰ লগত প্ৰমাণ-স্বৰূপে সংযুক্ত কৰি দিয়া হৈছিল।

ভাস্কৰবৰ্ম্মাৰ এই ছাবটোৰ মূল্য বৰ বেচি। নিধানপুৰৰ ফলি আৰু হৰ্ষচৰিতত তেওঁৰ যি বংশাৱলী দিয়া হৈছে, তাৰে সৈতে এই ছাবত দিয়া বংশাৱলীৰ প্ৰায় মিল। নয়নদেৱী আৰু শ্যামাদেৱীৰ ঠাইত ছাবত নয়নশোভা আৰু শ্যামালক্ষ্মী বোলা হৈছে। এই সামান্য অসামঞ্জস্যৰ কাৰণ সহজে অনুমান কৰিব পাৰি।

হিৱেনচাঙৰ ভ্ৰমণকাহিনীৰপৰা আমি জানিব পাৰোঁ যে ভাস্কৰবৰ্ম্মাই নলন্দ বিশ্ববিদ্যালয়ৰ অধ্যক্ষ শিলাভদ্ৰলৈ, চীন পৰিব্ৰাজকক কামৰূপলৈ নিমন্ত্ৰণ কৰি তিনিখন পত্ৰ দিছিল। কিন্তু চীন পৰিব্ৰাজকে হৰ্ষবৰ্দ্ধনৰ চ'ৰালৈ যাবৰ কাৰণে পূৰ্ব্বৰেপৰা প্ৰতিশ্ৰুত আছিল। সেইকাৰণে ভাস্কৰবৰ্ম্মাৰ অনুৰোধ পোনপ্ৰথমে ৰক্ষিত নহৈছিল। বৰ টানকৈ চিঠি দিয়াতহে শিলাভদ্ৰই হিৱেনচাঙক কামৰূপলৈ পঠিয়াবলৈ বাধ্য হয়। মিঃ কাশীনাথ দীক্ষিত আৰু ডাক্টাৰ ৰাধাকুমুদ মুখাৰ্জ্জীয়ে অনুমান কৰে যে ভাস্কৰবৰ্ম্মাই শিলাভদ্ৰলৈ দিয়া কোনো এখন চিঠিৰ লগত এই আবিষ্কৃত ছাবটো সংযুক্ত কৰি দিয়া হৈছিল। সেই সময়তে শিলাভদ্ৰই সম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ পৰাও হিৱেনচাঙৰ সম্পৰ্কে চিঠি-পত্ৰ পাইছিল। দুয়োজন নৃপতিৰ ছাব একে ঠাইতে পোৱাৰ ইও এক কাৰণ হব পাৰে।

## (৪) নেপালৰ ৰজা জয়দেৱৰ শিলৰ ফলি।

নেপালৰ লিচ্ছৱী-বংশীয় ৰজা দ্বিতীয় জয়দেৱ বা জয়দেৱ পৰাচক্ৰকামৰ এখন শিলৰ ফলিৰ পাঠ পুৰাতত্ত্ববিদ্‌ ডাক্টাৰ ভগবানলাল ইন্দ্ৰজীয়ে নৱম খণ্ড "ইণ্ডিয়ান্ এণ্টিকোৱেৰী" কাকতত প্ৰকাশ কৰে। এই ফলিৰ তাৰিখ খৃঃ ৭৫৮-৯।

এই ফলিৰ মতে জয়দেৱে "ভগদত্ত-ৰাজ-কুলজা" ৰাজ্যমতীক বিয়া কৰায়। ৰাজ্যমতীৰ পিতৃদেৱৰ নাম হৰ্ষদেৱ, আৰু তেওঁক গৌড়-ওড্ৰ-কলিঙ্গ-কোশল-পতি বুলি বৰ্ণোৱা হৈছে। হৰ্ষদেৱক কিন্তু কামৰূপ-পতি বুলি কোৱা হোৱা নাই, আৰু "ভগদত্ত-ৰাজ-কুলজা" এই আখ্যা ৰাজ্যমতীকহে দিয়া হৈছে, হৰ্ষদেৱক দিয়া হোৱা নাই। ইয়াৰপৰা অনুমান কৰিব পাৰি, ভাস্কৰবৰ্ম্মাৰ কালত যে গৌড় বা কৰ্ণসুবৰ্ণ কামৰূপৰ চামিল হয়, আৰু এশ বছৰৰ পাচতো গৌড় কামৰূপৰ অন্তৰ্গত হৈ আছিল। সম্ভৱতঃ অনুশাসন-ৰচয়িতাই হৰ্ষদেৱৰ পৰাক্ৰম দেখুৱাবৰ কাৰণে, তেওঁৰ নিজ দেশ কামৰূপৰ বাহিৰে অন্যান্য যিবোৰ ৰাজ্যৰ তেওঁ অধিপতি আছিল, তাৰেহে উল্লেখ কৰিছে। ৰাজ্যমতীক ভগদত্তবংশীয় বোলা আৰু সেই গৌৰৱ হৰ্ষদেৱৰপৰা প্ৰত্যাখ্যান কৰাৰপৰা এইটো অনুমান কৰিব পাৰি যে, ৰাজ্যমতীৰ মাতৃকুল ভগদত্ত-বংশীয়; অৰ্থাৎ ভগদত্ত বংশৰ বাহিৰৰ এজন মানুহে সেই বংশৰ কন্যা অৰ্থাৎ ৰাজ্যমতীৰ মাতৃদেৱীৰ পাণি গ্ৰহণ কৰিছিল, আৰু সেইটো ৰীতিসিদ্ধ।

বনমালদেৱৰ তামৰ ফলি মতে নৰকবংশক শালস্তম্ভ নামে এজন ম্লেছ ৰজাই উচ্ছেদন কৰে। আকৌ হৰ্জ্জৰবৰ্ম্মাৰ পিতৃ প্ৰলম্ভই শালস্তম্ভ শ্ৰীহৰিষ আদি অ-নৰক -

বংশীয় ৰজাসকলৰ ঘোৰ শত্ৰু আছিল। এই শ্ৰীহৰিষকে খেনোৱে নেপালৰ জয়দেৱ ৰজাৰ শহুৰ হৰ্ষদেৱ বুলি অনুমান কৰে।

কবি বাক্‌পতিৰাজৰ প্ৰাকৃত কাব্য "গৌড়বহ" বা গৌড়বধত কনৌজৰ মৌখৰী ৰজা যশোবৰ্ম্মনৰ হাতত এজন গৌড়-নৃপতিৰ পৰাভৱ বৰ্ণোৱা হৈছে। খেনো পণ্ডিতৰ মতে এই জনা গৌড়ৰাজ, হৰ্ষদেৱৰ বাহিৰে আন কোনো নহয়।

সম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ পাচত তেওঁৰ সুবিস্তীৰ্ণ সাম্ৰাজ্যৰ কি অৱস্থা হল, তাক জানিবৰ তন্য বিশেষ উপায় নাই। নেপালৰ এই ফলিখনৰপৰা অন্ততঃ এইটো জনা যায় যে, হৰ্ষবৰ্দ্ধনৰ এশ বছৰৰ পাচত অযোধ্যাৰপৰা মাদ্ৰাজৰ সীমালৈকে গোটাই উত্তৰ-পূৰ্ব্বভাৰত কামৰূপৰ তলতীয়া হয়।

## ৫ ) আফ্‌ছদত পোৱা আদিত্যসেনৰ শিলৰ ফলি।

এই ফলিখন ১৮৫০ খৃষ্টাব্দত গয়া জিলাৰ অন্তৰ্গত আফ্‌ছদ নামে গাঁৱত আৱিষ্কৃত হয়। ইয়াত কোনো তাৰিখ নাই, কিন্তু অন্য এখন ফলিৰপৰা খৃঃ ৬৭২ আদিত্যসেনৰ কাল বুলি ঠাৱৰ কৰিব পৰা হৈছে। আদিত্যসেন, গুপ্তসম্ৰাটসকলৰ বংশগত নহলেও, তেওঁলোকৰ পৰবৰ্ত্তী গুপ্তৰাজসকলৰ কোনো এটা পৰিয়ালৰ অন্তৰ্গত ৰজা আছিল।

এই ফলিত আদিত্যসেনৰ পূৰ্ব্বপুৰুষ সাতজনৰ নাম পোৱা গৈছে,—

কৃষ্ণগুপ্ত
|
হৰ্ষগুপ্ত
|
শ্ৰীজীবিতগুপ্ত
|
কুমাৰগুপ্ত
|
দামোদৰগুপ্ত
|
মহাসেনগুপ্ত
|
মাধৱগুপ্ত
|
আদিত্যসেন

বাণভট্টৰ "হৰ্ষচৰিতৰ" মতে, মালোৱা ৰাজকুমাৰ মাধৱগুপ্ত আৰু তেওঁৰ ভ্ৰাতৃ কুমাৰগুপ্ত হৰ্ষবৰ্দ্ধনৰ কৌমাৰকালি কালৰ সঙ্গী আছিল। এই ফলিৰ মতেও, মাধৱগুপ্ত হৰ্ষদেৱৰ মিত্ৰতা প্ৰাৰ্থী আছিল।

হৰ্ষবৰ্দ্ধন আৰু ভাস্কৰবৰ্ম্মা যে সমসাময়িক নৃপতি আছিল, সেই বিষয়ে বৰ্ত্তমানে কোনো সন্দেহ নাই। সেই মতে চাবলৈ গলে ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ সুস্থিতবৰ্ম্মা, হৰ্ষবৰ্দ্ধনৰ পিতৃ প্ৰভাকৰবৰ্দ্ধন, মাধৱগুপ্তৰ পিতৃ মহাসেনগুপ্ত, এই তিনিজনা নৃপতিও সমসাময়িক আছিল বুলি সহজে অনুমান কৰিব পাৰি। হৰ্ষচৰিত, নলন্দ বিহাৰত পোৱা ছাব আৰু নিধানপুৰত আৱিষ্কৃত ভাস্কৰবৰ্ম্মাৰ তামৰ ফলিত ভাস্কৰবৰ্ম্মাৰ পূৰ্ব্বপুৰুষসকলৰ নাম এই দৰে পোৱা যায়।

### (ক) "হৰ্ষচৰিত'ত পোৱা ভাস্কৰবৰ্ম্মাৰ পুৰুষীনামা।

ভূতিবৰ্ম্মা
|
চন্দ্ৰমুখবৰ্ম্মা
|
স্থিতিবৰ্ম্মা
|
সুস্থিৰবৰ্ম্মা বা মৃগাঙ্ক, পত্নী শ্যামাদেৱী
|
ভাস্কৰবৰ্ম্মা বা ভাস্কৰদ্যুতি।

নিৰ্ণয়-সাগৰ সংস্কৰণৰ 'হৰ্ষচৰিত'ত 'সুস্থিৰবৰ্ম্মা'ৰ সলি 'সুস্থিতবৰ্ম্মা' পোৱা যায়।

### (খ) নলন্দ মোহৰত পোৱা ভাস্কৰবৰ্ম্মাৰ পুৰুষীনামা।

গণপতিবৰ্ম্মা, পত্নী যজ্ঞৱতী
|
মহেন্দ্ৰবৰ্ম্মা, পত্নী সুব্ৰতা
|
নাৰায়ণবৰ্ম্মা, পত্নী দেৱৱতী
|
মহাভূতিবৰ্ম্মা, পত্নী বিজ্ঞানৱতী
|
চন্দ্ৰমুখবৰ্ম্মা, পত্নী ভোগৱতী
|
স্থিতবৰ্ম্মা, পত্নী নয়নশোভা
|
সুস্থিতবৰ্ম্মা, পত্নী শ্যামালক্ষ্মী
|
সুপ্ৰস্থিতবৰ্ম্মা — ভাস্কৰবৰ্ম্মা



### (গ) নিধানপুৰ তামৰ ফলিত পোৱা ভাস্কৰবৰ্ম্মাৰ পুৰুষীনামা।

পুষ্যবৰ্ম্মা,
|
সমুদ্ৰবৰ্ম্মা, পত্নী দত্তদেৱী
|
বলবৰ্ম্মা, " ৰত্নৱতী
|
কল্যাণবৰ্ম্মা, " গন্ধৰ্ব্বৱতী
|
গণপতিবৰ্ম্মা, " যজ্ঞৱতী
|
মহেন্দ্ৰবৰ্ম্মা, " সুব্ৰতা
|
নাৰায়ণবৰ্ম্মা, " দেৱৱতী
|
মহাভূতিবৰ্ম্মা, " বিজ্ঞানৱতী
|
চন্দ্ৰমুখবৰ্ম্মা, " ভোগৱতী
|
স্থিতবৰ্ম্মা, " নয়নদেৱী
|
সুস্থিতবৰ্ম্মা, বা মৃগাঙ্ক, " শ্যামাদেৱী
|
সুপ্ৰস্থিতবৰ্ম্মা — ভাস্কৰবৰ্ম্মা

সুস্থিতবৰ্ম্মা নামে এজন সুপ্ৰসিদ্ধ ৰজাৰ কথা এই আফছদ ফলিতো পোৱা যায়। কিন্তু এই ফলিত, সুস্থিত-বৰ্ম্মানো কোন দেশৰ নৃপতি আছিল এই কথা স্পষ্টকৈ কোৱা নাই। এই ফলিৰ নৱম শ্লোকত গুপ্তৰাজ দামোদৰগুপ্তৰ মৌখৰী আৰু হূনবিলাকৰ ওপৰত বিজয়ৰ উল্লেখ আছে। দশম শ্লোকত লিখা আছে,— দামোদৰগুপ্তৰ মহাসেনগুপ্ত নামে এজন বীৰ-অগ্ৰগণী পুত্ৰ আছিল; বীৰকুলৰ মাজত মহাসেনগুপ্তই সৰ্ব্বপ্ৰধান খ্যাতি লাভ কৰিছিল। এই মহাসেনগুপ্তই মহাবিশ্ৰুত সুস্থিতবৰ্ম্মাক পৰাজয় কৰা গীতি আজিলৈকে ( অৰ্থাৎ মহাসেনগুপ্তৰ নাতিয়েক আদিত্যসেনৰ ৰাজত্ব কাললৈকে, খৃঃ ১৬৭২ ) লৌহিত্যতীৰত পূৰ্ণবিকশিত তাম্বূল-তৰুৰ ছাঁয়াত নিদ্ৰা গৈ সাৰ পোৱা সিদ্ধমিথুন সকলৰ দ্বাৰা গীত হৈছে। মূল শ্লোক এই,—

> শ্ৰীমহাসেনগুপ্তোঽভূত্তস্মাদ্বীৰাগ্ৰণীঃ সুতঃ।
> সৰ্ব্ববীৰসমাজেষু লেভে যো ধুৰি বীৰতাম্ ॥ ১৩ ॥
> শ্ৰীমৎসুস্থিতবৰ্ম্মযুদ্ধবিজয়-শ্লাঘা-পদাঙ্কং মুহু-
> ৰ্যস্যাদ্যাপি বিবুদ্ধকুন্দকুমুদ স্ফুৰচ্ছহাৰাততম ॥
> লৌহিত্যস্য তটেষু শীতলতলেষু ৎফুল্লনাগদ্ৰুম্—
> চ্ছায়াসুপ্ত বিবুদ্ধসিদ্ধমিথুনৈঃ স্ফীতং যশো গীয়তে ॥ ১৪ ॥

আফ্‌ছদ ফলিৰ এই সুস্থিতবৰ্ম্মাৰ বিষয়ে নানা মুনিৰ নানা মত। খেনোৰমতে এই সুস্থিতবৰ্ম্মা কামৰূপ-নৃপতি, আৰু হৰ্ষবৰ্দ্ধনৰ মিত্ৰ ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ। তলত নাম দিয়া বুৰঞ্জীবিদ্‌সকলে এই মত সমৰ্থন কৰিছে,— অধ্যাপক কে. এন পাণিক্কৰ, ডাক্তৰ হেমচন্দ্ৰ ৰায় চৌধুৰী, ডাক্তৰ ৰমেশচন্দ্ৰ মজুমদাৰ, মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য আৰু মিঃ নীহাৰৰঞ্জন ৰায়।

ইয়াৰ বিৰুদ্ধ মতৰ সমৰ্থনকাৰী স্বৰূপে আমি দুৰ্জ্জয় দুৰ্জ্জয় পণ্ডিতৰ নাম পাওঁ। তেওঁলোকৰ মতে আফ্‌ছদ ফলিৰ সুস্থিতবৰ্ম্মা এজন মৌখৰী ৰজা। মাদ্ৰাজ বিশ্ব-বিদ্যালয়ৰ বুৰঞ্জীৰ অধ্যাপক ডাঃ কৃষ্ণস্বামী আয়েঙ্গাৰে এই মত সমৰ্থন কৰিলেও এইটো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে মৌখৰী ৰজাসকলৰ মুদ্ৰা বা অন্যান্য সূত্ৰত সুস্থিতবৰ্ম্মাৰ নাম ক'তো পাবলৈ নাই। যি সকলে সুস্থিতবৰ্ম্মাক মৌখৰী ৰজা বুলি ধৰিবলৈ ইচ্ছা কৰে তেওঁলোকৰ নাম,—ডাঃ জন্ ফেইড্‌ফুল্ ফ্লীট্, কাৰেল আৰু টমাচ, ডাঃ কৃষ্ণস্বামী আয়েঙ্গাৰ আৰু ডাঃ ৰাধাকুমুদ মুখাৰ্জ্জী। ইয়াৰ ভিতৰত ফ্লীট্, কাৰেল আৰু টমাছে নিধানপুৰৰ ফলি আৰু নলন্দ মোহৰত সুস্থিতবৰ্ম্মাৰ নাম পোৱাৰ আগেয়ে তেওঁলোকৰ মত দিছিল, আৰু ফ্লীটে মত দিওঁতে "সম্ভৱতঃ" এই শব্দটো ব্যৱহাৰ কৰিছে।

কিন্তু আমাৰ মতে দকৈ ভাবি চাবলৈ গলে আফছদ ফলিৰ এই সুস্থিতবৰ্ম্মাক কামৰূপেশ্বৰ ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ সুস্থিতবৰ্ম্মা বা মৃগাঙ্ক ৰজা বুলি অনুমান নকৰি নোৱাৰি। ইয়াৰ কাৰণ এই,—

( ক ) গুপ্তৰাজ আৰু কামৰূপ-নৃপতি সকলৰ পুৰুষীনামা মতে সুস্থিতবৰ্ম্মা আৰু মহাসেনগুপ্ত দুজন সমসাময়িক ৰজা হোৱাত কোনো আপত্তি নাই।

(খ) ডাঃ আয়েঙ্গাৰে কয়,—"এই ফলিত যুদ্ধক্ষেত্ৰ বুলি লৌহিত্যৰ নাম উল্লিখিত হোৱা নাই, মাথোন পূৰ্ব্ব প্ৰান্তলৈকে মহাসেনগুপ্তৰ বিজয়গীতি গোৱা হৈছিল বুলি স্থানবিস্তৃতিৰ পৰিমাণ বুজাবৰ কাৰণে লৌহিত্যৰ নাম উল্লেখ কৰা হৈছে"। কিন্তু ফলিৰ মূল পাঠ পঢ়ি চালে সহজে ধৰিব পাৰি যে বিজয়গীতি কীৰ্ত্তনৰ স্থানবিস্তৃতিৰ ওপৰত মাত্ৰা দিয়া হোৱা নাই, অৰ্থাৎ লৌহিত্যৰ তীৰলৈকে সেই গীত গোৱা হয় বুলি কোৱা নাই। মূল ফলিত কালবিস্তৃতিৰ ওপৰতহে মাত্ৰা দিয়া হৈছে, তাত কোৱা হৈছে যে "অদ্যাপিও ঘনে ঘনে সেই গীত লৌহিত্যতীৰত গোৱা হয়", অৰ্থাৎ মহাসেনগুপ্তৰ দিনত এই যুদ্ধ ঘটিলেও চাৰি কুৰিমান বছৰৰ পাচত মহাসেনৰ নাতিয়েক আদিত্যসেনৰ দিনতো এই বিজয়গীতি গাবলৈ মানুহে পাহৰা নাছিল।

(গ) "হৰ্ষচৰিতৰ" মতে, ভাস্কৰবৰ্ম্মাই হংসবেগ কটকীক পঠিয়াই সম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ মিত্ৰতা কামনা কৰিছিল। হংসবেগে সেই সূত্ৰে সম্ৰাটৰ আগত ভাস্কৰ-বৰ্ম্মাৰ পূৰ্ব্বপুৰুষসকলৰ কীৰ্ত্তিকলাপ কীৰ্ত্তন কৰিবলৈ বাধ্য হয়। ডাঃ আয়েঙ্গাৰে কয়, আফছদ ফলিৰ সুস্থিতবৰ্ম্মা কামৰূপ নৃপতি হোৱা হলে, মহাসেনগুপ্ত আৰু সুস্থিতবৰ্ম্মাৰ সংঘৰ্ষ-কাহিনী হৰ্ষবৰ্দ্ধনৰ আগত কটকী হংসবেগৰ ভাস্কৰবৰ্ম্মাৰ বংশ-কীৰ্ত্তনৰ পৰা বাদ নপৰিলেহেতেন। আমাৰ মতে এইটো আশা কৰা ভুল। হংসবেগৰ প্ৰধান উদ্দেশ্য আছিল ভাস্কৰবৰ্ম্মাৰে সৈতে সম্ৰাটৰ মিত্ৰতা স্থাপন কৰা ; সেই কাৰণে হংসবেগে কামৰূপাধিপতিৰ পূৰ্ব্বপুৰুষসকলৰ স্তুতিবাদহে কৰিছিল, আৰু তেওঁ দেখুৱাবলৈ যত্ন কৰিছিল যে কামৰূপৰ ৰাজপৰিয়াল স্থানেশ্বৰৰ সম্ৰাটসকলেৰে সৈতে মিত্ৰতা সূত্ৰে আবদ্ধ হ'বলৈ কোনো প্ৰকাৰে অনুপযুক্ত নহয়। এই উদ্দেশ্যৰ দ্বাৰা প্ৰণোদিত হৈ তেওঁ ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ সুস্থিতবৰ্ম্মাক এজন পৰাক্ৰমী বীৰ বুলিহে পৰিচয় দিছিল। মগধৰাজ মহাসেনগুপ্তৰ হাতত সুস্থিতবৰ্ম্মাৰ পৰাজয় কাহিনী হংসবেগৰ প্ৰশংসাবাদৰ পৰা বাদ পৰাটো স্বাভাৱিক।

(ঘ) আফ্‌ছদ ফলিৰ মূল প্ৰশস্তি গৌড়নিবাসী সূক্ষ্মশিৱ নামে এজন বুদ্ধিমান পণ্ডিতে ৰচনা কৰিছিল। এই গৌড় বা কৰ্ণসুবৰ্ণ ৰাজ্য হৰ্ষবৰ্দ্ধনৰ দিনত গৌড়-ৰাজ শশাঙ্কৰ মৃত্যুৰ পাচত ভাস্কৰবৰ্ম্মাৰ হস্তগত হয়। নিধানপুৰত আৱিষ্কৃত ফলি বীৰকেশৰী ভাস্কৰবৰ্ম্মাই নৌ-হস্তি-অশ্ব-পদাতি-সম্পত্তি-বিশিষ্ট আৰু জয়শব্দ-সমন্বিত কৰ্ণসুবৰ্ণ স্কন্ধাবাৰ বা শিবিৰৰ পৰা দান কৰিছিল। আফছদ ফলি দানৰ সময়তো, অৰ্থাৎ মগধত আদিত্য-সেনৰ ৰাজত্ব কালতো গৌড় বা কৰ্ণসুবৰ্ণ অসমীয়াৰ কৰতলীয়া আছিল। গৌড়নিবাসী বঙ্গালী পণ্ডিত সূক্ষ্মশিৱই নিজ ৰাজ্যৰ বিদেশী বিজেতা ভাস্কৰবৰ্ম্মাৰ পিতৃদেৱ সুস্থিতবৰ্ম্মাৰ পৰাজয় স্বৰূপ অপযশৰ কথা এই ফলিত সুগমীয়াকৈ লিপিবদ্ধ কৰি কামৰূপ ৰাজ-পৰিয়ালৰ গৌৰৱ লাঘৱ কৰিবৰ চেষ্টা কৰা স্বাভাৱিক ; অৰ্থাৎ সূক্ষ্মশিৱৰ আনুমানিক ভাব এনে,—ভাস্কৰবৰ্ম্মাই আমাৰ গৌড় দিগ্বিজয় কৰিলে সঁচা, কিন্তু তেওঁৰ বাপেক সুস্থিতবৰ্ম্মাক মহাসেনগুপ্তই কলহে কলহে পানী খুৱাইছিল, এতিয়াও সেই অপমানৰ চেকা কামৰূপ ৰাজপৰিয়ালৰ গাৰ পৰা মচিব পৰা নাই।

(ঙ) সুস্থিতবৰ্ম্মা মহাসেনগুপ্তৰ দ্বাৰা পৰাজিত হৈছিল ; ইয়াৰ পৰিণাম স্বৰূপে কামৰূপ মগধৰ তলতীয়া হৈছিল নে নাই তাৰ কোনো প্ৰমাণ নাই। পৰাজিত হলেও সেই কালৰ প্ৰথামতে বিজিত ৰাজ্যত আগৰ ৰাজ্ৰ ৰাজ ৰজাসকলেই প্ৰায় শাসন কৰিছিল, মাথোন বিজেতা ৰজাৰ উৎসৱ আদিত বিজিত ৰজাই উপস্থিত হৈ শোভাবৰ্দ্ধন কৰাৰ নিয়ম আছিল। মহাসেনগুপ্তৰ দুই পুত্ৰ মাধৱগুপ্ত আৰু কুমাৰগুপ্ত, সম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ কৌমাৰ কালৰ অন্তৰঙ্গ বন্ধু আছিল। সেইদেখি ভাস্কৰবৰ্ম্মাৰ স্বাভাৱিকতে শঙ্কা হল যে হৰ্ষবৰ্দ্ধনৰ সহায় লৈ মগধ ৰাজে পুনৰ কামৰূপৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিব পাৰে ইয়াকে জানি দূৰদৰ্শী ভাস্কৰবৰ্ম্মাই পৰাক্ৰমী হৰ্ষ সম্ৰাটেৰে সৈতে কটকী পঠিয়াই মিত্ৰতা স্থাপন কৰি মগধ ৰাজৰ দ্বাৰা কামৰূপ আক্ৰমণৰ বাট মাৰি থৈছিল।

(চ) সুস্থিতবৰ্ম্মাৰ অপৰ নাম মৃগাঙ্ক। 'হৰ্ষচৰিত' আৰু নিধানপুৰ ফলিত এই দুই নামৰ উল্লেখ আছে গৌড়ীয় কবি সূক্ষ্মশিৱই সুস্থিতবৰ্ম্মাৰ এই দ্বিতীয় নাম



নিশ্চয় জানিছিল। আফ্‌ছদ ফলিৰ প্ৰশস্তিত থকা "সুস্থিতবৰ্ম্ম-যুদ্ধ-বিজয়-শ্লাঘা-পদাঙ্কম্" এই বচন ফাঁকিত 'মৃগাঙ্ক' শব্দটোৰ ওপৰত শ্লেষ (*pun*) আছে বুলি অনু-মান কৰিব পাৰি. বিশেষতঃ 'পদাঙ্ক' শব্দটিয়ে 'মৃগাঙ্ক' শব্দটিক সোঁৱৰাই নিদি নোৱাৰে।

(ছ) এই ফলিত লৌহিত্যতীৰৰ তামোল গছৰ উল্লেখ আছে। আৰু প্ৰাচীন গ্ৰন্থাৱলীত প্ৰাগ্‌জ্যোতিষৰ লগত তামোল-পানৰ গছৰ উল্লেখ অনিবাৰ্য্য হেন দেখা যায়। বলবৰ্ম্মাৰ তামৰ ফলিত 'ৰঘুবংশৰ' ষষ্ঠ সৰ্গত থকা "তাম্বূল-বল্লী-পৰিণদ্ধ-পূগম্" এই বাক্যটি হুবহু তুলি দিয়া হৈছে।

(জ) সুস্থিতবৰ্ম্মা এই নামটো অন্যান্য প্ৰাচীন কামৰূপ-নৃপতিসকলৰ নামৰ লগত খাপ খাইছে। ভাস্কৰ-বৰ্ম্মাৰ পিতামহৰ নাম স্থিতবৰ্ম্মা, পিতাৰ নাম সুস্থিত-বৰ্ম্মা, সহোদৰৰ নাম সুপ্ৰস্থিতবৰ্ম্মা। মৌখৰী ৰজা-সকলৰ নাম কিন্তু অন্য ধৰণৰ, —হৰিবৰ্ম্মা, আদিত্য-বৰ্ম্মা. ঈশানবৰ্ম্মা, সৰ্ব্ববৰ্ম্মা।

অসমীয়াত এটা কথা আছে :—

"এঘৰৰ পাটনাদ এঘৰৰ জৰী,
এঘৰে পানী তোলে ঘটং-মটং কৰি।

সুস্থিতবৰ্ম্মাক যদি মৌখৰী ৰজা বুলি ধৰি লোৱা হয়, কথাষাৰ কেনেকুৱা হয় চাব লগীয়া.— মগধৰ ৰজা মহাসেনগুপ্তই যুদ্ধত মৌখৰী ৰজা সুস্থিত-বৰ্ম্মাক ঘটুৱালে, এই বিজয়-গীতি চাৰি কুৰি বছৰৰ পৰত লৌহিত্যৰ তীৰত অসমীয়া মানুহে গাই ফুৰিবলৈ তেওঁলোকৰ কি গৰজ পৰিছিল ?

কামৰূপ-ৰাজ সুস্থিতবৰ্ম্মাৰ লগত মহাসেনগুপ্তৰ সাম-ৰিক সংঘৰ্ষণ হৈছিল এইটো ঠিক। কিন্তু এই যুদ্ধত সুস্থিতবৰ্ম্মাৰ পৰাভৱ হোৱাৰ কথা মাথোন এই ফলিতহে পোৱা যায়। এই ফলিৰ কথা একপ্ৰকাৰে শিলৰ ৰেখ হলেও তাক নিশ্চিত সত্য বুলি ধৰিব নোৱাৰি। কাৰণ এই ফলি আছিল মহাসেনগুপ্তৰ নাতি আদিত্যসেনৰ, তেওঁ পিতামহৰ গৌৰৱ কীৰ্ত্তন কৰি নিজৰ যশস্যা বঢ়োৱাৰ চেষ্টা কৰিছে বুলি ভাবিলেও ভাবিব পাৰি। কামৰূপৰ বুৰঞ্জীত বা অন্যান্য নিৰপেক্ষ সূত্ৰে এই সংঘৰ্ষৰ ফলাফলৰ বিষয়ে জানিব পাৰিলে আমি প্ৰকৃত সত্য আৱিষ্কাৰ কৰিব পাৰিলোঁহেতেন। সুস্থিতবৰ্ম্মা যদি মহাসেনৰ হাতত পৰাজিত হৈছিল সেই কথা মহাসেনতনয় মাধৱগুপ্তৰ বন্ধু হৰ্ষবৰ্দ্ধনৰ অগোচৰ নাছিল। তেনেস্থলত হংসবেগে হৰ্ষবৰ্দ্ধনৰ আগত সুস্থিতবৰ্ম্মাক পৰাক্ৰমী বীৰ আৰু অন্যান্য নৃপতিসকলৰ যুৱ নত কৰোঁতা যুগাক বুলি পৰিচয় দিয়াটো বিদ্ৰূপাত্মক নহবনে ? আৰু বিশে-ষতঃ অসমীয়াই লৌহিত্যতীৰত নিজৰ দেশৰ ৰজাৰ পৰাজয়-গীতি ইমান দিনলৈকে গাই ফুৰিবলৈ কুণ্ঠিত নহবনে ? আদিত্যসেনৰ এই ফলিৰ প্ৰশস্তিৰ এই অংশত অলপমান কবিত্বপূৰ্ণ অতিৰঞ্জন যে আছিল তাত সন্দেহ হয়। বিশেষতঃ তেনে ধৰণৰ উক্তিক প্ৰতিবাদ কৰাৰ কোনো সম্ভাৱনা নথকাত প্ৰশস্তি-ৰচয়িতাই ঠায়ে ঠায়ে ৰহণ সানি পৃষ্ঠপোষক নৃপতিক তুষ্ট কৰাৰ চেষ্টা বিৰল নহয়।

হিন্দুযুগত উত্তৰ-ভাৰতৰ নৃপতিসকলেৰে সৈতে কাম-ৰূপৰ যি সংঘৰ্ষণ হয় তাৰ উল্লেখ হাতে লিখা অসম বুৰঞ্জীতো পোৱা যায়। স্বৰ্গীয় গুণাভিৰাম বৰুৱা আৰু হলিৰাম ঢেকিয়াল ফুকনেও এনে এটি সংঘৰ্ষণৰ কথা উল্লেখ কৰিছে। নৰকবংশীয় ৰজাসকলৰ পাচত অন্য বংশীয় ২১ জন ৰজা কামৰূপৰ সিংহাসনত বহে, এই নতুন বংশৰ সৰ্ব্বপ্ৰথম ৰজা হৈছে মাধৱ আৰু শেষ ৰজা সুবাহু। ৰত্নপালৰ তামৰ ফলিৰ মতেও নৰক-বংশৰ পাচত শালস্তম্ভ আদি কৰি ২১ জন ম্লেচ্ছ ৰজা কামৰূপৰ সিংহাসনত বহে। অসম বুৰঞ্জীৰ মতে এই সুবাহু ৰজাই উত্তৰ ভাৰতৰ বিক্ৰমাদিত্য ৰজাৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা আটক কৰি ৰাখে। তাতে বিক্ৰমাদিত্যই সসৈন্যে কামৰূপলৈ আহি সুবাহুক পৰাস্ত কৰে। সুবা-হুৱে সুমতি নামে মন্ত্ৰীক ৰাজ্যভাৰ গতাই দি বাণপ্ৰস্থ অৱলম্বন কৰি পুতেক সুবলৰ লগত হিমালয়লৈ প্ৰস্থান কৰে। সুমতিৰ পাচত দ্ৰাবিড় দেশীয় ক্ষত্ৰিয় জিতাৰিয়ে কামৰূপ অধিকাৰ কৰে।

এই সুবাহু কোন ? বিক্ৰমাদিত্য নামে যে কোনো এজন বিশেষ ৰজা নাছিল এইটো আজি কালি পণ্ডিত-সকলে সিদ্ধান্ত কৰিছে। আগৰ দিনত দিগ্বিজয়ী পৰা-

ক্ৰমী সম্ৰাট্ সকলৰ জনচেৰেকে এই উপাধি ধাৰণ কৰিছিল। কবি কালিদাসৰ পৃষ্ঠপোষক চন্দ্ৰগুপ্ত এজন বিক্ৰমাদিত্য আছিল। কামৰূপ নৃপতি সুবাহুক পৰাস্ত কৰা বিক্ৰমাদিত্য জন কোন? সমুদ্ৰগুপ্তই অশ্বমেধযজ্ঞৰ পুনৰ অৱতাৰণা কৰিছিল বুলিও তেওঁৰ প্ৰতিদ্বন্দ্বী কামৰূপ-নৃপতি ভগদত্তবংশীয় আছিল বুলি অনুমান কৰিব পাৰি। 'গৌৰবহ'ৰ মতে কনৌজৰ নৃপতি যশোবৰ্দ্ধনে গৌড় ৰজাক পৰাস্ত কৰে। এই জনা গৌড়ৰাজক হৰ্ষদেৱ বুলি ধৰিবলৈ বহুতে চেষ্টা কৰিছে। ওপৰত কোৱা হৈছে হৰ্ষদেৱ বা শ্ৰীহৰিষ নৰকবংশীয় নাছিল। গতিকে, সম্প্ৰতি কলৈ সুবাহুক হৰ্ষদেৱ আৰু বিক্ৰমাদিত্যক যশোবৰ্ম্মা বুলি অনুমান কৰি লব পাৰি। আগৰ দিনৰ ৰজা-সকলৰ কেবাটাও নাম থকাৰ প্ৰমাণ পোৱা যায়; যথা হৰ্ষবৰ্দ্ধনক শিলাদিত্য, সুস্থিতবৰ্ম্মাক মৃগাঙ্ক, আৰু আদিমত্তক শশাঙ্ক বোলা হৈছিল।

সাগৰণিত ইয়াকে কব খোজোঁ যে প্ৰাচীন কামৰূপ বুৰঞ্জী ৰচনা কৰাৰ আগেয়ে প্ৰাচীন ভাৰতৰ সকলো বুৰঞ্জী, সাহিত্য, শিলালিপি আদি আদ্যোপান্ত আলোচনা কৰি লব লাগিব। দুখৰ বিষয় প্ৰাচীন কামৰূপৰ অন্তৰ্গত বৰ্ত্তমান ৰাজ্যখণ্ডত তেনে বুৰঞ্জীৰ সমল থাকিলেও সি কোনো প্ৰকাৰে যথেষ্ট নহয়, আৰু কামৰূপৰ বাহিৰে কামৰূপ বুৰঞ্জীৰ আহিলা অন্বেষণৰ সূত্ৰপাত শৃঙ্খলা ভাৱে হোৱা নাই। তেনে অনুসন্ধানলৈ শিক্ষিতসকলৰ ধাউতি হব বুলি বৰ্ত্তমান প্ৰবন্ধ ৰচনা কৰা হল।

প্ৰমাণ-পঞ্জী:--- উল্লিখিত Assam Inscriptions নামে ইংৰাজী প্ৰবন্ধৰ পৰিশিষ্টৰূপে, অসম সম্পৰ্কীয় শিলালিপি আৰু প্ৰাচীন কামৰূপ-বুৰঞ্জী সংক্ৰান্ত সকলো প্ৰবন্ধ আৰু কিতাপৰ এখন প্ৰমাণ-পঞ্জী বা Bibliography সংযুক্ত কৰি দিয়া গৈছে। ইয়াত মাখোন মূল থনচেৰেক গ্ৰন্থ আৰু প্ৰবন্ধৰ নাম দিয়া হল:—


1. Aiyangar, Dr. S. Krishnaswami,—Forgotten Episodes in the History of Medieval India, Journal of Indian History, December 1926.

2. Bhattacharyya, Mm. Padmanath,—Copper-Plate Inscription of Bhaskaravarman, 1st series Epigraphica Indica, Part 2, Vol. 12.

3. Dikshit, Kasinath,— Nalanda Seal of Bhaskaravarman, J. B. O. R. S. 1920.

4. Fleet, John Faithful,—Corpus Inscriptionum Indicarum Vol. 3, Inscriptions of Early Gupta Kings.

No.1 Allahabad Stone Pillar Inscription of Samudragupta,

No. 33, Mandasor Stone Pillar Inscription of Yasodharman.

No 42, Aphsad Stone Inscription of Adityasen.

5. Indraji, Dr, Bhagawanlal,— Inscription of Jayadeva II of Nepal, Indian Antiquary, Vol. ix, p. 178,


গুৱাহাটী। }
ইং ১২।৬।১৯২৮ }

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# বাৰভূঞা।

## ৪। শ্ৰীমন্ত শঙ্কৰদেৱৰ জীয়ধৰা ডাল।

গোবিন্দ প্ৰিয়া ...ৰ বংশ।

বৰ্ত্তমান সময়ত শ্ৰীমন্ত শঙ্কৰ গুৰুৰ ৰক্তৰ সম্বন্ধ থকা কেইটামান বংশ আছে। এইসকল কোনো কোনো নাতি আৰু কোনো কোনো পৰিনাতিৰ সন্তান; সেই কাৰণে এইসকলক আমি "জীয়ধৰা ডাল" নাম দিলোঁ। (৩) কথাত উল্লেখ কৰি আহিছোঁ—হৰিচৰণ ঠাকুৰৰ গোবিন্দপ্ৰিয়া আৰু কান্তিপ্ৰিয়া নামে দুটি কন্যা আছিল। গোবিন্দপ্ৰিয়াক বৎসল গাভৰু গিৰিত আৰু কান্তিপ্ৰিয়াক গদাধৰ গাভৰু গিৰিত বিবাহ দিয়ে। দুয়ো ভূঞাৰ সন্তান; কিন্তু বৎসল কেয়াবংশৰ আৰু গদাধৰ চৌধুৰীবংশৰ আছিল; বৎসল গাভৰু গিৰিক সেই কাৰণে পৰবৰ্ত্তী কালত সকলোৱে "ৰকৰা আতা" বুলিছিল।

ৰকৰা আতাই চতুৰ্ভুজ ঠাকুৰৰ সঙ্গ এৰা নাছিল; এওঁ প্ৰথমে ঠাকুৰৰ লগত সুন্দৰীতে থাকে, পাচত বৰসিয়া আৰু বিষ্ণুপুৰলৈ যায়। ঠাকুৰ তীৰ্থলৈ (১মবাৰ) যাওঁতেও ৰকৰা আতা লগত গৈছিল। ঠাকুৰৰ পুত্ৰ সন্তান নথকা বাবে ৰকৰা আতাৰপৰা দামোদৰক পুত্ৰৰূপে গ্ৰহণ কৰা কোনো কোনো পুথিত পোৱা যায় —

"শুনিয়ো ভকতসব পূৰ্ব্বৰ কথাক।
বাই বুলিলন্ত যেবে তাক শুনিয়োক॥
আইৰ আগত বাই বুলিলা নিশ্চয়।
যতেকে সন্ততি হোৱে সমস্তে মৰয়॥ ৫০১
ইবাৰৰ গৰ্ভ-গুটি দিলোঁহো তোৰাক।
সত্যে সত্যে আই মই বুলিলোঁহো বাক॥
যদি বেটী হোৱে মোৰ, নাহি অধিকাৰ।
যদি বেটা হোৱে আই অৱশ্যে তোমাৰ॥
এতেক বুলিয়া বাই আনন্দে আছন্ত।
অনন্তৰে বংশধৰ পুত্ৰ জন্মিলন্ত॥
দেখি মনে আই বহু আনন্দ লভিলা।
পৰম আনন্দে দামোদৰ নাম থৈলা॥
সেহি দামোদৰ হন্ত আমাৰ ভাগিন।
তাহানে আমাৰে কিছু নাহিকয় ভিন॥
জন্মিবাৰ পৰা মোৰ আছন্ত লগত।
কোলায় বোকায় তুলিলোঁহো পুত্ৰবৎ॥" ৫০৪

—বিষ্ণাই ওঝা।

"পূৰ্ণদিনে শুভক্ষণে বাই প্ৰসৱিলা।
আই গৈয়া বালকৰ নাভিছেদ কৈলা॥
পুত্ৰেষ্টী যজ্ঞক কৰি পুত্ৰ কৰি লৈলোঁ।
সুবৰ্ণ মূল্যক দিয়া তাহাক কিনিলোঁ॥ ১১১
আমাৰ দ্বিতীয়া ভাৰ্য্যা মকুন্দপ্ৰিয়াক।
দিলা নিয়া আই পাচে পুত্ৰ তুলিবাক॥
নাম গোত্ৰ দিয়া শৌচ ক্ৰিয়াক ধৰিলোঁ।
তাহাৰ নামক জানা দামোদৰ থৈলোঁ॥" ১১২

—ৰতিকান্ত দ্বিজ।

চতুৰ্ভুজ ঠাকুৰৰ পুত্ৰ সন্তান নাছিল; দদাক পুৰোষোত্তম ঠাকুৰৰো পুত্ৰ নাছিল, সেই কাৰণে দামোদৰক পুত্ৰবোধে গ্ৰহণ কৰে। কিন্তু তেওঁৰ সুভদ্ৰা আৰু সুমিত্ৰা নামে দুগৰাকী কন্যা আছিল; আইসকলে এই কন্যাৰ পুত্ৰলৈহে আশা কৰি ঠাকুৰৰ কাৰ্য্যত সন্মত হৈ আনন্দ প্ৰকাশ কৰা নাছিল। পৰবৰ্ত্তী কালৰ ঘটনা-বোৰত এই কথা প্ৰকাশ হব। চতুৰ্ভুজ ঠাকুৰ প্ৰয়াণ কৰাৰ সময়ত দুই কন্যাৰ কোনো সতি সন্ততি হোৱা নাছিল। সেই সময়ত দেশ মোগলৰ হাতত, সেই কাৰণে ঠাকুৰৰ কথাত আইসকলে সন্তুষ্ট নহলেও বাধ্য হৈ দামোদৰক মানি চলিব লগাত পৰিছিল। ঠাকুৰ শেষবাৰ তীৰ্থলৈ যাওঁতে ভক্তসকলক কৈছিল—

"আহ্মৰ ভাগিন জানা দামোদৰ
পুত্ৰসম ইতো আছে"॥

"ইহাকে সমস্তে পুত্ৰ বুলি কৈবা
বঙ্গালে যদি পুছয় ॥
ৰাজ আজ্ঞা আইলে এহি হৈব আগ
বুলিলো মই নিশ্চয়" ॥ ৫৫

অনন্তৰাম চৰিত—ভদ্ৰচাৰু।

দামোদৰ আতা ১৫৪৮ শকত জন্মে, আৰু ঠাকুৰ স্বৰ্গী হোৱাত, অৰ্থাৎ ১৫৭১ শকত আচাৰ্য্যপদ পায়। দামোদৰে আচাৰ্য্য-পদ গ্ৰহণ কৰাৰ পাচৰ পৰা আইসকল অলপ আঁতৰি থাকে; পুৰুষোত্তম ঠাকুৰৰ ভাৰ্য্যা লক্ষ্মীপ্ৰিয়া জনিয়া থানলৈ আহে।

এই সময়ত বিষ্ণুপুৰত মোগলৰ উৎপাত বৰ বেচি হয়। ভগবান নামে দামোদৰৰ এজন সখিয়েক আছিল; এওঁ কেশৱ আতাৰ পুত্ৰ ( কচুং )। আহোম সিংহাসনত সেই সময়ত জয়ধ্বজ সিংহ ৰজা আছিল; ভগবানে আহোম ৰজাৰ অনুগ্ৰহত উজনিত সুখত ধৰ্ম্মপ্ৰচাৰ কৰিছিল। দামোদৰে বঙ্গালৰ উৎপাতৰ কথা কৈ উজনিত থকা সখিয়েক ভগবানলৈ ভকত পঠালে। ভগবানে সখিয়েকৰ দুখৰ কথা শুনি ৰজাত জনাই এখন ডাঙৰ নাও লৈ বিষ্ণুপুৰ পালেগৈ। এই নাৱত দামোদৰ যেতিয়া উজনিলৈ আহিবলৈ ওলাল, চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্য্যাইও নিঃসঙ্গ ভাবি বিষ্ণুপুৰ ত্যাগ কৰাকে স্থিৰ কৰিলে।

"হেন শুনি নাৰদ ভাণ্ডাৰী শীঘ্ৰে যাই।
ইসৱ বৃতান্ত কৈল ডাঙৰ আইৰ ঠাই ॥
শুনিয়া কনকলতা ডাঙৰ আই আসিলা।
( দামোদৰ ) তথ্ সঙ্গে মোক নিয়ো বিনয়ে বুলিলা"। (৪৫১)

হৰিনাৰায়ণ—ঠা. চ.

দামোদৰে নিজৰ পৰিয়াল আৰু চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্য্যা, জী, জোঁৱাই সকলোকে লগত লৈ উজাই আহে। এওঁ আহি বঙ্গালৰ চকি পাই [ বোধ হয় এই সময়ত বৰ নৈৰ মুখ কুৰুৱাই আহোম আৰু মোগলৰ চকি আছিল ] লাড়ু মিঠৈ দি চকি পাৰ হয়; আৰু তাৰ পাচত বৰদোৱা ঘাট পায়। দামোদৰ অহাৰ বহুত আগেয়ে বনবাসী নামে এজন ভক্তে বহুত ঘূৰি ঘূৰি বৰদোৱাৰ ওচৰত আছিল। এই সময়ত বৰদোৱা অতপা হাবি, ব্ৰহ্মপুত্ৰৰ ওচৰলৈ তেনেই জঙ্গল, বৰদোৱা ক'ত তাক বিচাৰি উলিওৱা এটা আবিষ্কাৰৰ নিচিনা হৈ উঠিছিল।

দামোদৰে বনবাসীৰ পৰা বৰদোৱাৰ সম্ভেদ পায়—

"বনবাসী নামে পূৰ্ব্বে ভকত এক আছিল।
গুৰু অনুগ্ৰহে বৰদোৱা খুজি পাইল ॥
সেহি বৰদোৱাঘাট ঠাকুৰে (দামোদৰ) পাইলন্ত।
তথি ভাৰ্য্যা পুত্ৰ থৈয়া উজাই আসিলন্ত ॥

হৰিণাৰায়ণ ঠা. চ.

দামোদৰে বৰদোৱাৰ সংবাদ পাই ব্ৰহ্মপুত্ৰৰ চাপৰিত ভাৰ্য্যা-পুত্ৰ থৈ ৰজাৰ সহায় পাবৰ আশাৰে লৰালৰিকৈ উজাই আহে। ৰাজধানী পালত ৰজাই দামোদৰক বৰ সম্মান কৰে, আৰু বহুত মাটি বাৰী দি [ বৰ্ত্তমান উত্তৰ লক্ষীমপুৰৰ য'ত বাসুদেউ থান আছে তাতে ] সত্ৰ পাতি দিয়ে। ইয়াত দামোদৰক নতুনকৈ থাপন কৰাৰ দৰে হল, সেই কাৰণে এই ঠাইৰ নাম পাচলৈ "নবোৱা" [ নকৈ বোৱা ] হয়। তাৰ পাচতেই দামোদৰে "লাউমুৰি" আৰু "চাৰিভাগী" নামে দুই ঠাইত দুখন সত্ৰ পাতি ৰজাৰপৰা অনেক সহায় সম্বল লৈ বৰদোৱা সংস্কাৰ কৰিবলৈ ৰাওনা হয়। দামোদৰ যোৱাৰ সময়ত চতুৰ্ভুজৰ আজ্ঞাপৰ মহন্তসকলকো সংবাদ দি লগতে লৈ গৈছিল।

দামোদৰ বৰদোৱাৰ ঘাট পালে কিন্তু আগেয়ে লগ পোৱা বনবাসী ভক্তক কেবাদিনো বিচৰাই লগ ধৰিব নোৱাৰিলে। সেইসময়ত কুঁজীত "চেতুৰা" নামে এজন মিকিৰ ৰজা আছিল; দামোদৰে তেওঁক শৰণ লগালে। তাৰ পাচতে বহুত মিকিৰে দামোদৰত শৰণ লয়। তেতিয়া দামোদৰে ৰজাৰৰীয়া সহায় আৰু এই মিকিৰ শিষ্যসকলৰে সৈতে বৰদোৱা উলিয়াবলৈ যত্ন কৰে; কিন্তু কৃতকাৰ্য্য নহল। তেওঁ দিশ হেৰুৱাই বাৰপুজীয়া [বাৰ ভূঞাই দেৱী পূজা কৰা ঠাই ] পাই মণিপুৰ বাৰীত উপস্থিত হৈ তাকেই বৰদোৱা বুলি ঠাৱৰায়; কিন্তু চৰিত্ৰত থকা বৰদোৱাৰ চিনবোৰ নিমিলা দেখি হাবি ভাঙি পুনৰ ওচৰলৈ আহে, পাচত আকৌ পশ্চিমলৈ গৈ ব্ৰহ্মপুত্ৰত উপস্থিত হয়। এইদৰে দামোদৰে প্ৰথম বাৰত কেইবামাহো যত্ন কৰি বৰদোৱা উলিয়াব নোৱাৰিলে। কিছুদিনৰ



পাচত সৌভাগ্যক্ৰমে পোনতে লগ পোৱা বনবাসী জয়ৰাম ভক্তক দামোদৰে লগ পালে। এই ভক্তজনে বহুত দিনৰ পৰা হাবিৰ মাজে মাজে গৈ বৰদোৱা থানত সেৱা কৰি আছিল। বনবাসীৰপৰা দামোদৰে বৰদোৱাৰ হাবিৰ পহ-বাটৰ সম্ভেদ পাই পুনৰ যত্ন কৰিবলৈ স্থিৰ কৰিলে। দামোদৰে আহোম ৰজাৰ তিনিশ পাইক পাইছিল; এই পাইক আৰু মিকিৰ শিষ্যসকলেৰে সৈতে বনবাসীক আগত লৈ আকৌ বৰদোৱাৰ হাবিত সোমাল। এইবাৰ যাওঁতে একেবাৰে হাবি কাটি আলি (১) বন্ধাই লৈছিল। তেওঁলোকে এই যাত্ৰাত অলপ দিনৰ ভিতৰেদি গৈ বৰদোৱা পালে। দামোদৰে অলপ দিনৰ ভিতৰতে হাবি কাটিলে, আৰু কেৱলীয়া ভকত বহুৱালে। থানৰ এটা ভদ কৰি তাৰ বাহিৰে আশ্ৰমী ভকত বহুৱালে। এই হকক আজি কালিও "কৰাপাট" বুলি কয়। ইয়াৰ পাচত আকাশী গঙ্গাত গুৰুৰ পদশিলা (২) পায়। দামোদৰে নামঘৰ, মণিকুট, পদশিলাঘৰ আদি সজালে—পুনৰ বৰদোৱাত হৰি কীৰ্ত্তনৰ ৰোল উঠিল—

"এহি মতে বৰদোৱা থান আসি পাইলা।
সত্ৰ ঘৰ কৰি তথা ঠাকুৰ ( দামোদৰ ) ৰক্ষিলা ॥
তৈতে ডাঙৰ আইৰ (কনকলতা) জীৱ সুভদ্ৰা কন্যাত।
ৰামদেৱ বীৰ্য্যে অনন্তৰাম জাত ॥ ৪৬২

হৰিনাৰায়ণ—ঠা. চ.

আমি ওপৰত কৈ আহিছোঁ দামোদৰৰ ভাগিনেয়কৰ লগত চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্য্যা কনকলতাও জী-জোঁৱাইৰে সৈতে আহিছিল। বৰদোৱাত কিছুদিন থকাত "অনন্ত" নামৰ জীৰ নাতি জন্মে ( ১৫৮২ )। এই সময়ৰ পৰা সিবিলাকৰ ভিতৰত আত্মকলহ বণিভূত হোৱা যেন লাগে।

দামোদৰ আতাই গৈ বৰদোৱাঘাটত নাও চপাই বালিত বসতি কৰিছিল, পাচত সেয়ে এখন সত্ৰ হয়; ইয়াক "বালিসত্ৰ" বোলে। কুঁজীৰ মিকিৰ ৰজাই কিছুমান মাটি দিছিল; আতাই তাত "বৈষ্ণৱপুৰ" নামে সত্ৰ পাতে। এইদৰে দামোদৰ আতা আঠখন সত্ৰৰ মালিক হয়—নবোৱা, লাউমুৰী, চাৰিভাগী, বালিসত্ৰ, বৰদোৱা, বৈষ্ণৱপুৰ, পাটবাউসী, বিষ্ণুপুৰ। আজিকালিও এঁবাৰ বংশধৰসকলে বিষ্ণুপুৰৰ বাহিৰে বাকীবোৰ সত্ৰত প্ৰভুত্ব চলাই আহিছে।

দামোদৰ আতা আঢ়ৈ বছৰ মাত্ৰ উজনিত আছিল। এওঁৰ শেষ বছৰত মীৰজুমলাৰ আক্ৰমণ হয়। অনন্তৰাম চৰিতত এই সম্বন্ধে লিখিছে—

[ অনন্তৰ চূড়াকৰণ হৈ গৈছে; প্ৰায় ২॥ বছৰ বয়স ]

"সেহি কালে আসিবোৰ বঙ্গাল আসম সমে
ধুমাৰ্জ্জয় ৰণ লগিলেক।
বঙ্গালৰ দলে পাচে ৰণ জয় ভৈল আসি
আসামৰ প্ৰজা হাৰিলেক ॥
দুৰ্জ্জন বঙ্গাল সৱে উজাৰয় চতুৰ্ভিতি
গ্ৰাম দেশ লুড়ি কাটি মাৰি।
হেন দেখি প্ৰজাচয় ছয়া আতি মহাভয়
পলাৱয় দেশ গৃহ চাড়ি ॥" ১৩৫

দামোদৰ আতা ১৫৮৪ শকত স্বৰ্গী হয়। আতাৰ ৰমাকান্ত নামে এটি পুত্ৰ আছিল, সেই সময়ত তেওঁৰ বয়স তেৰ বছৰ মাত্ৰ। চৰিত্ৰত পোৱা যায় যে দামোদৰ আতা স্বৰ্গী হোৱাৰ আগ খিনিতে ৰমাকান্তক আচাৰ্য্য পদত বৰণ কৰি গৈছিল; কিন্তু আতাৰ শ্ৰাদ্ধ বিধিৰ অন্ততেই বহুদিনৰপৰা উমাই থকা গৃহানল জলি উঠে—

"ক্ৰিয়াকৰ্ম্ম অন্তে দন্দ কৰে ডাঙৰ আই ( কনকলতা )।
বোলে সুভদ্ৰাৰ পুত্ৰে ধৰ্ম্ম-বটা পায়" ॥

(১) এই আলিক "জোৰাকটা" আলি বোলে। বৰদোৱাৰ পৰা বালি সত্ৰলৈ আজিলৈকে চিন পখি আছে। ই ইমান পোন যে এমূৰত থিয় হৈ চালে দুই ধৰিলে আন মূৰৰ পৰা দেখা পায়।

(২) পদশিলা তিনিখন পোৱা হৈছিল—পান, ভোজন আৰু শাস্ত্ৰ ৰচনা কৰা। ভেটিয়ামি সত্ৰত ভোজনৰখন, বাকী দুখনৰ এখন ছোট চিহাত ( শালগুড়িত ) আৰু আনখন বৰহিছাত ( নবোৱাত ) আছে। ভাটীৰ পৰা আহোঁতে এখন পদশিলা লগত আনিছিল; নবোৱাসত্ৰ স্থাপন কৰোঁতে তাক স্থাপন কৰিছিল। কিন্তু লক্ষীসিংহ ৰজাৰ দিনত নবোৱাৰ আতাই সেই পদশিলা নবোৱাৰ পৰা তুলি নি ৰামপুৰত স্থাপন কৰে। আজিকালি এই পদশিলা ৰামপুৰৰ পৰা নি বালি সত্ৰত স্থাপন কৰিছে।

"শুনি বোলে ঠাকুৰৰ ( দামোদৰৰ ) সখি ভগবানে।
ইটো কথা আই মোৰ নপসয় কাণে॥ ৪৭৮
পিতৃৰ সৰ্ব্বস্ব ধৰ্ম্ম পুত্ৰেসে পাইবেক।
তাক ভাগ আনে খুজি কিসক লৈবেক॥"

হৰিনাৰায়ণ—ঠা. চ.

এই সময়ত মীৰজুমলাই দেশ আক্ৰমণ কৰিছে—প্ৰজাবিলাকে ভয়ত ঘৰ-বৰী এৰি ভাগিবলৈ ধৰিছে। ভগবানে ৰমাকান্তক লৈ ৰজাৰ ওচৰত গোচৰ দিবলৈ উজাই আহিল। কনকলতা আই বৰদোৱাতে দিনচেৰেক থাকিল।

কনকলতা আই আৰু দামোদৰ আতাক বৰদোৱাত থকা বুলি উল্লেখ কৰিলেও ইবিলাক প্ৰকৃততে বৰদোৱাত নাছিল। কনকলতা আই বৰদোৱাৰ পূবে থক বায়দঙ্গীয়া গাৱঁত আৰু দমোদৰ আতা বৰদোৱাৰ উত্তৰে থকা বালিসত্ৰত আছিল। দামোদৰে বালিসত্ৰত থাকিয়েই বৰদোৱা সত্ৰ চলাইছিল। বৰদোৱাত কিছুমান উদাসিন ভকতহে আছিল। কনকলতা আই থকা ঠাইক কালত আইভেটি বোলে; পৰবৰ্ত্তী কালত ই এখন সত্ৰ হয়।

কনকলতা আইৰ লগত ছকুৰি গৃহস্থী আৰু তিনিকুৰি উদাসিন ভক্ত আছিল। মীৰজুমলাৰ আক্ৰমণত দেশত প্ৰায় দুবছৰ খেতি নাইকিয়া হয়, আকালে ঘোৰ মূৰ্ত্তি ধৰি উঠে। কনকলতা আইয়ে পূৰ্ব্বৰ সঞ্চিত ধন ভাঙ্গি ভকতসকলক ৰোজ দিছিল; কিন্তু শেষত ধন দিও চাউল নোপোৱা হল। সিবিলাকৰ ৰোজত এবাৰ পূৰাকৈ চাউল লাগিছিল; কোনো দিন এবাৰ পূৰা চাউল নিমিলিলে আইয়ে ৰোজ নিদি চাউল সিজাই ভকতক খুৱাইছিল। আইয়ে নিজে চাউল সিজালে হেনো তিনিপুৰা চাউলে ভকতক খাবলৈ জুৰিছিল; এই কাৰণে ভক্তসকলে আইক লক্ষ্মী আই বুলি নাম দিছিল। আই ভেটিৰ যি ঠাইত আইৰ ঘৰৰ ভেটি আছিল, আজি কালিও তাক "লক্ষ্মী আইৰ ভেটি" বোলে। আইয়ে দামোদৰ আতাৰ পাচত বৰদোৱা চলাবলৈ ধৰে; আৰু বাৰজনা ধৰ্ম্মাচাৰ্য্য পাতি চাৰিওফালে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠায়। এইবিলাক আচাৰ্য্যক কোনো কোনোৱে চতুৰ্দ্দশ দেৱৰ আজ্ঞাপৰ বাৰ আচাৰ্য্যৰ লগত ধৰি মুঠতে চৌদ্দিশ আচাৰ্য্য কৰি ধৰে। আসামৰ বৈষ্ণৱ যুগত কেৱল এই জনা আইয়ে আচাৰ্য্যপদত বহি ধৰ্ম্মাচাৰ্য্য নিযুক্ত কৰি ধৰ্ম্ম প্ৰচাৰ কৰাইছিল।

কনকলতা বা লক্ষ্মী আই বৰদোৱাত বেচি দিন থাকিবলৈ নাপালে। দামোদৰ আতা চলাৰ প্ৰায় দুবছৰ পাচতেই অৰ্থাৎ মীৰজুমলাই আহোম ৰজাৰ লগত সন্ধি কৰি যোৱাৰ পাচতেই কনকলতা উজাই আহে। বৰদোৱা আকৌ পৰিত্যক্ত হ'ল, লগে লগে আইভেটি আৰু দামোদৰৰ স্থাপিত বালিসত্ৰ, বৈষ্ণৱপুৰ আদিও জংঘ পৰিল।

দামোদৰৰ গুণ—

"পৰম গম্ভীৰ ধীৰ ঠাকুৰ মহন্ত।
একতিলো নামৰ অভ্যাস নেৰিলন্ত॥ ৪৩৪
ক্ষুধা তৃষ্ণা উৰ্ম্মি আদি জিনিলা সাক্ষাৎ।
নিতে লাখ নাম জপি থাকন্ত মালাত॥
মহা বিৰকত প্ৰেমধাৰী অতিশয়।
পীৰিতি ৰগত মগ্ন সৰ্ব্বদা থাকয়॥ ৪৩৫
কৃষ্ণ-পদ-পঙ্কজ হিয়াত প্ৰকাশিলা।
শঙ্কৰত বিনে আন গুৰু নকহিলা॥"

হৰিনাৰায়ণ—ঠা. চ.

১৫৮৪ শকত মীৰজুমলাই সন্ধি কৰি স্বদেশলৈ যোৱাৰ পাচত জয়ধ্বজ সিংহ ৰজাই বিশ্বনাথত এটা যজ্ঞ পাতে। ৰামাকান্ত আতা গৈ, সেই যজ্ঞত উপস্থিত হৈ ভগবানৰ হতুৱাই গৃহ বিবাদৰ কথা ৰজাত জনালত "পিতৃৰ সৰ্ব্বস্ব ধৰ্ম্মে পুত্ৰে অধিকাৰ" বুলি ৰজাই ৰায় দিলে। ইয়াৰ পাচত ৰামাকান্ত গৈ কিছুদিন বৰদোৱাত আছিল, কিন্তু সকলো ভকত আৰু ওচৰৰ গাওঁবোৰ ভগা দেখি তেৱোঁ উজনিলৈ আহিল।

কনকলতা আই উজনিলৈ অহাৰ আগপিনি সময়তেই জোঁৱায়েক ৰামদেৱ বা যদু বৰুৱা স্বৰ্গী হয়। ভৱপ্ৰিয়া নামে আইৰ আৰু এটি কন্যা আছিল। এওঁক গাভৰু গিৰী নামে এটি ভূঞাৰ লৰাত বিয়া দি লগতে ৰাখিছিল; উজনিলৈ অহাৰ সময়ত বিধবা কন্যা সুভদ্ৰা, নাতি



অনন্তৰাম আৰু সৰু জী-জোঁৱায়েক লগতে আহে। সৰু আই ৰেৱতীৰ সুমিত্ৰা নামে এটি কন্যা আছিল; এই কন্যাক গদাধৰ গাভৰু গিৰিত বিয়া দিছিল; তাঙ্গৰ আই উজনিলৈ অহাত সৰু আই জীয়েক জোঁৱায়েকেৰে সৈতে ভটিয়াই গৈ পুনৰ বিষ্ণুপুৰ ( গোৱালপাৰ ) পালেগৈ। এইবোৰ ঘটনা ১৫৮৫ শকত বুলি অনুমান কৰিব পাৰি।

ৰমাকান্ত আতাই—"ভগবান সমে পাচে উজাই আসিলা॥
ঠাকুৰে পুছিলা ভগবান মুখ চাই।
কোন থানে আমি সবে ৰহ্কিবোহো যাই॥
উত্তৰে যতেক নদী ভগবানে কৈলা।
শুনিয়া ঠাকুৰে গৈয়া নৰোৱাত ৰৈলা॥" ৪৮৩

হৰিণাৰায়ণ,—ঠা. চ.

কনকলতা আইও লুইতেদি উজাই উত্তৰ লক্ষীমপুৰৰ ৰঙা নদীয়েদি গৈ "চিনাতলি" পায়। চিনাতলিৰ পৰা নৰোৱা বৰ বেচি দূৰ নহয়। এই চিনাতলিত গোবিন্দ নামে এজন আতৈ আছিল; আতৈয়ে আইৰ থকামেলা সুবিধা কৰি দিয়ে। চিনাতলিত কিছুদিন থকাৰ পাচত কোনো এক বছৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথিৰ সময়ত আইয়ে নাতি অনন্তৰামক ধৰ্ম্মাচাৰ্য্য পদত বৰণ কৰে। অনন্তৰামচৰিতৰ পৰা জনা যায়, সেই সময়ত তেওঁৰ বয়স সাতবছৰ; আৰু নিৰ্ম্মালি দিয়া সময়ত ৰমাকান্ত আতাও উপস্থিত হৈছিল।

আই চিনাতলিত প্ৰায় চাৰি বছৰ থাকি পুনৰ নামনিৰ ফাললৈ যাবৰ মন কৰে; আৰু নাৱেৰে কলিয়াবৰ পায়হি। এই সময়ত বিখ্যাত শৰাইঘাটৰ ৰণ আৰম্ভ- হ'বো মানুহ কলৈকো যাবলৈ নিদিয়ে।

ৰমাকান্ত আৰু অনন্তৰামৰ প্ৰীতি।

"ভক্তসমে আই লক্ষ্মী ভটিয়াই গৈলা।
কতোদিনে কলিয়াবৰ চকি পাইলা॥
সেইকালে ৰাজা জয়ধ্বজ গৈল অস্ত।
পৰম কঠিন চকি ভৈলেক সমস্ত॥
ইকুলৰ লোক যাইবে নেদে সিকুলক।
নেদিল যাইবাক আই সমে ভকতক॥" ২২১

অনন্তৰাম চৰিত—ভদ্ৰচাৰু

আই ভটিয়াব নোৱাৰি এক দণ্ডৰ পথ পুণৰ উজাই নৈৰ দাঁতিত বহা কৰিলে। এই সময়ত আইৰ গাত আই দেখা দিয়ে। ভকতে গৈ ৰমাকান্ত আতাক সংবাদ দি তালৈ আনিলত, আইয়ে ভকতক উপদেশ দি ৰমাকান্তক কলে—

"আমাৰ বচন বাপু শুনা ৰমাকান্ত।
ভাগিনৰ পুত্ৰ তুমি পৰম সুশান্ত॥ ২৩০
দুয়ো ভাই কদাচিতো দ্বন্দ্ব নকৰিবা।
একপ্ৰীতি হৈয়া দুয়ো দুই থানে ৰহিবা।"

অনন্তৰাম চৰিত—ভদ্ৰচাৰু

ইয়াৰ পাচত কনকলতা আই স্বৰ্গী হয়। এই সময়ত শৰাইঘাটৰ ৰণো শেষ হয় আৰু দেশত শান্তি দেখা দিয়ে। মহাৰাজ চক্ৰধ্বজ সিংহই ৰাজ্যত সংকাম কৰিবলৈ আৰম্ভ কৰে।

ৰজাই অনন্ত আৰু ৰমাকান্তৰ সংবাদ পাই দুইকো ৰাজধানীলৈ নিয়ায়—

"শ্ৰীমন্ত অনন্তৰাম আৰো ৰমাকান্ত।
দুয়ো ভাই একপ্ৰীতি হৈয়া আসিলন্ত। ২৩৯
* * *
শুনি চক্ৰধ্বজ ৰাজা আনন্দ ভৈলেক।
মন্ত্ৰী পাত্ৰ পাখি আগ বঢ়াই নিলেক॥ ২৪০

অনন্ত চৰিত,—ভদ্ৰচাৰু

ৰজাই দুইৰো লগত কথা বাৰ্ত্তা হৈ সন্তোষ লাভ কৰি নগৰৰ পূবে থকা নাৰশালত থাকিবলৈ দিলে। [ এই নাৰশাল বৰ্ত্তমান শিৱসাগৰৰ পূবে থকা হাঁহচৰা গাৱঁত বুলি কিছুমানে কয় ] দিনদিয়েক দুয়ো তাত থকাৰ পাচত ৰজাই দুয়ো ভায়েকক একপ্ৰীতি হৈ থাকিবলৈ কয়। তাতে অনন্তে কয়-- ( অনন্ত চৰিত )

"তোহমাৰ যি বাক্য লাগে কৰিবাক
সম্প্ৰতি আমি নিশ্চয়॥
কিন্তু ভকতৰ লাগিবেক বৰ
নিতান্তে কন্দল আতি।
ভক্তৰ কাৰণে আমি এক থানে
ৰৈতে নৰো দণ্ড ভিতি॥"

তাৰ পাচত ৰজাই দুয়োকো ঠাই বাছি লবলৈ কয়—

"বুলিলোঁ নিশ্চয় যৈতে ভাল পায়
লৈয়োক থান আপুনে" ॥ ৰজাৰ আজ্ঞা পাই,
"পাচে দুয়ো ভাই ৰাজাত বিদায়
কৰিয়া উজাই আসিলা।
কতো দিন যাই" ডিবৰু সোমাই
লকৰা মুখ পাইলা ॥ [লকৰামুখ লাউমুৰী (উজাৰ)।]
"শ্ৰীৰামাকান্ত পৰম সুশান্ত
সমস্ত গুণৰে ঠাই।
উত্তৰ কুলত নৰোৱাতীৰত
সত্ৰ কৰিলন্ত যাই ॥
দক্ষিণ কুলৰ ডিবৰু নদীৰ
সম্বিতে পৰম ৰঙ্গে।
শ্ৰীমন্ত অনন্ত থান পাতিলন্ত
ভক্তকুল সব সঙ্গে" ॥
[ দিহিঙৰ কোষত ( উভাৰ ) শলগুড়ি। ]

বৰ্ত্তমানে ডিব্ৰুনদী ডিব্ৰুগড়ৰ ওচৰত, বুঢ়ীদিহিং নদী লক্ষীমপুৰ শিৱসাগৰ জিলাৰ সীমাত, আৰু দিচাং নদী তাৰ ভাটিফালে পশ্চিমেদি ব্ৰহ্মপুত্ৰত পৰিছে। চক্ৰধ্বজ ৰজাৰ দিনত এইবোৰ নদী পৰা মুখ আৰু ব্ৰহ্মপুত্ৰৰ গতি এনে নাছিল যেন অনুমান হয়।

বৰ্ত্তমান লুইত সুঁতিয়েই ব্ৰহ্মপুত্ৰৰ আচল সুঁতি আছিল; ডিব্ৰু, বুঢ়ীদিহিং আৰু দিচাং ব্ৰহ্মপুত্ৰৰ এটা সুঁতিতহে পৰিছিল। এই সুঁতিৰ পশ্চিম ছোৱাক (অৰ্থাৎ দিচাঙৰ পৰা বুঢ়ীদিহিঙলৈ) "কোৱামৰা সুঁতি" বুলিছিল আৰু ওপৰ ছোৱাক ডিব্ৰু বুলিছিল।

অনন্ত এই কোৱামৰা বা ডিব্ৰুয়ে উজাই গেৰুৱা-মুখ পায়, তাৰ পাচত সেই সুঁতীৰ কাষতে উত্তৰ পাৰে সত্ৰ পাতে; সত্ৰৰ নাম "গোবিন্দপুৰ" ৰখিছিল। তাৰ পৰা নগাৰ্ত্তৰ ৰূপহী অঞ্চলৰ গেৰুৱাত সত্ৰ পাতি থাকে। তাৰ পাচত নামদাঙৰ কাষত ( শিৱসাগৰ ) কোৱামৰা সত্ৰ পাতে। তাৰ পাচত দিচাঙৰ কাষত সত্ৰ পাতি থাকে।

ৰমাকান্ত নৰোৱালৈ যায় আৰু তাতেহে পূৰ্ব্বৰ দৰে সত্ৰ কৰি থাকে। কিছুদিনৰ পাচত কামৰূপৰ পৰা কায়স্থৰ কন্যা বাসুকীক আনি আতাই বিয়া কৰায়। লাহে লাহে আতাৰ শিষ্য সংখ্যা বাঢ়িব

ৰমাকান্তৰ ওপৰত ধৰে; ৰাজধৰৰ কিছুমান বিষয়াও ষৈ ৰাজ-অনুগ্ৰহ। আতাত শৰণ লয়:—

"সক গোসাঁই ৰাজা ঠাকুৰৰ ভক্ত ভৈল,
এইমতে নৰোৱাত সম্পত্তি বাঢ়িল"।

চক্ৰধ্বজ ৰজাৰ টঙ্গচু নামে এজন ফুকন আছিল; এওঁ আতাত শৰণ লৈ বহুত বস্তু দান কৰে। এই টঙ্গচু ফুকনে দিয়া কাঁহৰ বৃহৎ ঘণ্টা আৰু কাঁহ এখন ( ফুকনৰ নাম লিখা ) এতিয়াও আতাৰ বংশধৰ বালিসত্ৰৰ গোসাঁইৰ ঘৰত আছে।

"ভেটিবস্তু প্ৰতি নিতি মিলিল বহুত।
ৰাজাৰ আদৰ নিতে আসি থাকে দূত ॥ ৪৯০
গজপুৰ নামে ৰাজাবাহাৰ আছিল।
তৈতে ঠাকুৰক নিয়া উৎসৱ কৰাইলা ॥
হৰিণাৰায়ণ—ঠা. চ.

ৰমাকান্ত ঠাকুৰৰ প্ৰেম:—

"আপুনি গৌৰৱ ভাব কদাপি নলৈলা।
শঙ্কৰে পৰম গুৰু সবাতে কহিলা।
ৰাত্ৰি দিনে কৃষ্ণলীলা ভাবিয়া থাকন্ত।
ক্ষণমান যায় নিশা নিদ্ৰা কৰন্ত ॥
বিষয় সম্বন্ধ সুখে অভিলাষ নাই।
কৃষ্ণৰ চৰণ চিন্তি থাকন্ত সদায় ॥
তৈল স্নান কৰন্ত তুবাৰ সৰ্ব্বকায়।
পুখু জলে স্নান কৰি উপাসন্ত যাই ॥
হৰি ৰসে মত্ত হুয়া নামঘৰে যান্ত।
কান্ধত মুঠিয়া বন্ধ কটাক্ষে চাহন্ত ॥
ঠাকুৰ মহন্তে হৰি মন্দিৰত পশি।
শ্ৰৱণ কীৰ্ত্তন কৰি থাকন্ত হৰিষি ॥
মৌনে কতো থাকা কৃষ্ণলীলা সুমৰিয়া।
সৰসৰি পৰে নীৰ নেত্ৰৰ ঝৰিয়া ॥
তাল ধৰি কতো গীত আপুনি গাৱন্ত।
বেহাৰ বাসত তান ভাৱ উপজন্ত ॥
গোপ সঙ্গে কৃষ্ণ যেন নাচন্ত ঠাকুৰ।
দেখন্তা লোকৰ অতি আনন্দ প্ৰচুৰ" ॥



উৎসৱ সময়ে খোল আপুনি বজান্ত।
সমস্ত ভকতে তাল ধৰি গুণ গান্ত ॥
কৃষ্ণময় হুয়া নাচ ঠাকুৰ কৰন্ত।
কৃষ্ণলীলা বিনে আন কিছু নজানন্ত ॥
ভকতে কৰয় উঠি কীৰ্ত্তন যেখন।
মাজে পশি ঠাকুৰৰ উৎসৱ তেখন ॥ ৪৯৮
কতো হক হকি কৰি উৰ্ম্মি উথলয়।
প্ৰেমৰসে ধৰণীত পৰি বাগৰয় ॥
সমস্ত ভকতে তাঙ্ক বেঢ়ি গুণ গাৱে।
আপোনাকো পাসৰি থাকন্ত প্ৰেমভাৱে ॥
—হৰিণাৰায়ণ ঠাঃ চঃ

অনন্তৰামৰ বিবাহ ধৰ্ম্ম প্ৰচাৰ।

অনন্ত আতা কোৱামৰাত কিছুদিন থকাত ৰজাই টঙ্গচু ফুকনৰ হতুৱাই কামৰূপৰ চাঙ্গৰাই বৰকাথৰ কন্যা দেৱহুতিক আনি অনন্তত বিয়া দিয়ে। এই বিয়ালৈ ৰমাকান্ত আতাও গৈছিল। ইয়াৰ পাচত আতাই "কালশিলা নামে ঘৰে আছে কন্যাৰত্ন, নামত জানকী সৰ্ব্বগুণে গুণান্বিতা" ক বিবাহ কৰায়। আতাই চাৰিও ফালে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যত্ন কৰে। অলপ দিনতে শালগুড়িত এখন সত্ৰ পাতে—

"শালগুড়ি ৰাজ্যে গ্ৰামী ভক্ত যত যত।
সবে মিলি সাজু হৈয়া আতাক নিলন্ত" ॥

আতাই সত্ৰ পাতিব খোজাত—

"সমস্ত ৰায়তে পাচে আলোচি চাহিলা।
দিহিঙৰ তীৰে এক চাপৰিক পাইলা" ॥

আতাই তাতে "মধুপুৰ" নামে এখন সত্ৰ পাতে; আৰু তেওঁৰ নিজ পুত্ৰ কেশৱৰায়ক তাত অধিকাৰ পাতে। এই মধুপুৰেই পাচত শলগুড়ি সত্ৰ হয়।

অনন্ত আতা মাজে মাজে বৰদোৱালৈ গৈ আছিল; এবাৰ গৈ একাদিক্ৰমে কেইবা মাহো থাকি তেওঁৰ ৰামৰায় নামৰ পুত্ৰক বৰদোৱাত এৰি আহে।

"সক আই গোসাঁনীৰ পুত্ৰ শ্ৰেষ্ঠজন।
ৰামৰায় নাম যাৰ পৰম গহন ॥
তাঙ্ক বৰদোৱা থানে অধিপ পাতিলা।
ভকত সবৰ হাতে সমৰ্পিয়া দিলা ॥" ৫৬৯
—অনন্তৰাম চৰিত

তাৰ অলপ দিনৰ পাচতেই ৰমাকান্ত আতাৰ মাতৃ শিশুপ্ৰিয়া আই স্বৰ্গী হয়। অনন্ত আতাক তালৈ নিমন্ত্ৰণ কৰি নিয়ে। এইদৰে দুয়ো বহুত দিন প্ৰীতিৰে আছিল।

কেশৰপ্ৰিয়া— নিৰঞ্জন গাভৰু গিৰি

পুৰুষোত্তম ঠাকুৰৰ কেশৰপ্ৰিয়া নামে কন্যাক নিৰঞ্জন গাভৰু গিৰি নামে এক চৌধুৰীৰ লগত বিয়া দি ঘৰতে ৰাখে। পুৰুষোত্তম ঠাকুৰৰ পত্নী লক্ষ্মী আই জনিয়া থানত আছিল। দামোদৰ, কনকলতা আই আদি যেতিয়া উজাই আহিল, নিৰঞ্জনো তাত থকা উচিত বিবেচনা নকৰিলে। কিন্তু তেওঁ আহোঁ আহোঁ বোলোঁতে কিছু বিলম্ব হয়; সেই সময়তেই মীৰজুমলাৰ আক্ৰমণ হয়; নিৰঞ্জনৰ অহাত আৰু বিলম্ব হল। শৰাই ঘাটৰ ৰণৰ পাচত যেতিয়া দেশত শান্তি স্থাপিত হল আৰু চক্ৰধ্বজ সিংহৰ সুনাম চাৰিওফালে বিয়োৰিত হল, তেতিয়া তেওঁ উজাই আহে। বাটতে লক্ষ্মী আইৰ অসুখ হৈ অশ্বক্ৰান্ত পাওঁতে শৰীৰ এৰে।

নিৰঞ্জন ৰাজধানী পাই গজপুৰত থাকে; তাতে চক্ৰধ্বজ সিংহ ৰজাৰপৰা অশেষ অনুগ্ৰহ লাভ কৰে কিন্তু কিছুদিন তাত থাকিয়েই স্বৰ্গী হয়। নিৰঞ্জন দেৱৰ চাৰিপুত্ৰ—চক্ৰপাণি, সাৰঙ্গপাণি, গদাপাণি, আৰু পদ্মপাণি। ৰজাই এই লৰা কেইটিক যথেষ্ট স্নেহ কৰি সত্ৰ পাতি দিয়ে। মাজুলীৰ চামগুড়িত চক্ৰপাণিয়ে আৰু দীঘলীত সাৰঙ্গপাণিয়ে সত্ৰ স্থাপন কৰি নামধৰ্ম্ম বিলায়। গদাপাণি নগাৱঁৰ চৰাইখোৰোং নামৰ ঠাইলৈ যায় আৰু তাত সত্ৰ পাতে।

উজনি অঞ্চলত কিছুকাল অনন্ত আৰু ৰমাকান্ত আতাই ধৰ্ম্ম প্ৰচাৰ কৰি থকাৰ পাচত গদাধৰ সিংহ ৰজা হয়। তেওঁৰ দিনত সত্ৰৰপৰা খাজনা আদায়ৰ চেষ্টা হয়।

গদাধৰ সিংহৰ নিগ্ৰহ।

"গদাধৰ সিংহ ৰাজ আদেশ কৰিল।
সমস্ত সত্ৰত ধন লৈবেক বুলিল" ॥ ৪১২

* * *

"ৰাজা বোলে দেউক চাৰি হাজাৰ টকাক।
আৰো আজ্ঞা হুইছে গোসাঁই ঘৰ পুৰিবাক" ॥

* * *

"পাচে দূতসবে যিটো পৰম প্ৰচণ্ড।
হৰি গৃহ পশি কৰিলেক লণ্ডভণ্ড" ॥

"আথলত যত যত মূৰ্ত্তি পাইলেক।
পাপীষ্ঠসকলে সবে নমাই আনিলেক॥
কতো দাৰুময় কতো সব পাথৰৰ।
কতো ধাতুময় মূৰ্ত্তি পৰম সুন্দৰ॥
ধাতুময় সকলক ভাঙ্গিয়া নিলেক।
দাৰুময় পাথৰক জলে পেলাইলেক"॥

* * *

"পাচে জোন্ত লগাই গোসাঁই ঘৰ জুই দিল।
টুপৰ কাণত সিটো অগনি লাগিল"॥

* * *

"তাত পাচে ভকতসবক বন্দী কৈল।
মহা ক্ৰোধ কৰি বাক্য বুলিবাক লৈল॥ ৪৪৪
আনো তোৰাসবে ৰাজ আজ্ঞা নমানাহা"।
ধন আনিবাক কৈলো তাহাকো নানাহা॥

—অনন্ত চৰিত।

এই উৎপীড়ন হৈছিল কোৰামৰা সত্ৰত। অনন্ত আতাই নিৰুপায়ত পৰি বহুত বিচাৰি ঘৰৰ ধনেৰে সৈতে কোনোমতে এক হাজাৰ টকা দি কয়—

"আতা দুত সবক সম্বুধি বোলে বাণী।
নহো আমি তেহন মত ধন আধা প্ৰাণী॥" ৪৪৭

দূতবিলাকে তাত সম্মত নহৈ—

"এহি বুলি ধৰ মাৰ কৰিয়া উঠিল।
সবে ভকতক ধৰি ধৰি আজুৰিল॥
কিল ভুকু মাৰে ধৰি কোবাবয় টানি"॥ ৪৫০

—অনন্ত চৰিত্ৰ।

তেতিয়া অনন্ত আতাই দূতক নম্ৰ ভাবে কয়—"ভকতক নামাৰিবা, আৰু যি পাৰো ধন দিম, মোক দিন দিয়া"। তাকে শুনি দূতে "ধন আনিবাক দশ দিন সংখ্যা দিল"। কিন্তু ভকতক এৰি নিদি,

"চৌৰাৰ মধ্যত বৰ গড়াল কৰিলা।
তাতে সবে ভকতক ভৰাই ৰাখিলা"॥ ৪৫৩

—অনন্ত চৰিত।

আতাই বাচন-বৰ্ত্তন, অলঙ্কাৰপাতি বিক্ৰয় কৰি কোনোমতে পাঁচশ টকা দূতক দিলত, দূত সন্তুষ্ট নহৈ—

"ভকতক মাৰে ক্ৰোধ কৰি অতিশয়।
দেশে দেশে পলাইল ভকত হুয়া ভয়॥
প্ৰাণৰ ত্ৰাসত কতো পুত্ৰ ভাৰ্য্যা লই।
ঘোৰ অৰণ্যত পশি লুকাই থাকয়॥
অতাৰ তনয় ৰামৰায় আদি কৰি।
দিশা দিশি কৰি সবে গৈলেক অন্তৰি"॥ ৪৫১

—অনন্ত চৰিত

ইয়াৰ পাচত আতাই আৰু সময় লৈ কিছু টকা দিয়ে; তেতিয়াহে আতাৰ জগৰ ভাগে। কিন্তু তাৰ পাচত আকৌ হুকুম হল—

"ৰাজা বোলে মোৰ ৰাজ্যে যত মহাজন আছে
থাকিব নেলাগে ইঠাৰত।
কিবা বোধ দিয়া কহি দুৰ্জ্জন সকলে মোৰ
নষ্ট কৰিলেক ৰাজ্য যত॥
ব্ৰাহ্মণীয়াসকলক সদীয়াৰ অৰণ্যত
থৈয়ো নিয়া বুলিলা নিশ্চয়॥
শূদ্ৰ মেধিসকলক টোকালাইত* পাত নিয়া
নাহিকয় কিঞ্চিতো সংশয়"॥

—অনন্ত চৰিত

এই হুকুম শুনি টেমা বৰুৱাই অনন্ত আতাক সদীয়ালৈ নপঠাবলৈ অনুৰোধ কৰি কয় "কোৰামৰাৰ ঠাকুৰক তোমাৰ পুথাও ৰজাই অন্য দেশৰপৰা আনিছে, তেওঁ আমাৰ দেশৰ নহয়; তেওঁ নিজ দেশলৈ গুচি যাব খোজে"। তাকে শুনি ৰজাই অনন্ত আতাক বাখি বাকীবিলাক মহন্তক খেদিবলৈ কয়।

"শুনি পাচে বৰুৱায়ে টেকেলা সবক পাচি
সমস্ত সত্ৰকে ভাঙ্গিলেক।
কেৱল ঠাকুৰ আতা বিতিৰেকে যত সাধু
আছে মানে সবে চলাইলেক॥ ৫০৫
কেশৱ গোসাঁই আদি যতেক ব্ৰাহ্মণ সাধু
সদীয়াক সবাক নিলেক।
যত আছে শূদ্ৰ মেধি সবাহাক টোকোলাযে
টোকোলাইত নিয়া পাতি থৈলা"॥

* টোকোলাই যোৰহাট নগৰৰ কোষত।



...তো বৰ্ষ হৈল যেবে গদাধৰ সিংহ ৰাজা
তান্ত কালে কৰিলেক হত।
...সিংহ মহাৰাজা হুয়া স্বদেশক লাগি
মহাজন আনিলা সমস্ত"॥ ৫০৬

—অনন্ত চৰিত্ৰ।

"ৰুদ্ৰসিংহ নৰেশ্বৰ বিশ্বনাথে যজ্ঞবৰ
(মহাৰাজ) কৰি নিলা সবে মহাজন।
(...সিংহৰ যজ্ঞ।)
...শৱ গোসাঁইত তথা ৰাজা পুচিলন্ত কথা
কোনজন সাধু শ্ৰেষ্ঠ আতি।
...াত হন্তে ধৰ্ম্মজয় আছে পূৰ্ব্বে ব্যক্ত হই
কহিয়োক মোহোক সম্প্ৰতি॥
...োসাঁয়ে বোলন্ত মোৰ বচনক নৃপবৰ
শুনিওক কহো পূৰ্ব্বাপৰ।
...ৰ দেৱৰ মত প্ৰবৰ্ত্তয় জগতত
সাধু শ্ৰেষ্ঠ নাতি শঙ্কৰ॥ ১০২
...েনয় বচন শুনি মহাৰাজ মনে গুণি
অগ্ৰপূজা আতাক কৰিলা।
...বে মহাজন মানে বহি আছে এক থানে
যাতো আগে আতাক অৰ্চ্চিলা"॥

—অনন্ত চৰিত।

ৰজাই কিছুমান ভকতক পাইক কৰিছিল; ...আতাৰ অনুৰোধত এই সময়তে সেই ভকতসকলক ...পাইকৰ পৰা নাম কটাই দিয়ে।

(...াকান্ত আতাৰ) "সেহি সময়ত ৰুদ্ৰসিংহ নৰেশ্বৰ।
(...লৰত ৰুদ্ৰসিংহ) নৰোৱা আতাক পাচে ক্ৰোধ কৰি বৰ॥ ৬২২
(...ৰাজৰ ক্ৰোধ।) কোৰামৰা সত্ৰে দণ্ড কৰিয়া থৈলন্ত।

* * *

পাচে দুয়ো জন আতা একথান হুই।
অদ্ভুত ৰভা কৈলা প্ৰীতিৰূপে দুই॥ ৩২৩
দুয়োজন আতা এক জীৱ এক প্ৰাণ।
দুয়ো জনে দুহাকো কৰয় বহু মান॥

* * *

দুয়ো আতা ৰঙ্গে কতো বৰিষ বঞ্চিলা।
ৰাজাৰ আজ্ঞায়ে পুনু স্বসত্ৰক গৈলা"॥ ৫২৭

—অনন্ত চৰিত।

এই সময়ত আউনিআটিৰ সত্ৰাধিকাৰ এজনৰ ধৰ্ম্মাচাৰ্য্য পদ গ্ৰহণ কৰাৰ সময় হোৱাত (আউনি-আটিলৈ অনন্ত আতাৰ নিমন্ত্ৰণ।) তালৈ অনন্ত আতাক নিমন্ত্ৰণ কৰে। আতা অলপ আগতে গৈ দীঘলী সত্ৰ পায়, তাত এদিন থাকি তাৰপৰা পুৰুষোত্তম ঠাকুৰৰ পাদুকা গ্ৰহণ কৰে। তাৰ পাচত আউনিআটিলৈ গৈ ঘাটত নাও চপায়। আউনিআটিৰ ৰঙ্গাচৰণ আৰু দামোদৰ বাপুয়ে বৰ আড়ম্বৰেৰে সত্ৰলৈ নিয়ায়।

"পাচে দুয়ো বাপুৰ শিৰত চোপ দিলা।
সুমধুৰ বাক্যে আতা আশ্বাস কৰিলা॥" ৮২৩

—অনন্ত চৰিত।

তাৰ পাচত আতা কমলাবাৰীলৈ আহে। কমলাবাৰীত দিনদিয়েক থাকি সত্ৰলৈ আহোঁতে এদিন নিশা নাৱত চোৰ সোমায়। ভকতসকল টোপনিত; আতাই মালা জপ কৰি আছিল। চোৰে কলহ, চৰিয়া আদি বস্তবোৰ নি আৰু বস্ত্ৰ বিচাৰি আতাৰ ওচৰ পাওঁতে তেওঁ কলে—

"দূৰ গুছ পাপী গিবা পাইলি তাকে নেস।
ভকতে সাৰক পাইলে সেস্থৰে নেবস॥" ৮৩২

চোৰবিলাকে তেতিয়া লৰা-লৰিকৈ আতাৰ নাৱৰপৰা ওলাই নিজৰ নাৱলৈ গল; কিন্তু তেওঁ ভকতক নমতা দেখি পুনৰ নাৱত উঠি আতাৰ কাষত থোৱা মুখ ধোৱা লোটালৈ হাত মেলিলে। তেতিয়া আতাই কলে—

"আতা বোলে দুচুইৰি দুচুইৰি পাপী মোক;
চৌৰে বোলে তেবে লোটা গুটিক দিয়োক॥
আতা বোলে আৰু মোক সদায়ে লাগয়।
সবে নেস আৰু দিতে নপাৰোহো মই॥
তথাপিতো পাপী চুই খোজয় নিবেক।
দুচুইৰি বুলিয়া আতা পেলায়া দিলেক॥ ৮৩৫
পাচে চৌৰে লোটা গুটি লৈয়া শীঘ্ৰ কৰি।
ভাটিয়াই গৈল আপোনাৰ নাৱে চৰি॥"

—অনন্ত চৰিত।

আতা সত্ৰলৈ আহিল। চোৰবিলাক এক সাউদৰ হাতত ধৰা পৰিল; সাউদে সেই বস্তবোৰ আতাৰ বুলি

চোৰৰ পৰা জানিব পাৰি বস্তুবোৰ আনি আতাক সত্ৰত দিলেহি। আতাই বস্তুবোৰ দেখি—

"আতা বোলে আৰু চোৰে নিলে আশা কৰি।
দুখ পাইলে কিছো নপাইলেক হৰি হৰি॥ ৮৪৫
ঈশ্বৰে আনিয়া পুনৰপি দিলে আৰু।
সমস্তে গোসাঁইক দিলো নলাগে আমাক॥
এহি বুলি ঈশ্বৰক সমস্তে দিলেক"॥

—অনন্ত চৰিত।

এই সময়ত উজনি অঞ্চলত কিবা এটা গোলমাল লাগে। শিৱসিংহ ৰজাই বিদেশী মানুহক বিশ্বাস নকৰি সকলোকে ধৰাই অনায়। কোনোবা বিষয়াই অনন্ত আতাকো কামৰূপীয়া মানুহ বুলি লগাই দিলত, আতাকো ধৰাই অনালে। কিছুদিনৰ মূৰত ভক্তেৰে সৈতে আতা আছি পালত নাওশালত নজৰবন্দী কৰি ৰাখিলে; পাচত কেইজনমান প্ৰধান বিষয়াই ৰজাক সকলো কথা বুজাই কোৱাতহে এৰি দিয়ে।

ৰমাকান্ত আতাই কোৱামৰাত থকিয়েই ধৰ্ম্ম প্ৰচাৰ কৰে। এওঁ আহোম ৰজাৰপৰা

ৰমাকান্ত আতাৰ বৈকুণ্ঠ প্ৰয়াণ; পুত্ৰ ৰামচন্দ্ৰ ধৰ্ম্মাচাৰ্য্য

অশেষ সহায় পাইছিল। ১৬৩৯ শকত নৰোৱাতে এওঁ স্বৰ্গী হয়। ৰমাকান্ত আতাৰ ৰামচন্দ্ৰ নামে এটি লৰা আৰু যশোদা নামে এটি কন্যা জন্মিছিল। ৰামচন্দ্ৰ নৰোৱাতে অধিকাৰ হয়। ৰামচন্দ্ৰ আতাৰ বিষয় চৰিত্ৰত আছে—

"বিষয় সুখত বিৰকতি ঠাকুৰৰ।
মনে একো আশা নকৰিলা বাৰী ঘৰ॥
তাহান ভাৰ্য্যাত যেবে জন্মিলা কুমাৰ।
ভৈলা ৰামচন্দ্ৰ নাম ঠাকুৰ সুন্দৰ"॥
"পৰম শোভন ধীৰ গম্ভীৰ সুঠাম।
যাক দেখি ভকতৰ পূৰে মনকাম"॥ ৫১২

—হৰিনাৰায়ণ—ঠাঃ চঃ

অনন্ত আতাৰ ৭ টি কন্যা সন্তান জন্মিছিল। ১ম পুত্ৰ অলপ বয়সতে মৃত্যু হয়, ২য় পুত্ৰ ডেকা কালত মৰে, বাকী কেইটি পুত্ৰ-কন্যা সকল।

অনন্ত আতাৰ বৈকুণ্ঠ প্ৰয়াণ; পুত্ৰ-কন্যা সকল।

* কন্যা আতাৰ জীৱন কালত জীয়াই আছিল। চৰিত্ৰত পুত্ৰবিলাকৰ গুণৰ কথা বহুত আছে। তাৰ ভিতৰত হৰিৰায়ৰ কথা আছে "হৰিৰায় সমস্তে শাস্ত্ৰত, ভৈলা পণ্ডিত গহন" ১০১৬

"যাক সম ভাগৱতী নতু দেখি শুনি।
সৰ্ব্ব বিদ্যান্তৰ মধ্যে যাক অগ্ৰে গণি"॥

—অনন্ত চৰিত।

কেশৱৰায়ৰ কথা

"শ্ৰৱন ভজন ৰসে সৰ্ব্বদায় স্থিত।
মহাদাতাৰন্ত নেদো নাই নোবোলন্ত।
সত্ব গুণে গুণান্বিত পৰম মহন্ত॥" ১০৩

—অনন্ত চৰিত।

অনন্তআতা বৈকুণ্ঠ প্ৰয়াণ কৰাত ৰামৰায় নামৰ পুত্ৰ কোৱামৰাত অধিকাৰ হয়। †

ৰামচন্দ্ৰ আতা বৰ তেজস্বী আছিল; আৰু দেখাত "দেখি যেন তপস্বী"। তেওঁ শিৱ

ৰামচন্দ্ৰৰ ৰাজ অনুগ্ৰহ

সিংহ ৰজাৰ কাম বৰ ভাল জানিছিল, সদায় নামত মত্ত আছিল। তেওঁ এটি বিভোপন নামঘৰ সজাইছিল। মহাৰাজ শিৱসিংহই এই জনা আতাক বৰ সন্মান আৰু অনুগ্ৰহ কৰিছিল।

"অনন্তৰে শিৱসিংহে ৰাজ চৰা নাও দিলা
ভক্তসমে ঠাকুৰ মহন্ত
মানাহক সীমা কৰি পশ্চিম চইৰ মানে
ভকতক চাহি কুৰিলন্ত"॥ ৫২৫

হৰিনাৰায়ন—ঠা চঃ

তাৰ পাচত ঠাকুৰ গড়গাৱলৈ আহে; ৰজাৰ দুই ভায়েকে আতাক বৰ আদৰ কৰে। এই সময়ত আতাই ভাৱনা কৰি ৰজাক দেখুৱায়—

"প্ৰভু শিৱসিংহ ৰাজা গায়ন বায়ন লৈয়া
নাট কৰাই হৰিষ লভিলা।
নৰোৱা সত্ৰৰ মাজে ঠাকুৰক আদৰিয়া
বৰ নামঘৰ সাজি দিলা"॥

এই নামঘৰ সোণশিৰীয়ে থহাই নিয়াত আতাই "চাও পৰাৰ ওচৰত বৌমৰা পৰ্বতত, প্ৰভু গৃহ-বাৰী কৰিলন্ত।" আৰু তাতেই বহু দানৰ সহায়ত ৰজাৰ অনুগ্ৰহত পুনৰ নামঘৰ তৈয়াৰ হয়।

নৰোৱাৰ চৰিত্ৰৰপৰা জনা যায় যায়—নৰোৱাৰ উপৰি আতাসকলে বিষয়লৈ পিঠি দিছিল; কিন্তু ৰামচন্দ্ৰ আতাই ধৰ্ম্মাচাৰ্য্যৰ উপৰিও বিষয় চৰ্চ্চাৰ ফালে মন দিছিল। শিৱসিংহ ৰজাই ৰামচন্দ্ৰ আতাক চাৰি সত্ৰীয়া গোসাঁই সকলৰ দৰে আছিলা পাতি লৈ ৰহিব দিছিল।

ৰামচন্দ্ৰ আতা ৪৪ বছৰ বয়সত ১৬৮৩ শকত বৈকুণ্ঠ-গামী হয়। তেওঁৰ ৮ পুত্ৰ* প্ৰথম পুত্ৰ ৰামদেৱ নৰোৱাত অধিকাৰ হয়। এইজনা আতাই লক্ষ্মীসিংহ ৰজাৰপৰা পাতবাউসী সত্ৰৰ ফলি কৰাই লয়।

ৰামদেৱ বৰদোৱালৈ যায় আৰু বৰদোৱা ও বালি সত্ৰৰ মাজত ৰামপুৰ নামে এখন সত্ৰ পাতি থাকে। ৰামদেৱ আতাই বালিসত্ৰ, ৰামপুৰ আৰু বৰদোৱা সত্ৰৰ ভূমিৰ এখন ফলি কৰাই লয়।

অনন্তৰাম আতাই তেওঁৰ পুত্ৰক বৰদোৱাত সত্ৰাধিকাৰ কৰি থোৱাৰ কথা আমি ওপৰতে উল্লেখ কৰি আহিছোঁ; অনন্ত আতাৰ বংশধৰসকলে পৰ্য্যায়ক্ৰমে বৰদোৱাত আছিল; ৰামদেৱ আতা ( নৰোৱাৰ ) যোৱাত সিবিলাকৰ ভিতৰত বৰদোৱা সত্ৰ লৈ গোলমাল লাগিল। এই গোলমাল গৈ আহোম ৰজাৰ ৰাজদৰবাৰ পালে আৰু অন্তত পূৰ্ণানন্দ বুঢ়াগোহাই ডাঙৰীয়াই তাক সুধি সত্ৰ ভগাই মোকৰ্দ্দমাৰ ৰায়টো ফলিত লিখি দিয়ে। ( ইতি পূৰ্ব্বে পত্ৰিকাত প্ৰকাশ কৰা হৈছে। )

আমি ওপৰত কৈ আহিছোঁ অনন্ত আতাই এক পত্নীৰ ১ম পুত্ৰ ৰামৰায়ক বৰদোৱাত আৰু অন্য পত্নীৰ ১ম পুত্ৰ কেশৱৰায়ক মধুপুৰত ( শল-গুড়িত ) অধিকাৰ পাতিছিল।

অনন্ত আতাৰ পুত্ৰ নাতিসকল

অনন্ত আতা স্বৰ্গী হোৱাত ৰামৰায় বৰ-দোৱাৰপৰা আহি অনন্ত আতাৰ মূল সত্ৰ কোৱামৰাত অধিকাৰ হয়, ভাতৃ হৰিৰায়ে গৈ বৰ-দোৱা পান চলায়। পাচত হৰিৰায় বৰদোৱাৰ অধিকাৰ হয়। হৰিৰায় পণ্ডিত আছিল; মানুহে তেওঁক ভাগৱতী আতা বুলিছিল। ধৰ্ম্মপ্ৰাণ ৰাজেশ্বৰ

হৰিৰায় শুকদল সত্ৰ †

সিংহে এসময়ত হৰিৰায়ক নি ভাগৱত শুনি পৰম সন্তোষ লাভ কৰি ভূমি দান কৰিব খোজাত হৰিৰায়ৰ কথা

---

* অনন্ত আতাৰ বংশধৰ সকলঃ—

১ম ভাৰ্য্যা দেৱহুতী — (মৃত্যু) বিষ্ণুৰায় (৩) কেশৱ মাধৱ যাদৱ
২য় ভাৰ্য্যা জানকী — ১ম ৰামৰায় ২য় হৰিৰায়

১ম ভাৰ্য্যাৰ দৈৱকী, কৃষ্ণাকান্তী, মৃত্ৰবিন্দা, আৰু নগ্নজিতি নামে চাৰি কন্যা আৰু ২য় ভাৰ্য্যাৰ শতৰূপা জাম্বুৱতী আৰু অম্বিকা নামে তিনি কন্যা জন্মে।

† ৰামৰায়—কোৱামৰা সত্ৰ ( শিৱসাগৰ )।

ৰামৰায় → অনিৰুদ্ধ → কৃষ্ণ
কৃষ্ণ → যদুৰায়, মধুৰায়, পদ্মৰায়, পানীৰায়
যদুৰায় → মহেন্দ্ৰ → শ্ৰীমহীচন্দ্ৰ
মধুৰায় → শ্ৰীবলি
পদ্মৰায় → (উদাস)
পানীৰায় → শ্ৰীভূমিকান্ত

* ৰামচন্দ্ৰ

ৰামচন্দ্ৰ → ৰামদেৱ, নৰদেৱ, বাসুদেৱ, যদু, সহদেৱ, কামদেৱ, হৰিদেৱ, ভৱদেৱ
নৰদেৱ → সোমদেৱ (নৰোৱা পাটবাউসী ৰামপুৰ আৰু বৰদোৱাৰ অধিকাৰ)
বাসুদেৱ → মহেশ্বৰ, ভুৱা, বান, নন্দী
ভুৱা → ( বৰদোৱাত আছে )
→ শতানন্দ, শ্ৰীহেম, লক্ষ্মী, কৰ্ণ, মহীধৰ
লক্ষ্মী → শ্ৰীসৰ্ব্বানন্দ

† হৰিৰায়

হৰিৰায় → প্ৰদ্যুম্ন, সুদ্যুম্ন, ইন্দ্ৰদ্যুম্ন
প্ৰদ্যুম্ন → ভুঁইদ্যুম্ন, ৰতিদেৱ, দেৱদ্যুম্ন, জয়দেৱ

মতে মহাৰাজে তেওঁক ৰৰদোৱাৰ ওচৰৰ শুকদলত বহুত মাটি ধৰ্ম্মোত্তৰ কৰি দিয়ে। শুকদল চৰিতত আছে—

"হৰিৰায় ভৈলন্ত ভাগৱতী আতা নাম।
শুকদল সত্ৰৰ ভৈলন্ত তেহে ধাম ॥ ২৩
যিটো থানে পূৰ্ব্বে মহথুটি কুসুমৰ।
তাতে কৃষি আছিলন্ত ঠাকুৰ দেৱৰ ॥
যিটো থানে সত্ৰ পাতিবাক অভিমত।
ৰাজেশ্বৰ সিংহ আগে কন্ত ভাগৱত ॥ ২৪
ভাগৱত শুনি ৰাজা আনন্দ ভৈলন্ত।
শুকদলে ধৰ্ম্ম অৰ্থে মাটিক দিলন্ত ॥"

—শুকদল চৰিত।

প্ৰত্যুম্ন শুকদলত অধিকাৰ হয়। সুদ্যুম্নে সৰুবড়িত আৰু ইন্দ্ৰদ্যুম্নে ইটাখুলিত সত্ৰ পাতে। প্ৰদ্যুম্নৰ বংশধৰসকল শুকদলত (নগাওঁ) আছে। ওপৰৰ পদত উল্লেখ কৰা "ঠাকুৰ" শব্দে বোধ কৰোঁ অনন্ত ঠাকুৰক বুজাইছে; কাৰণ পুৰুষোত্তম বা চতুৰ্ভুজ ঠাকুৰ ৰৰদোৱাতৈ অহা নাই।

ৰাজেশ্বৰ সিংহে দিয়া এই মাটি সমস্তখিনি বৰ্ত্তমানে শুকদলৰ হাতত নাই, কলি দেখুৱাব নোৱাৰাত সত্ৰক কেৱল ১০৫/১৩ মাটি নিস্পিখেৰাজ কৰি দিছে।

কেশৱ ৰায় শলগুড়ি


কেশৱৰায় শলগুড়িত আছিল। হৰিৰায় চলাৰ পাচত কেশৱৰায় গৈ জ্যেষ্ঠানুক্ৰমে ৰৰদোৱাত অধিকাৰ হয়। এওঁ শলগুড়িৰপৰা গৈছিল, সেই কাৰণে এওঁক আৰু এওঁৰ বংশধৰসকলক শলগুড়ীয়া বংশ বোলে। কেশৱৰায়ৰ পাচত তেওঁৰ প্ৰথম পুত্ৰ লক্ষ্মীকান্ত আৰু ৩য় পুত্ৰ সুদৰ্শন ৰৰদোৱাত অধিকাৰ হয়। লক্ষ্মীকান্ত পণ্ডিত আছিল। এওঁ বহুত গীত আৰু নাট লিখিছিল। তলত ৰৰদোৱা সম্বন্ধে লিখা গীত এটা তুলি দিলোঁ।

(বসন্ত জ্যোতি)

জয় জয় ৰৰদোৱা বৈকুণ্ঠ ছাতয় ।
সেহি থানে নিজ গুৰু ভৈলন্ত উদয় ॥
যেহি থানে নিজ গুৰু পাৰিলন্ত পাট।
ৰাম নাম ৰাজ হংস বেসালন্ত হাট ॥
মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ ॥
দক্ষিণে যাত্ৰাৰ দোল পুৰুষে নিৰ্ম্মিলা।
সাত বৈকুণ্ঠৰ পট লেখিয়া দেখাইলা ॥
উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
নিশাভাগে নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ
পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয়।
তাহাতে আউজি গুৰু পুস্তক লিখয় ॥
চাৰি ফালে তৰি হাটি মহা ভক্তগণ।
চাৰিও প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন ॥
ওহি মন কামনা কয়ো উপসান্ত।
ওহি গীত গাৱন্ত দীন লক্ষ্মীকান্ত ॥

কেশৱৰায়ৰ কল্যাণ, আৰু শুভানু নামে আৰু দুই পুত্ৰ আছিল। কল্যাণ* শলগুড়িতে (কালুগাওঁ) অধিকাৰ হয় আৰু শুভানু তেজপুৰৰ ওচৰৰ চেউনি ৰৰদোৱা শলগুৰিত সত্ৰ পাতি থাকেগৈ।

অনন্তৰাম আতাৰ অন্য দুই পুত্ৰৰ যাদৱৰায় উদাস আছিল। মাধৱৰায় নিঃসন্তান; বিষ্ণুৰায় নিঃসন্তান; তেওঁ তেজপুৰত "খটৰা সত্ৰ" স্থাপন কৰি তাত থাকেগৈ।







নৰোৱা শলগুড়িৰ সংঘৰ্ষ


লক্ষ্মীকান্ত আতাৰ পাচত ভায়েক সুদৰ্শন ৰৰদোৱাত অধিকাৰ হয়। সুদৰ্শন অপুত্ৰক আছিল আৰু প্ৰায় শেষ কালতহে আচাৰ্য্য পদ পাইছিল। সুদৰ্শন আতা চলাৰ পাচত লক্ষ্মীকান্ত* আতাৰ প্ৰথম পুত্ৰ ৰামচৰণ আতা অধিকাৰ হয়। এই সময়তেই ৰামচৰণৰ লগত নৰোৱা আতা ৰামদেৱৰ কাজিয়া আৰম্ভ হয়। শেষত ৰজাঘৰে থান দুফাল কৰি উত্তৰ ফাল নৰোৱাক আৰু দক্ষিণ ফাল শলগুড়িক দিয়ে। তেতিয়াৰ পৰা ৰৰদোৱা থানত কীৰ্ত্তন ঘৰ দুটা হয়। নৰোৱা হৰিচৰণ ঠাকুৰৰ জীৱ আৰু শলগুড়ি চতুৰ্ভুজ ঠাকুৰৰ জীৱ সন্ততি; সেইকাৰণে নৰোৱাক বৰহিছা আৰু শলগুড়িক ছোটহিছা বোলে। নৰোৱাৰ আতা ৰামদেৱে সত্ৰ চলাবলৈ ৰজাঘৰৰপৰা বেলেগ ভূমি লৈছিল, আৰু শলগুড়ি আতা লক্ষ্মীকান্ত ও ৰামচৰণেও ৰজাঘৰৰপৰা সত্ৰৰ নিমিত্তে বেলেগ ভূমি লৈছিল।

ৰামচৰণ আতাৰ পাচত হৰিচৰণ আৰু গোপালচৰণ হৰিচৰণ, গোপালচৰণ, জ্যেষ্ঠানুক্ৰমে ৰৰদোৱাৰ সত্ৰাধিকাৰ হয়। তাৰ পাচত ৰামচৰণৰ পুত্ৰ কৃষ্ণকান্ত অধিকাৰ হয়। আন পিনে আকৌ হৰিচৰণৰ পুত্ৰ শশধৰ আতাই থকা ঠাই আইভেটিকেই সত্ৰত পৰিণত কৰি তাৰ অধিকাৰ হয়। এওঁ চন্দ্ৰকান্ত সিংহৰ পৰা কামৰূপত বাৰকুৰি পুৰা মাটি স্বকীয়াকৈ লৈছিল।

শশধৰ।

আমি আগৰ প্ৰবন্ধত আইভেটিৰ কথা কৈ আহিছোঁ। কণকলতা আই বা লক্ষ্মী আই এই গাৱঁত আছিল। সেই কাৰণে সি আইভেটি নাম পাইছে। লক্ষ্মীকান্ত আতাই গৌৰীনাথ সিংহৰপৰা এই মাটিৰ ফলি কৰি লৈছিল—মাটি প্ৰায় ১৪০০ বিঘা। শশধৰ আতাই লক্ষ্মী আইৰ ভেটিৰপৰা অলপ দক্ষিণে নতুনকৈ সত্ৰ পাতি সমস্ত ভূমি নিজ দখললৈ নিয়ে। † ৰামচৰণৰ পুত্ৰ কৃষ্ণকান্ত আতাই তাত বাধা নিদি সেই ভূমি এৰি দিয়ে; তেওঁৰ পিতৃয়ে কমলেশ্বৰ সিংহ ৰজাৰপৰা তিনিশ পুৰা মাটি লৈছিল আৰু তাৰেই তেওঁ সত্ৰ চলাবলৈ ধৰিলে।



ৰামদেৱ আতাই ৰামপুৰত সত্ৰ কৰি থাকে আৰু
তাৰেপৰাই ৰৰদোৱাৰ ৰৰহিছা সত্ৰ
নৰোৱাৰ ৰামদেৱ চলাব ধৰে। এই জনা আতাই লক্ষ্মী-
আৰু পুত্ৰসকল। সিংহ ৰজাৰপৰা ৰৰদোৱা ৰামপুৰ, বালি-
সত্ৰ আৰু পাটবাউসী সত্ৰৰ মাটি আৰু
ভকতৰ কলি কৰি লয়। নৰোৱা বংশাৱলীৰপৰা বুজিব পাৰি ৰমাকান্ত আৰু ৰামচন্দ্ৰ আতা যদিও নৰোৱাত গৈ আছিল, তথাপি ৰৰদোৱা থান এৰা নাছিল। থানত নাম কীৰ্ত্তণ আদি যাতে নিয়মমতে সদায় চলি থাকে তাৰ ব্যৱস্থা তেওঁলোকেহে কৰিছিল।


ৰামদেৱৰ পত্নী দ্বাৰিকা; এওঁৰ ভাতৃৰ স্ত্ৰী এগৰাকী (সুমলী নামৰ) তেওঁৰ লগত থাকি ডাঙৰ হয়। ৰামদেৱে ৰামপুৰত সত্ৰ কৰাৰ পাচত লক্ষ্মীকান্ত (শলগুড়িৰ) আতাৰ পুত্ৰ ৰামচৰণক তাঁলৈ নি সুমলীক বিয়া দিয়ে। পাচত গৈ ৰামচৰণে ৰৰদোৱা থানৰ নিমিত্তে কাজিয়া কৰাত ৰজা গৱৰপৰা থান ভাগ কৰি দিয়ে। এই কথা সত্য বুলি ধৰিলে শলগুড়িৰ বংশাৱলীত থকা (অনন্তচৰিত) অনন্ত আতাই ৰামৰায়ক অধিকাৰ পতা, আৰু পাচত হৰিৰায়, কেশৱৰায়, লক্ষ্মীকান্ত আৰু সুদৰ্শনে ৰৰদোৱাত অধিকাৰ হোৱা কথা মিছা হয়।

আমাৰ মনে নৰোৱাৰ ৰমাকান্ত আৰু ৰামচন্দ্ৰই ৰৰদোৱাৰ খা-খবৰ লৈ আছিল। শলগুড়ীয়া অনন্ত আতাই বহুত দিনলৈ ৰৰদোৱাত থকাৰ ব্যৱস্থা কৰা নাছিল। শেষ অৱস্থাত ৰামৰায়ক নি আইভেটিতহে থৈছিল। ৰামৰায়ে তাৰপৰা থান চলাইছিল। পাচত হৰিৰায়, কেশৱৰায়ো শুকদল আৰু আইভেটিত আছিল। থানখন ভকতৰ হাততহে আছিল। পাচত কেশৱৰ পুত্ৰ লক্ষ্মীকান্তই আইভেটিৰ কলি কৰাই (গৌৰীনাথ সিংহৰ দিনত) আইভেটিত থাকি ৰৰদোৱালৈ বেচি চকু দিবলৈ আৰম্ভ কৰে। এই সময়ত নৰোৱাৰ ৰামদেৱ আতাইও ৰামপুৰত (ৰৰদোৱাৰ ৩ মাইল উত্তৰে) থাকিবলৈ লয় আৰু ৰৰদোৱা থানলৈ বেচিকৈ চকু দিবলৈ ধৰে। কিন্তু ভকতসকলে দুই বংশকে সমানে আদৰ কৰিব ধৰে। এই সময়তে দুয়ো বংশে স্বকীয়া সম্পত্তি ৰজা ঘৰৰপৰা পায় কিন্তু কিবা সামান্য কথাতে দুয়ো দৈদৰ মতান্তৰ ঘটাত ৰজা ঘৰৰ দ্বাৰা থান ভাগ হয়।

ৰামদেৱ আতাৰ দুই পুত্ৰ ভদ্ৰদেৱ আৰু বিষ্ণুদেৱ।

ৰৰদোৱা অধিকাৰ

* ভদ্ৰদেৱ ৰৰহিছাৰ আৰু বিষ্ণুদেৱ কুঞ্জী সত্ৰৰ অধিকাৰ হয়।







ভদ্ৰদেৱৰ পুত্ৰ লক্ষ্মীদেৱ; এওঁ ৰৰদোৱাৰ ৰৰহিছাৰ অধিকাৰ হয়। লক্ষ্মীদেৱৰ ছয় পুত্ৰ; ১ম পুত্ৰ দামদেৱ অলপ দিন থাকিয়েই স্বৰ্গী হোৱাত, লক্ষ্মীদেৱৰ পাচত দামদেৱৰ পুত্ৰ হৰেন্দ্ৰ আতা অধিকাৰ হয়। এই সময়ত লক্ষ্মীদেৱৰ ২য় পুত্ৰ ৰামদেৱে অধিকাৰী পদৰ দাবি কৰে। ভ্ৰাতৃকলহ আৰম্ভ হলত মোকৰ্দ্দমা হয়। এই মোকৰ্দ্দমা চাৰি বছৰতহে নিস্পত্তি হৈছিল। হৰেন্দ্ৰ আতাই ৰৰদোৱা ত্যাগ কৰি ধৰমতুল ষ্টেচনৰ ওচৰত তেলাহিত সত্ৰ পাতি বহগৈ, খুড়াক ৰামদেৱ ৰৰদোৱাৰ ৰৰহিছাৰ অধিকাৰ হয়।

হৰেন্দ্ৰ আতা তেলাহিত কিছুদিন থাকি অসুবিধা বোধ কৰিলে; তাৰপৰা উঠি আহি ৰৰদোৱাৰ ওচৰত ভেটিয়নি নামে ঠাইত নতুনকৈ সত্ৰ পাতি থাকিবলৈ লয়।

ৰামদেৱৰ তিনি পুত্ৰ, ভোগিৰথ, অচ্যুত আৰু ভূমিকান্ত। ভোগীৰথ আতাই ৰৰদোৱাৰ ৰৰহিছাৰ অধিকাৰ হয়, অচ্যুত আতাই গৈ প্ৰাচীন নৰোৱা বা বাসুদেৱ থান (উত্তৰ লক্ষীমপুৰত) অধিকাৰ কৰে।

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।



# প্ৰাৰ্থনা।

অন্তৰ মাজে বিৰাজাঁহি প্ৰভু—
অনাদি বিশ্ব বিপুল প্ৰাণ।
আমি অতি দীন তৱ সন্তান—
(প্ৰভু) শুদ্ধ ভক্তি দি কৰাঁহে ত্ৰাণ।

অশান্তি আছে হৃদয় জুৰি
পাপ তাপেৰে অন্তৰ ভৰা;
হৰা শান্তি গুচোৱা পাপ,
আত্মাৰ হিয়া পোহৰ কৰা।

কি আছে আমাৰ সকলো তোমাৰ—
তুষ্ট হোৱা নিজে বিশ্ব-প্ৰাণ।
কু-পুত্ৰ বুলি ঘৃণাৰে নেচাই,
(প্ৰভু) অন্তৰে হোৱা বিৰাজমান॥

শ্ৰীনন্দীনাথ গোস্বামী।

---

# ক'ত তুমিহে ক'ত তুমি?

সৃজোতা পালোতা সংহাৰ কৰোতা—
নিখিল বিশ্বৰ আৰাধ্য দেৱতা—
কিয়নো নেদেখো ত্ৰিজগত-পিতা—
ক'ত তুমিহে ক'ত তুমি?

অসীম অনন্ত বিশ্বৰাজ্য মাজে—
তোমাৰে মহিমা সৰ্ব্বত্ৰ বিৰাজে—
থাকা তুমি মোৰ হৃদয়েকি বাজে—
ক'ত তুমিহে ক'ত তুমি?

তোমাৰে কল্পিত সুনীল গগণ—
উদিছে চন্দ্ৰমা উদিছে তপন—
তোমাৰে আজ্ঞায় চলিছে কিৰণ—
ক'ত তুমিহে ক'ত তুমি?

সৰ্ব্বদিক ভেদি তোমাৰেহে জ্যোতি—
কোনমো ক্ষেত্ৰত তৱ অৱস্থিতি—
দিবানে চিনাই হে বিশ্বপতি—
ক'ত তুমিহে ক'ত তুমি?

শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মা চক্ৰৱৰ্ত্তী।

---

# নহওঁ নহওঁ আমি সেই অসমীয়া।

কোৱাঁচোন কোৱা বাক হেৰা লগৰীয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?
যি দেশৰ তিৰোতাই একে ৰাতিতেই
কপাহৰ সূতা কাটি কাপোৰ যোগায়,
এবজীয়া কাপোৰেৰে বগুৰা সজায়
সি দেশত আজি তেনে বোৱা কটা নাই;
বিলাতী "জাকেট" পিন্ধি হৈছে ধুনীয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?



যি দেশত জয়মতী জনম ধৰিলে
পতিৰ প্ৰাণৰ বাবে নিজে প্ৰাণ দিলে,
মূলা গাভৰুৱে য'ত বীৰত্ব দেখালে
যমনী গাভৰু ৰাধাৰুক্মিনী জন্মিলে,
সেই প্ৰেম সাহ ধৈৰ্য্য আজি নাইকিয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

যি দেশত উপজিলে বীৰ গদাধৰ
যি দেশ জনমভূমি বীৰ লাচিতৰ,
যি দেশত পৰাজয় মোগল সেনাৰ
সি দেশত নাই আজি নামেই বীৰৰ;
দেখিলে চিপাহী এটি ভয়ত পেপুৱা,
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

অসমীয়া ভাষা চোৱা কেনেনো শুৱনি,
যি ভাষাত ভাগৱত কৰিলে জ্ঞানী,
শঙ্কৰ মাধৱ যাৰ কবি চূড়ামণি,
সি ভাষাৰ চোৱা আজি আটৈ-আধানি,
নোৱাৰোঁ পাতিব কথা শুদ্ধ অসমীয়া,
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

যি সকল ধনী মানী আমাৰ দেশৰ
অসমীয়া ভাষা কেৱে নকৰে আদৰ,
বাটে-পথে সম্ভাষণ বিদেশী ভাষাৰ
মাতামিতে ইংৰাজী নাই সমাদৰ
বিদেশী ভাবেৰে ভৰা সকলোৰে হিয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

তিৰোতাৰ নাই আজি বোৱা-কটা কাম,
পুৰুষৰ নাই একো সাহ পিত্ নাম,
পণ্ডিতৰ পণ্ডিতালি হল বাম বাম
শিচিৰি মতেৰে মাত্ৰ পণ্ডিতালি কাম,
পূৰণি কথাৰ আজি একো নাইকিয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

যি দেশত খেতি-বাতি বাৰ মাহে হয়
যি দেশত বাৰ মাহ মেঘে বৰষয়,
সেই আসামত আজি কোনো বস্তু নাই,
পেটৰ ভোকত লোকে কৰে হায় হায়,
বিদেশীৰ মুখলৈ বাৰ মাহ চোৱা,
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

বিদেশীৰ ৰাজ্য হ'ল হাট বজাৰত
বিদেশৰ কৰ্ম্মচাৰী সকলো কামত
বিদেশী ভাষাৰ বহি গৰু-পাউণ্ডত
বিদেশীৰ সাজ-পাৰ সোমাল ঘৰত,
নাই আজি কোনো ঠাই শুদ্ধ অসমীয়া
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

আজি যদি বিদেশীয়ে নিদিয়ে বুলিব,
অসমীয়া জাতি দেখোঁ লঘনে মৰিব,
বিদেশী কাপোৰ যদি বন্ধ কৰি দিব,
অসমীয়া তাই আজি নাঙঠে থাকিব,
এতেকতে চোৱা বাক হেৰা লগৰীয়া,
সঁচাকৈয়ে আমি জানো সেই অসমীয়া?

খেতি-বাতি কাম-কাজ নোহোৱাই হল
বিদেশীৰ হেঁচা পাই তলতৈ গ'ল;
যত মানে বাবসায় তেনেই নুকাল,
আনকে নেলাগে আজি ভাতাৰ হেৰাল;
লোকৰ সম্পদ লৈ হৈছোঁ ধুনীয়া,
নহওঁ নহওঁ আমি সেই অসমীয়া।

শ্ৰীৰত্নদেৱ গোস্বামী।

# আত্মাৰ পৰিণতি।

মৃত্যুৰ পাচত আমি কলৈ যাওঁ? মৃত্যুৰ লগতে আমাৰ সকলো লীলা-খেলাৰ অন্ত পৰেনে, নাই মৃত্যুৰ পাচতো আমাৰ কিবা অস্তিত্ব থাকে? যদি কিবা অস্তিত্ব থাকে, তেন্তে এই বিশ্ব ব্ৰহ্মাণ্ডৰ লগত সেই আত্মাৰ কিবা সম্পৰ্ক থাকেনে নেথাকে? এইবিলাক কথাৰ সম্ভেদ জানিবলৈ সকলোৰে মনত স্বভাৱতে এটা কৌতূহল হয়। কিন্তু, জগতৰ আদিৰেপৰা আজিলৈকে, সকলো দেশৰ, সকলো যুগৰ মনিষীসকলে, নথৈ পৰিশ্ৰম কৰিও, মানুহৰ এই কৌতূহল গুচাবলৈ, সকলোৰে মনত পোৱা কিবা এটা সৰ্ব্বজনিন মত দিব পৰা নাই। ভৱিষ্যতলৈকো কোনোবাই দিব পাৰিব বুলি অনুমান কৰিবৰ কোনো স্থল নাই। বিশ্বকৰ্ত্তাৰ এই বিশাল ব্ৰহ্মাণ্ডত মানুহ নগণ্যৰো নগণ্য আৰু ক্ষুদ্ৰৰো ক্ষুদ্ৰ ধূলি-কণা মাত্ৰ। মানুহৰ শক্তি আৰু বুদ্ধি-বৃত্তি অতিশয় সঙ্কীৰ্ণ সীমাৰে আৱদ্ধ। এতেকে, এইবিষয়ে মানুহৰ অপাৰগতা একো বিচিত্ৰ কথা নহয়। মানুহে জ্ঞান লাভ কৰি যিমানেই আগ বাঢ়ক, শেহত কেৱল বিশ্বকৰ্ত্তাৰ অচিন্ত্য, অব্যক্ত, অসীম মহিমা দেখি স্তব্ধ হয়, কিন্তু তেওঁৰ সৃষ্টি-ৰহস্যৰ একো আগ-গুৰি ধৰিব নোৱাৰে।

মানুহৰ একোটা আত্মা আছে; সেই আত্মা অমৰ; সেই আত্মা ঈশ্বৰ বা পৰমাত্মাৰ অংশ আৰু সেই আত্মাহে "মই" বা "তুমি" বা "তেওঁ", এই পঞ্চভূতময় ৰক্ত মাংসৰ নশ্বৰ দেহক "মই" বা "তুমি" বা "তেওঁ", নোবোলে। এই কথা সকলো ধৰ্ম্মই স্বীকাৰ কৰে। খৃষ্টান আৰু মুছলমান ধৰ্ম্মমতে, তোমাৰ আত্মা আৰু মোৰ আত্মা একে ঈশ্বৰৰ অংশ, সেইদেখি তুমিয়ে মইয়ে একে পিতাৰ সন্তান, ককাই-ভাই। সনাতন বা আৰ্য্য-ধৰ্ম্মই (যাক আজি কালি হিন্দু ধৰ্ম্ম বোলে) কিন্তু ইয়াৰ ওপৰেও দুটা কথা কয়। প্ৰথম কথাটো হৈছে যে, এই আত্মা অকল যে মানুহৰে আছে, এনে নহয়; মানুহৰ বাহিৰেও, অন্যান্য ইতৰ জন্তুৰ আৰু আন কি, গছ-গছনি প্ৰভৃতি উদ্ভিদসকলৰো একোটা আত্মা আছে। আজি কালি চাৰ জগদীশ বসুৱে উদ্ভিদৰ বিষয়ে যিবিলাক নতুন তথ্য আবিস্কাৰ কৰিছে, তাৰ পৰা জনা যায় যে উদ্ভিদৰ আত্মা আছে বুলি বৈজ্ঞানীক জগতে স্বীকাৰ কৰিবলৈ আৰু সৰহ দিন নাই। আৰু দ্বিতীয় কথাটো হৈছে এই যে, এই আত্মাবিলাক ভিন্ ভিন্ দেখা যায় যদিও, প্ৰকৃততে সকলোবিলাকেই একেটা বস্তু; ইটো সিটোৰ ভিতৰত একো ভিন-পৰ নাই। এই আত্মাবিলাকক বোলে জীৱাত্মা আৰু যাৰ পৰা এই আত্মাবিলাক উদ্ভৱ হৈছে, অৰ্থাৎ এই আত্মাবিলাক যাৰ অংশ, সেই অভেদ্য আৰু সৰ্ব্বব্যাপী ঈশ্বৰক বোলে পৰমাত্মা। সকলোবিলাক জীৱাত্মা, বেলেগ বেলেগ হৈও, আচলতে একেটা আৰু পৰমাত্মাই সৈতেও একেটা বস্তু। এটা পুখুৰীত কিছুমান পাত্ৰ বুৰাই থলে, তাৰ এটা পাত্ৰৰ পানীৰ লগত আনটো পাত্ৰৰ পানীৰ যি সম্পৰ্ক, জীৱাত্মাবিলাকৰো পৰস্পৰে সেয়ে সম্পৰ্ক; আৰু পাত্ৰবিলাকৰ পানীৰ লগত পুখুৰীৰ পানীৰ যি সম্পৰ্ক, জীৱাত্মা আৰু পৰমাত্মাৰো সেয়ে সম্পৰ্ক। এটা পাত্ৰত থকা পানী যেনেকৈ আনটো পাত্ৰত থকা পানী নহয়, অথচ দুইটা পাত্ৰৰ পানী একেটা পুখুৰীৰে একে অবিভক্ত পানীয়েই, সেইদৰে প্ৰাণীবিলাকৰ আত্মাও, বেলেগ বেলেগ হৈও, এক অবিভক্ত পৰমাত্মাৰে অংশ। পুখুৰীত বুৰি থকা পাত্ৰৰ পানীৰ যেনেকৈ পুখুৰীতে উদ্ভৱ, পুখুৰীতে স্থিতি আৰু পুখুৰীতে লয়, জীৱাত্মাৰো সেইদৰে পৰমাত্মাতে উদ্ভৱ, পৰমাত্মাতে স্থিতি আৰু পৰমাত্মাতে লয়। পৰমাত্মাত বাজে জীৱাত্মা বেলেগে থাকিব নোৱাৰে। পুখুৰীত পানী থকা বাবেহে যেনেকৈ তাত বুৰি থকা পাত্ৰতো পানী থাকিব পাৰে, সেইদৰেই পৰমাত্মা থকা বাবেহে জীৱাত্মাৰো অস্তিত্ব। পাত্ৰৰ পানীয়েই গোটেই পুখুৰীৰ পানী নহয়, কিন্তু সি পুখুৰীৰ পানীতে অৱস্থান কৰিছে। সেই দৰেই জীৱাত্মাও পৰমাত্মা নহয়, কিন্তু পৰমাত্মাতে অৱস্থান কৰিছে। এতেকে, জীৱাত্মাবিলাক সকলো মিলি একেটা বস্তু আৰু জীৱাত্মা আৰু পৰমাত্মাও একেটা বস্তু।



সেই দেখি আত্মাধাৰীবিলাকৰ ভাই-ভাই সম্বন্ধতকৈও বঢ়া সম্বন্ধ; তেওঁলোক সকলো একাত্মা আৰু একেটা। ইয়াৰ ফলতে, খৃষ্টান আৰু মুছলমান ধৰ্ম্মই শিক্ষা দিছে সৰ্ব্বজনিন ভ্ৰাতৃত্ব (universal brotherhood) আৰু হিন্দু ধৰ্ম্মই শিক্ষা দিছে বিশ্বব্যাপী একত্ব বা বিশ্বপ্ৰেম (universal unity)। এয়ে হিন্দু ধৰ্ম্মৰ এটা সৌন্দৰ্য্য আৰু এটা প্ৰধান বিশেষত্ব।

খৃষ্টান আৰু মুছলমান ধৰ্ম্মৰ মতেৰে, সৃষ্টিৰ আদিৰে-পৰা যতবিলাক মানুহ মৰিছে আৰু মহাপ্ৰলয়ৰ দিনালৈকে যতবিলাক মৰিব, সেই সকলোবিলাকৰ ঈশ্বৰে এদিন বিচাৰ কৰিব; আৰু তেতিয়া পুণ্যবানৰ আত্মাক স্বৰ্গলৈ আৰু পাপীৰ আত্মাক নৰকলৈ পঠাব; নৰকত পাপৰ ভোগৰ অন্ত হলে, পাপীৰ আত্মাকো ঈশ্বৰে মুক্ত কৰিব। সেই বিচাৰৰ দিন নহয় মানে, আত্মাবিলাকে তালৈ বাট চাই থাকিব।

তেনেহলে দেখা গ'ল, এই মতেৰে, মৃত্যুৰ লগতে মানুহৰ আত্মাৰ কাৰ্য্যৰো অন্ত পৰে। আত্মা জগতলৈ আহি জীৱনৰ দিনকেটা থাকি, গুচি গৈ, চিৰ কাললৈ জিৰণি পায়গৈ। মানুহৰ মৃত্যুৰ পাচত আৰু আত্মাৰ কোনো কৰ্ত্তব্যও নাই আৰু সেই দেখি কৰ্ম্মক্ষেত্ৰও নাই। অৰ্থাৎ, এই জগতলৈ আমি "আহিলোঁ কণা গলোঁ কণা, খাগৰি কাটিলোঁ তিনি কণা।" এই জীৱনত ভাল কাম, অৰ্থাৎ ঈশ্বৰৰ প্ৰিয় কাম কৰিলে আমি স্বৰ্গলৈ যাম আৰু বেয়া কাম অৰ্থাৎ ঈশ্বৰৰ অপ্ৰিয় কাম কৰিলেও, কিছু কাল নৰক ভোগ কৰি আমি অন্তত মুক্তি পাম। ইয়াত এফালে স্বৰ্গ আৰু এফালে নৰক; এই স্বৰ্গ আৰু নৰকৰ মাজত আৰু কোনো মধ্যবৰ্ত্তী ঠাই নাই; গতিকে যিবিলাকক ঈশ্বৰে স্বৰ্গলৈ পঠায়, তেওঁলোকে পৃথিৱীত কিবা পাপ কৰি গলে, তাৰ বাবে শাস্তিৰ কোনো ব্যৱস্থা নাই; আৰু সেই দৰেই যিবিলাকক নৰকলৈ পঠায়, তেওঁলোকে কিবা পুণ্য কাৰ্য্য কৰি গলে, তাৰ বাবে পুৰস্কাৰৰো কোনো বিধান নাই।

এই মত মানিবলৈ হলে স্বীকাৰ কৰিব লাগিব যে, এই জগত খনৰ বিশেষ একো উদ্দেশ্য বা বিশেষ কিবা বৈচিত্ৰ্য নাই। মানুহে, ঘটনাক্ৰমে উপজি দিনদিয়েক সংসাৰত থাকি গুচি যায় আৰু সেই খিনিতে সকলো কথাৰ অন্ত পৰে। কিন্তু, কেনিও এক চুলিৰ মানো হেৰ্-ফেৰ্ নোহোৱাকৈ অনন্ত কালৰেপৰা বন্ধা নিয়মেৰে চলি থকা এই বিৰাট আৰু দুৰ্ভেদ্য ৰহস্যপূৰ্ণ জগতখন এনে লক্ষ্যহীন, বৈচিত্ৰ্যবিহীন থস্তেকীয়া লৰা-ধেমালি বুলি ভাবিবলৈ স্বভাৱতে আমাৰ মত নেযায়। এই পৃথিৱীত জগদীশ্বৰৰ সৰ্ব্বোৎকৃষ্ট সৃষ্টি মানুহৰ জীৱনটো এনে অসাৰ, ভৱা, থস্তেকীয়া মিছা-মিছি ধেমালি বুলি ধৰিবলৈ আমাৰ মনে মানিব নোখোজে। তদুপৰি দেখা যায়, মানুহ মাত্ৰৰে মনত এটা জ্ঞান-পিপাসা আছে। কোনোৰ জ্ঞান নিচেই ত।কৰ, কোনোৰ তাতকৈ সৰহ আৰু কোনোৰ তাতোকৈ সৰহ। কিন্তু জ্ঞানৰ উঁৱাল বঢ়াব লাগে, এই ধাউতি মানুহ মাত্ৰৰে মনত কিছু নহয় কিছু আছে। ঈশ্বৰ প্ৰাপ্তিকে যদি জ্ঞানৰ উদ্দেশ্য বুলি ধৰা যায়, তেনেহলে, এই উদ্দেশ্য সাধনৰ জখলাত কোনোৱে ভৰি দিবই পৰা নাই, কেনোৱে মাত্ৰ ভৰি দিছেহে, কোনেৰে অলপ আগ বাঢ়িছে আৰু কোটি কোটিৰ ভিতৰত, বুদ্ধ আৰু যীচু খ্ৰীষ্টৰ দৰে কেতিয়াবা কৰবাত দুজন এজনেহে ওখ খাপ পাইছেগৈ। জ্ঞান অগাধ আৰু অনন্ত। জীৱন অতি চুটি; মানুহৰ বুদ্ধি অতি তাকৰ আৰু ক্ষমতা অতি সামান্য। সেই দেখি, এটা জীৱনতে জ্ঞান লাভ কৰি ঈশ্বৰ প্ৰাপ্তি ঘটাটো সম্ভৱ নহয়। কিন্তু, মানুহৰ মনত এটা জ্ঞান-পিপাসা আছে যেতিয়া, আৰু জ্ঞানৰ জখলাৰ বিভিন্ন বিভিন্ন খাপত থাকি মানুহ ক্ৰমে ওপৰ খাপলৈ উঠি যোৱা আমি দেখিছোঁ যেতিয়া, এই পিপাসাৰ স্বভাৱতে এটা পৰিণতি আছে বুলি আমি ধৰি ল'ব পাৰোঁ আৰু সেই পৰিণতি একেটা জীৱনতে ঘটিবলৈ সময়ে নোজোৰে যেতিয়া, এই জীৱনৰ পাচতো আমাৰ কাৰ্য্য আৰু কাৰ্য্যক্ষেত্ৰ আছে বুলি ভবাটো যুক্তিৰ বিৰুদ্ধ নহয়। এই বাবেও, মৃত্যুৰ লগতে আমাৰ কাৰ্য্যৰো অন্ত পৰে বুলি বিশ্বাস কৰিবলৈ মানুহে টান পায়।

আৰ্য্য বা সনাতন ধৰ্ম্মৰ মতেৰে মানুহৰ উদ্দেশ্য হৈছে ঈশ্বৰ প্ৰাপ্তি। কিন্তু, এই ঈশ্বৰ প্ৰাপ্তি উদ্দা-

মূলা কথা নহয়। যি ঈশ্বৰৰ সৃষ্টিৰ সামান্য সামান্য ৰহস্যকে মানুহে যুগ যুগান্তৰৰ অভিজ্ঞতাৰেও চুকি নেপায়গৈ, সেই ঈশ্বৰক লাভ কৰিবলৈ বহুকাল, বহু সাধনা, বহু কষ্ট, বহু একাগ্ৰতা, বহু জ্ঞানৰ প্ৰয়োজন। তাৰ নিমিত্তে মানুহৰ সমস্ত জীৱনব্যাপী চেষ্টাও যথেষ্ট নহয়; মানুহে জীৱনত যি কাল পায়, তাৰ কোটি কোটি গুণ বা অসংখ্য গুণ কাল লাগে। সেই নিমিত্তেই এই ধৰ্মত পুনৰ্জন্মৰ তত্ত্ব আছে। এটা আত্মাই কতবাৰ জন্মগ্ৰহণ কৰিব লাগে, আৰু কত যোনীত জন্ম গ্ৰহণ কৰিব লাগে তাৰ সীমা সংখ্যা নাই। আমি যোৱা জন্মত যি কাৰ্য্যত কৰিলোঁ. তাৰ ফল আৰু যি উন্নতি লাভ কৰিলোঁ তাৰ সংস্কাৰ লৈ, এই জন্ম ধৰিছোঁ। যোৱা জন্মত সৎ বা বদ্ কৰ্ম্ম যি কৰিলোঁ, তাৰ ফল এই জন্মত ভোগ কৰিব লাগিব; অৰ্থাৎ সৎ কৰ্ম্মৰ সৎ ফল আৰু অসৎ কৰ্ম্মৰ অসৎ ফল ভুগিব লাগিব; আৰু যোৱা জন্মৰপৰা যি সংস্কাৰ লৈ আহি এই জন্ম ধৰিছোঁ, তাকে মূলধন স্বৰূপে হাতত লৈ, এই জন্মত আৰু এখোপ উন্নতি কৰিব লাগিব। এই জন্মত আকৌ যি কৰ্ম্ম কৰিছোঁ আৰু যি সংস্কাৰ লাভ কৰিছোঁ তাক লৈ, মৃত্যুৰ পাচত আকৌ জন্ম গ্ৰহণ কৰি কৰ্ম্মফল ভোগ কৰিব লাগিব আৰু নতুনকৈ উন্নতি লাভ কৰিবলৈ পূৰ্ব্বলব্ধ সংস্কাৰৰ পৰাই নতুনকৈ সূত্ৰপাত কৰিব লাগিব। এই দৰেই অসংখ্য বাৰ জনম লৈ, কোনোবাৰ এখোপ আগবাঢ়ি বা কোনোবাৰ পাচ হুহকি, কিন্তু ক্ৰমশঃ উন্নতি লাভ কৰি গৈ থাকি, শেহত সম্পূৰ্ণৰূপে পবিত্ৰ হৈ আৰু পূৰ্ণ আৰু সত্য জ্ঞান লাভ কৰি মানুহৰ আত্মা পৰমাত্মাত লীন হয়গৈ; তাৰ পাচত আৰু আকৌ আহি জন্ম লবহি নেলাগে। এই অসংখ্য বাৰ জনম লওঁতে. পূৰ্ব্ব জন্মত কৰি অহা ক্ষুদ্ৰাদপি ক্ষুদ্ৰ কাৰ্য্যাৰো ফল নেহেৰায়; অৰ্থাৎ পূৰ্ব্ব জন্মৰ তিলমাত্ৰ সৎ কাৰ্য্যৰ বাবেও সুফল বা লেশ মাত্ৰ অসৎ কাৰ্য্যৰ বাবেও কু-ফল পৰজন্মত ভোগ নকৰাকৈ সাৰিবৰ কাৰো কোনো উপায় নাই। অৱশ্যে ঈশ্বৰে পৰম কৰুণা কৰি কেতিয়াবা কৰ্ম্মফল খণ্ডন কৰিবও পাৰে; কিন্তু সি বেলেগ কথা।

এই মতে মানুহৰ জীৱনটো লক্ষ্যহীন দুদিনীয়া ধেমালি বুলি নধৰে আৰু ইয়াক অকল একজন্মব্যাপী বুলিও নধৰে। এই জন্মটো প্ৰাণীৰ সুদীৰ্ঘ বা বহু যুগ-যুগান্তৰ ব্যাপী জীৱনৰ অকল এটা ক্ষুদ্ৰ অংশ বা এটা মোচৰ বুলিহে ই শিক্ষা দিয়ে। সেই কাৰণে, ওপৰত কৈ অহা মতত্‌কৈ এই মতে সৃষ্টি-ৰহস্যৰ গভীৰতা সৰহ পৰিমানে উপলব্ধি কৰা যেন অনুমান হয়। এই মতেৰে, মানুহৰ অতি ক্ষুদ্ৰ সৎকাৰ্য্য বা অতি ক্ষুদ্ৰ অসৎ কাৰ্য্যাৰো বিচাৰ নোহোৱাকৈ থাকিব নোৱাৰে। সেই দেখি, আন সকলো কথা এৰি দি অকলস মাজৰ ফালৰ পৰা চালেও, এই মত সমাজ ৰক্ষাৰ বেচি উপযোগী বুলি মনে ধৰে। গতিকে উপৰুক্ত মতত্‌কৈ এই মত বেচি বৈজ্ঞানীক যেন দেখা যায়।

ইফালে আকৌ এই মতৰ বিৰুদ্ধে কবলৈ এটা বৰ ডাঙৰ কথা আছে—যদি আমাৰ জন্মান্তৰ আছে. তেনে হলে আমি গত জন্মৰ একো কথা এই জন্মত কব নোৱাৰোঁ কিয়? পূৰ্ব্বজন্মৰ কি সুকৃতিৰ ফলত আমাৰ এই জন্মত সুখ হৈছে বা কি দুষ্কৃতিৰ বাবে এই জন্মত দুখ হৈছে, তাক আমি জানিব নোৱাৰোঁ যেতিয়া, পাপ কাৰ্য্য নকৰি পূণ্য কাৰ্য্য কৰিবলৈ আমাৰ প্ৰবৃত্তি হব কেনেকৈ?

ইয়াৰ উত্তৰত জন্মান্তৰবাদীসকলে কব পাৰে যে, মানুহৰ ক্ষমতা অতি কম আৰু স্মৰণ শক্তি অতি তাকৰ বাবে, কেচুৱা কালৰ কথা নেলাগে, লৰা কালৰ কথাই মানুহৰ মনত নেথাকে; আন কি, ঠিক আজিৰ দিনত এবছৰৰ পূৰ্ব্বে আমি কি কি কাম কৰিছিলোঁ, তাকে আমি আজি কব নোৱাৰোঁ। এনে স্থলত, যোৱা জন্মৰ কথা আমাৰ মনত নথকাটো একো আচৰিত কথা নহয়। কিন্তু কঠোৰ সাধনাৰ দ্বাৰা মানুহে এই শক্তি লাভ কৰিব পাৰে। আগৰ দিনত আৰ্য্য ঋষিসকলৰ এই সাধনা আছিল, এই বিষয়ে বিপুল চৰ্চ্চা আছিল। তেতিয়া কোনো কোনোৱে নিজৰ পূৰ্ব্বজন্মৰ বৃত্তান্ত যি জানিছিলেই লোকৰো কব পাৰিছিল। এই বিষয়ে পুৰাণাদিত বহুত দৃষ্টান্ত আছে—যেনে, দ্ৰৌপদীৰ বিয়াৰ সময়ত, ব্যাস মুনিয়ে দ্ৰৌপদীৰ পূৰ্ব্বজন্মৰ কি কাৰ্য্যৰ ফলত সেই জন্মত পঞ্চপতি হব লগীয়া হৈছিল,



তাক দ্ৰুপদ ৰজাৰ আগত ভাঙ্গি পাতি কৈছিল। আজিকালি এই সাধনা, এই চৰ্চ্চা লোপ পাইছে যদিও, এতিয়াও কোটি জনৰ ভিতৰত কৰবাত যে এই শক্তি থকা এজন মানুহ নোলাব তাক কোনে ডাঠকৈ কব পাৰে? কোনো কোনো স্থলত আকৌ দেখা যায় যে ঈশ্বৰৰ কৃপাত হঠাৎ পূৰ্ব্বজন্মৰ কথা মানুহৰ মনত পৰে, যেনে, মৃত্যুৰ সময়ত ৰাৱণৰ মনত পৰিছিল। পূৰ্ব্ব জন্মৰ কি কাৰ্য্যৰ ফলত আমি এই জন্মত সুখ বা দুখ পাইছো তাক আমাৰ সাধাৰণ বুদ্ধিৰে বুজিব নোৱাৰিলেও আমি মোটা মোটিকৈ অন্ততঃ এইটোকে যদিও ধাৰণা কৰি লওঁ যে পূৰ্ব্ব জন্মৰ কাৰ্য্যৰ ফলতহে আমি এই জন্মত সুখ বা দুখ ভোগ কৰিছোঁ, তেতিয়াহলেও আমাৰ এই জন্মত পূণ্য কাৰ্য্যলৈ প্ৰবৃত্তি আৰু পাপ কাৰ্য্যলৈ নিবৃত্তি নহৈ নোৱাৰে।

ওপৰত কোৱা দুটা মতৰ এটাকো আমি মিছা বা অসাৰ বুলি দলিয়াই পেলাব নোৱাৰোঁ। দুয়োটাৰে সপক্ষে আৰু বিপক্ষে যুক্তি আছে; দুয়োটাই মানুহক সংসাৰত সজ পথত চলিবলৈ সাহায্য কৰে। আমি মাত্ৰ ইমানকেহে কব পাৰোঁ, যে সকলো কথা ভাবি-গুণি চালে, প্ৰথমটো মতত্‌কৈ দ্বিতীয়টো গভীৰতৰ চিন্তাৰ ওপৰত স্থাপিত বুলি ধৰিব পাৰি।

---

# বিয়া—ইয়াৰ উৎপত্তি আৰু ক্ৰমবিকাশ।

"ভাৰ্য্যাত্ব সম্পাদকগ্ৰহণং বিবাহঃ"। হিন্দুৰ মতে, আৰ্য্যঋষিসকলৰ বচন অনুসাৰে এগৰাকী তিৰুতাৰ পাণি গ্ৰহণ কৰাৰ নামেই বিয়া। আকৌ, "ৰতি পুত্ৰ-ধৰ্ম্মত্বেন বিবাহস্ত্ৰিবিধঃ"। কাম-বাসনাৰ পৰিতৃপ্তি, পুত্ৰলাভ আৰু ধৰ্ম্ম উপাৰ্জ্জন, এই তিনটি উদ্দেশ্য সিদ্ধিৰ কাৰণেই বিয়াৰ সৃষ্টি। মহাভাৰততো আছে, "পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা"। পুত্ৰলাভৰ কাৰণেই ভাৰ্য্যাৰ আৱশ্যক।

কিন্তু বিয়াৰ বৰ্ত্তমান এই ধাৰণা এই বিষয়ৰ অনেক-দিনি ক্ৰম বিকাশৰ ফল, তাত সন্দেহ নাই। আমাৰ সাময়িক জগতৰ আইন-কানুন আৰু বিচাৰৰ বিষয়ে আলচ কৰি চালে যেনেকৈ দেখা যায় যে, সি সুদূৰ অতীতৰ নানা বিধৰ ৰক্তপিপাসু নিয়মৰপৰা শিপাই বৰ্ত্তমান অৱস্থা পাইছেহি, বিয়াৰ বিষয়ে চালেও সেইদৰে দেখা যায় যে, পশু পক্ষী আদিৰ স্বাভাৱিক অৱস্থাৰপৰা সমাজৰ নানা খুন্দা খুন্দলি খাই মানুহৰ ভাৰ্য্যা গ্ৰহণৰ স্বাভাৱিক প্ৰবৃত্তিয়ে বৰ্ত্তমান অৱস্থা লাভ কৰিছেহি। কিন্তু ই এই অৱস্থাতকৈ আৰু ওপৰলৈ উধাবলৈ কিবা বাকী আছে নে নাই, আমাৰ বৰ্ত্তমান জ্ঞানে তাক চুকি নেপায়।

চৰাইৰ বিষয়ত সাধাৰণতে দেখা যায়, ভাই ভনী লৈ সিহঁতে ঘৰতে যোৱা পাতে। পশুৰ বিষয়ত, ঘাইকৈ গৰু-মহৰ আপোন পৰ ভেদ সমুলি নাই। মানুহৰ বিষয়ত এই ভেদ কিমান দিনৰপৰা আছে, সঠিক কোৱা টান। কিন্তু একে ঘৰতে বা একে বংশৰ ভিতৰতে বিয়া কৰাব নোপোৱা নিয়ম বিজ্ঞানসন্মত বুলি ভাবিব পাৰি। আমাৰ কাৰণে, জীয়ৰী উলিয়াই দিয়া আৰু দমৰা গৰু সলোৱা একে লতাৰ পুৰণি ৰীতি। সম্প্ৰতি গৱৰ্ণমেণ্টেও একে ঠাইৰ দমৰা গৰুৱে তাৰ মাইকী গৰুৰ লগত যাতে সঙ্গম কৰিবলৈ নেপায় তাৰ বাবে যত্ন কৰিছে।

সাইলাপ বৰ্ত্তমানৰ দৰে নহলেও, মহাভাৰতৰ যুগৰ বহুত আগৰেপৰা হিন্দুৰ মাজত বিয়াৰ প্ৰচলন থকাৰ চিন পোৱা হয়। তথাপি সমাজৰ আদিম অৱস্থাত বিয়াৰ প্ৰচলন থকা স্বত্বেও তিৰুতাৰ বিহাৰ আৰু সঙ্গম আদি বিষয়ত স্বতন্ত্ৰতা থকাৰ আভাস আছে। নিজ ভাৰ্য্যা আৰু ধৰৰ আন লোকৰ আগতে এদিন নিজ মাতৃৰ এনে কিবা অমানুষিক আচৰণ দেখি ক্ষুণ্ণ হৈ, শ্বেতকেতুৱে পোনতে এই স্বতন্ত্ৰতাৰ বিৰুদ্ধে বিধান কৰে

বুলি জনা হয়। বিবাহিতা হলেই তিকতা স্বামীৰ পালনীয়া হয়; কিন্তু বিশেষ কাৰণত কোনো ভাৰ্য্যাক স্বামীয়ে ভালদৰে পালন কৰিব নোৱাৰিলে, সেই তিকতাই আন পুৰুষৰো পালনীয়া হবগৈ পাৰিছিল, আৰু তাত সামাজিক কোনো নিন্দাৰ কথা নাছিল। দীৰ্ঘতমাই তেওঁৰ নিজ ভাৰ্য্যাৰ এনে হীন প্ৰকৃতিত ক্ষুভিত হৈ শাপ দিলে,—তিকতাৰ যেন এক বিবাহিতা পতিৰ বাহিৰে আন কোনো পালনীয়া লোক থাকিব নোৱাৰে। তেতিয়াৰেপৰা সেই বিধান। ( বিশ্বকোষ )

ইয়াৰ বাহিৰেও পতিৰ ক্লীবতা, ব্যাধি আদিৰ কাৰণে স্বধৰ্ম্মী আন লোকৰ লগত তিকতাৰ সংসৰ্গ ঘটি "ক্ষেত্ৰজ" সন্তান জন্ম হোৱাৰ অনেক উদাহৰণ অতীতত পোৱা হয়। এনে কাম সাধাৰণতে পতিৰ সম্মতি ক্ৰমেইহে হোৱা বুলি জনা হয়। কিন্তু তেনে ভালেমান নিয়ম সময়ৰ গতিত হিন্দু সমাজৰপৰা ক্ৰমে একেবাৰে লোপ পাব খুজিছে যদিও, চুকে কাণে তাৰ অৱশেষ নাই বুলি কব নোৱাৰি। তথাপি সম্প্ৰতি সমাজে এইবোৰলৈ কেৱল নিন্দাৰেহে আঙুলিয়ায়।

অতীতৰ ভাৰতত আঁঠ বিধৰ বিয়াৰ প্ৰচলন থকা বুলি জনা যায়:—তাক ক্ৰমে ব্ৰাহ্ম, দৈৱ, আৰ্ষ, প্ৰাজাপত্য, আসুৰ, গান্ধৰ্ব্ব, ৰাক্ষস, পৈশাচ আদি বোলা হৈছিল।

"ব্ৰাহ্মণ দৈৱস্তমেৱাৰ্ষঃ প্ৰাজাপত্যস্তথাসুৰঃ
গান্ধৰ্ব্বো ৰাক্ষসশ্চৈৱ পৈশাচষ্টমোঽধমঃ॥" ( মনু )

ইয়াৰ ভিতৰত বৰ কন্যা উভয়ৰে সন্মিতিত হোৱা সন্মিলনকে গন্ধৰ্ব্ব বিবাহ—

"ইচ্ছয়ান্যোন্য সংযোগঃ কন্যায়াশ্চ ৱৰস্য চ।
গান্ধৰ্ব্বঃ সতু বিজ্ঞেয়ো মৈথুন্যঃ কামসম্ভৱঃ॥" (—মনু)

আৰু বলেৰে কন্যা হৰণ কৰি নি বিয়া কৰোৱাকে ৰাক্ষস বিবাহ বোলা হয়—

"হত্বা ছিত্বা বা ভিত্বা চ ক্ৰোশন্তীং ৰুদন্তীং গৃহাৎ।
প্ৰসহ্য কন্যাহৰণং ৰাক্ষসো বিধৰুচ্যতে॥"

কিন্তু বৰ্ত্তমান সমাজত বিধিবৎ বিয়াৰ বাহিৰে গান্ধৰ্ব্ব, ৰাক্ষস আদি বিবাহ হিন্দু সমাজত অপ্ৰচলিত আৰু প্ৰায়ে লোক নিন্দাৰ কথা বুলিব পাৰি। তথাপি অতীতত ছোৱালী বলেৰে হৰণ কৰি নিয়া কথা নিন্দাৰ্থকতো নাছিলেই, বৰঞ্চ গৌৰৱৰ কথা বুলিহে ধৰা হৈছিল—

"পৃথক্ পৃথক্ বা মিশ্ৰৌ বা বিবাহৌ পূৰ্ব্বচোদিতৌ।
গান্ধৰ্ব্বো ৰাক্ষসশ্চৈৱ ধৰ্ম্মৌ ক্ষত্ৰস্য তৌ স্মৃতৌ॥"

এই লেখেৰে ধৰি, কৃষ্ণ ৰুক্মিণীৰ বিয়া ৰাক্ষস-গান্ধৰ্ব্ব-মিশ্ৰ বিবাহ বোলা হয়।

যি যি হওক, হিন্দুৰ বৰ্ত্তমান ধৰণেৰে পতা বিয়াৰ প্ৰণালী কিমান প্ৰাচীন, তাক ঠাৱৰোৱা সহজ নহয়। এইদৰে বৰক ঘৰলৈ মাতি আনি কন্যাক সজাই-পৰাই অৰ্চ্চনা কৰি বিয়া দিয়াকে ব্ৰাহ্ম বিবাহ বোলা হৈছিল। ঋকৃবেদৰ এটি স্তুৱত আছে—

"ততং বাং স্তোমমশ্বিনাৱকৰ্ম্মাতক্ষাম ভৃগৱো ন ৰথং।
ন্যমৃক্ষাম যোধনাং ন মৰ্য্যে নিত্যং ন সূনুং তনয়ং দধানাঃ॥"

—'যেনেকৈ ভৃগুৰ সন্তানসকলে ৰথ প্ৰস্তুত কৰে, সেইদৰেহে অশ্বিদ্বয়, মই এই স্তৱ প্ৰস্তুত কৰিছোঁ। ( আৰু ) যেনেকৈ জোঁৱাইক কন্যাদানৰ সভাত বসনে ভূষণে সজাই-পৰাই কন্যা সম্প্ৰদান কৰা হয়, সেইমতে মই এই স্তৱটি অলঙ্কৃত কৰিছোঁ, যেন সদায় আমাৰ পুত্ৰ-পৌত্ৰ প্ৰতিষ্ঠিত থাকে।'

তেনেহলে বৈদিক কালৰ আগৰেপৰা হিন্দুৰ এই ব্ৰাহ্ম আদি বিবাহৰ প্ৰচলন দেখা যায়। হিন্দুৰ এই বিবাহ মহাযজ্ঞ; স্বাৰ্থই ইয়াৰ আহুতি। হিন্দুৰ কাৰণে বিয়া জীৱনৰ মহাব্ৰতৰ মন্ত্ৰগ্ৰহণ; ই কোনো সামাজিক বন্ধৱত বা 'কণ্ট্ৰেক্ট্' নহয়। হোমৰ জুইৰ আগত যদিও ইয়াৰ আৰম্ভন, তথাপি সমাধিস্থানৰ চিতাৰ জুইতো ই শেষ নহয়। সেই দেখিয়েই অতীতত ভাৰতবৰ্ষ যেনেকৈ জগতৰ ধৰ্ম্ম, প্ৰেম আৰু শান্তিৰ আলয় আছিল, ভাৰতবৰ্ষৰ প্ৰতি ঘৰো সেইদৰে দাম্পত্য প্ৰেমৰ শান্তি নিকেতন আছিল। ঈশ্বৰৰ শুভ ইচ্ছা, ভাৰতবৰ্ষত আজিও সেই শান্তিৰ আভাস জিলিকি আছে, আৰু পতি-বৰ্জ্জন, পত্নী-বৰ্জ্জন আদি 'ললিত কলাৰ' ভাৰতবৰ্ষত তেনে প্ৰচলন হব পৰা নাই।

ৰতি, পুত্ৰ আৰু ধৰ্ম্মলাভেই হিন্দুৰ বিয়াৰ সাধাৰণ উদ্দেশ্য বুলি আগতে উন্মুকিয়াই অহা হৈছে। সঙ্গম ইচ্ছাই প্ৰাণী জগতৰ আদি আৰু ডাঙৰ চলন্ত শক্তি,



এই কথা মুই কৰিবৰ উপায় নাই। কিন্তু যি কামপ্ৰবৃত্তি মানুহৰ বিষয়ত নিজ ইচ্ছাৰ অধীন, সেয়ে আকৌ ইতৰ প্ৰাণীৰ বিষয়ত প্ৰকৃতিৰ নানা নিয়মৰ তলতীয়া কথা; কিয়নো অনেক ইতৰ জীৱৰ স্বাধীন সঙ্গম ইচ্ছাতো নায়েই, প্ৰকৃতিৰ নিয়মৰ বাধ্যবাধকতাত পৰি সঙ্গম কৰিবলৈ হলেও সিহঁতে বৰ কষ্ট পায়। গতিকে বংশ ৰক্ষা বা সন্তান উৎপাদন কৰাই সঙ্গমৰ প্ৰকৃত ব্যৱহাৰ বুলিব পাৰি। সেইবাবেই তাৰ বিপৰীত আচৰণ কৰাই সঙ্গম আৰু বীৰ্য্যৰ অপব্যৱহাৰ। ইতৰ জীৱবোৰ স্বাভাবিক নিয়মৰ আমোলত থাকি এই অপব্যৱহাৰৰপৰা ৰক্ষা পাইছে। গৰু, মহ, কুকুৰ আদি জন্তুৰ স্বাধীন সঙ্গম ইচ্ছা আছে যদিও প্ৰকৃতিয়ে সিহঁতৰ বাবে বছৰত এটা মাথোন নিৰ্দ্ধাৰিত ঋতু বাছি দিছে; তাৰ বাহিৰে সিহঁতে কোনো মতেই কাম ভাব পূৰাব নোৱাৰে।

মানুহৰ বিষয়ত প্ৰকৃতিয়ে এনে কোনো বান্ধ দিয়া নাই; কিয়নো, মানুহৰ বিবেক বুদ্ধি আছে। সঙ্গম আৰু বীৰ্য্যৰ যেনেকৈ বংশ ৰক্ষাই মূলিভূত কাৰণ, তাৰ অপব্যৱহাৰ সেই দৰেই বংশ ধ্বংসৰ কাৰণ হৈ উঠে। গতিকে, জানি শুনিও মানুহ এইদৰে ধ্বংসৰ মূলত পৰিলে প্ৰকৃতি তাৰ বাবে দোষী নহয়। সেই কাৰণে মানুহে তাৰ বাবে এটা নিজে বান্ধ বা সীমা দি লৈছে। সেই সীমাই বিবাহৰ উপযুক্ত বয়স। যেতিয়ালৈকে পুৰুষ আৰু স্ত্ৰীৰ বীৰ্য্য আৰু আৰ্ত্তৱ পৈণত নহয়, আৰু যেতিয়ালৈকে তিকতা গৰ্ভধাৰণ আৰু সন্তান প্ৰসৱৰ উপযুক্ত হৈ নুঠে, তেতিয়ালৈকে উভয়ৰ সঙ্গম আৰু বীৰ্য্যপাত, অৰ্থাৎ বিবাহ উচিত বুলি ধৰিব নোৱাৰি। কিন্তু এই বিবাহযোগ্য বয়সৰ বিষয়ে শাস্ত্ৰকাৰসকলৰ মতদ্বৈধ দেখা যায়—

"কন্যা দ্বাদশ বৰ্ষানি যা প্ৰদত্তা গৃহে বসেৎ।
ব্ৰহ্মহত্যা পিতুস্তস্যাঃ সা কন্যা বৰয়েৎ স্বয়ম্॥"

এই মতে, বাৰ বছৰ বয়সৰ আগতে ছোৱালী উলিয়াই নিদিয়া মহাপাপ। এই নিয়ম পালন নকৰিলে কন্যাৰ পিতাকৰ গাত ব্ৰহ্মহত্যা পাপ লাগে। আৰু আন আন ঠাইত শাস্ত্ৰকাৰসকলে ইয়াতোকৈ অসংযত বাক্য প্ৰয়োগ কৰা দেখা যায়—

"প্ৰাপ্তে তু দ্বাদশে বৰ্ষে যদা কন্যা ন দীয়তে।
তদা তস্যাস্ত কন্যায়াঃ পিতা পিবতি শোনিতঃ॥" (অঙ্গিৰা)

যি হওক এই শাস্ত্ৰকাৰসকলৰ বাক্যৰ অসংযমতকৈ আৰু বেজাৰৰ কথা একো হব নোৱাৰে। তিকতাতো এনে জীৱজন্তু নহয় যে উপযুক্ত পাত্ৰ নেপালেও তেওঁলোকক ধৰি বান্ধি অযোগ্য লোকতো অৰ্পণ কৰিব। আৰু তাকে নকৰিলে সেই কন্যা আৰু তেওঁৰ বংশ একেবাৰে ছুৱা যাব! বৰঞ্চ তাৰ বিৰুদ্ধে, উপযুক্ত পাত্ৰ নোপোৱা সময়লৈকে ছোৱালীক ঘৰত ৰখা মতটোকে সকলো যুক্তিৱানলোকেই চিৰকাল সমৰ্থন কৰিছে। আমাৰ গ্ৰীষ্মপ্ৰধান দেশত ছোৱালী ১১।১২ বছৰ বয়সতে পুষ্পিতা হয়, আৰু লৰাৰ ১৪।১৫ বছৰ বয়সত শুক্ৰ উৎপাদন হয়; কিন্তু ছোৱালীৰ ১৬।১৭ বছৰ আৰু লৰাৰ ২৫।৩০ বছৰ নহয় মানে কোনোমতে তেওঁলোক বিয়াৰ বাবে উপযুক্ত নহয়। তাতকৈ কম বয়সত বিয়া হোৱা লৰা-ছোৱালীৰ কেতিয়াও অতি স্বাস্থ্যৱান মন আৰু শৰীৰৰ সন্তান জন্ম হব নোৱাৰে। সেইদেখি মহাভাৰততো কোৱা আছে—

"ত্ৰিংশদ্বৰ্ষঃ ষোড়শাব্দাং ভাৰ্য্যাং বিন্দেত নাগ্নিকাম্।
অতঃ প্ৰবৃত্তে ৰজসি কন্যাং দদ্যাৎ পিতা সকৃৎ॥"

বিয়াৰ দ্বিতীয় আৰু তৃতীয় উদ্দেশ্য হৈছে পুত্ৰ আৰু ধৰ্ম্মলাভ। "পুন্নামো নৰকাৎ যঃ ত্ৰায়তে স পুত্ৰঃ।" পুন্নাম নৰকৰপৰা ত্ৰাণ কৰা বাবেই পুং সন্তানক পুত্ৰ বোলা হয়; কিয়নো পুত্ৰই পিতাৰ বংশৰক্ষাৰ প্ৰতিশ্ৰুতি বা সাক্ষী স্বৰূপ। পুত্ৰ ৰক্ষাৰ এই চেষ্টা মানুহজগত, জন্তুজগত আৰু উদ্ভিদজগত সকলোতেই দেখা যায়। গতিকে সুচতুৰা প্ৰকৃতি দেৱীয়ে যে সকলোকে এই কাম-ভাব দিছে, মানুহেও তাক বিধিৱতে চৰিতাৰ্থ কৰা যে উচিত তাক কোৱা বাহুল্য।

সেৱাই মানুহ-জীৱনৰ ধৰ্ম্ম; এই ধৰ্ম্মত ভাৰ্য্যাই স্বামীক সহায় কৰে দেখি ভাৰ্য্যাক সহধৰ্ম্মিনীও বোলা হয়। পতিৰ সেৱা, পতিৰ ঘৰৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ সেৱা, সমাজৰ সেৱা, ইতৰ প্ৰাণীৰ সেৱা আদি সকলোৰেই ভাৰ্য্যাৰ কৰ্ত্তব্য। জীৱনৰ পবিত্ৰ ব্ৰতৰ আৰম্ভ ইয়াতেই; সেইকাৰণেই বৰ আৰু কন্যা উভয়কে উভয়ৰে

পিতৃ-মাতৃ, বংশ-পৰিয়াল, জ্ঞাতি-কুটুম্ব সজ্জন আৰু অগ্নিৰ আগত ৰাখি এই পবিত্ৰ ব্ৰত আচৰিবলৈ প্ৰতিজ্ঞা বদ্ধ কৰায়। সেই দেখি বৰৰ বাঁওহাত আৰু কন্যাৰ সোঁহাত সংলগ্ন কৰি এই পাণি-গ্ৰহণ মন্ত্ৰ গোওৱা হয়:—

"ওঁ গৃহ্ণামি তে সৌভগত্বায় হস্তং ময়া পত্যা জৰদষ্টির্যথাসঃ।
ভগো অৰ্য্যমা সবিতা পুৰন্ধ্ৰীৰ্মহ্যং ত্বাদুৰ্গাৰ্হপত্যায় দেবাঃ" ॥

'হে কন্যা! অৰ্য্যমা, ভগ সবিতা আৰু পুৰন্ধ্ৰীয়ে তোমাক গাৰ্হস্থ্য কাৰ্য্য সম্পাদন কৰিবৰ বাবে মোৰ হাতত সমৰ্পণ কৰিছে। তুমি মোৰ লগত আমৰণ থাকি গাৰ্হস্থ্য ধৰ্ম্ম আচৰণ কৰা, এই সৌভাগ্যৰ বাবে মই তোমাৰ পাণি গ্ৰহণ কৰিছো'।

"ওঁ অঘোৰ চক্ষুৰপতিঘ্নেধি শিৱা পশুভ্যঃ সুমনাঃ সুবৰ্চ্চাঃ।
বীৰসূৰ্দেৱকামা স্যোনা শংনো ভৱ দ্বিপদে শং চতুষ্পদে"।
( মনু )

'হে বধু, অক্ৰোধনেত্ৰা আৰু অপতিঘ্নী হোৱাঁ, সহৃদয়া আৰু বুদ্ধিমতী হোৱাঁ, বীৰপ্ৰসৱিনী হোৱাঁ, দেৱকামা হোৱাঁ, মোৰ আৰু মোৰ আত্মীয়সকলৰ আৰু পশুবোৰৰ কল্যাণকাৰিণী হোৱাঁ'।

"ওঁ আ নঃ প্ৰজাং জনয়তু প্ৰজা পতিৰাজৰসায় সমনক্ত্ৱৰ্য্যমা।
অদুৰ্মঙ্গলী পতিলোকমা বিপশঃ মে ভৱ দ্বিপদে শং
চতুষ্পদে" ॥ ( ঋক্ )

"হে কন্যা, প্ৰজাপতিয়ে আমাৰ পুত্ৰ পৌত্ৰাদি দিয়ক, অৰ্য্যমাই আমৰণ আমাক মিলা-প্ৰীতিৰে ৰাখক। হে বধূ, তুমি উৎকৃষ্ট কল্যাণ-সম্পন্না হৈ মোৰ ঘৰ সোমোৱাঁ, মোৰ আত্মীয় স্বজনৰ প্ৰতি, মোৰ পশুবোৰৰ প্ৰতি মঙ্গলকাৰিণী হোৱাঁ।"

"ওঁ ইমাং ত্বমিন্দ্ৰ মীঢ়্বঃ সুপুত্ৰাং সুভগাং কৃণু।
দশাস্যাং পুত্ৰানা ধেহি পতিমেকাদশং কৃধি" ॥

"হে ইন্দ্ৰ, তুমি এই বোৱাৰীক সুপুত্ৰা আৰু সৌভাগ্যৱতী কৰা, এওঁৰ গৰ্ভত দহোটি পুত্ৰ দান কৰা। এই দহোটি পুত্ৰক মোৰে সৈতে এঘাৰটি কৰি মোক তাৰ ৰক্ষক কৰা"।

"ওঁ সম্ৰাজ্ঞী শ্বশুৰে ভৱ সম্ৰাজ্ঞী শ্বশ্ৰ্বাং ভৱ।
ননান্দৰি সম্ৰাজ্ঞী ভৱ সম্ৰাজ্ঞী অধিদেৱৃষু ॥"

"হে বধু, তুমি শহুৰ, শাহু, ননন্দ, দেওৰ—সকলোৰে নিকটবাসিনী হোৱাঁ অৰ্থাৎ তুমি এই সকলোৰে প্ৰিয়-পাত্ৰী হৈ সুখেৰে কাল কটোৱাঁ।"

"ওঁ মম ব্ৰতে তে হৃদয়ং দধাতু, মম চিত্তমনু চিত্তন্তে ইস্ত।
মম বাচা মেকমনা জুষস্ব, বৃহস্পতিস্ত্বানিয়নক্তু মহ্যম্॥
( মন্ত্ৰ ব্ৰাহ্মণ )

"হে কন্যা, তোমাৰ হৃদয় মোৰ কৰ্ম্মত অৰ্পণ কৰা, তোমাৰ চিত্ত মোৰ চিত্তৰ অনুৰূপ হওক। তুমি অনন্যমনা হৈ মোৰ বাক্য পালন কৰা; সুৰগুৰু বৃহস্পতিয়ে তোমাৰ চিত্ত মোৰ প্ৰতি বিশেষৰূপে নিযুক্ত কৰক"।

সেইদৰেই পুৰোহিতে লগুণগাঁঠি দিয়াৰ সময়ত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, আদি দেৱতাসকলক সাক্ষী দি কয়—

"ওঁ ব্ৰহ্মা বিষ্ণুশ্চ ৰুদ্ৰশ্চ চন্দ্ৰাৰ্কাৱশ্বিনাবুভৌ।
তে ভৱা গ্ৰন্থিনিলয়ং দধতাং শাশ্বতী সমাঃ॥"

সম্প্ৰদানৰ আগত হোমৰ অনুষ্ঠানৰ মন্ত্ৰত বৰে কয়—

"ধৰ্ম্ম প্ৰজাসম্পত্ত্যৰ্থং পাণিগ্ৰহণং কৰিষ্যে।"

আকৌ,—"ওঁ সমঞ্জন্তু বিশ্বে দেৱা সমাপো হৃদয়ানি নৌ।
সম্মাতৰিশ্বা সন্ধাতা সমুদ্ৰেষ্টি দধাতু নৌ॥"

"সকলো দেৱতাই আমাৰ দুইৰো হিয়া মিলাই দিয়ক; বায়ু, ধাতা, বাগ্দেৱীয়ে আমাদুইকো সংযুক্ত কৰক।"

"যদেতদ্ধৃদয়ং তৱ তদস্তু হৃদয়ং মম।
যদিদং হৃদয়ং মম তদস্তু হৃদয়ং তৱ॥"

"দেৱি! এতিয়াৰপৰা তোমাৰ হিয়া মোৰ, আৰু মোৰ হিয়া তোমাৰ হওক।"

"প্ৰাণৈস্তে প্ৰাণান্ সন্দধামি অস্থিভিৰস্থিনী
মাংসৈৰ্মাংসানি ত্বচা ত্বচম্।"— ( উদ্বাহ পদ্ধতি )।

"তোমাৰ প্ৰাণেৰে মোৰ প্ৰাণ, তোমাৰ হাড়েৰে মোৰ হাড়, তোমাৰ মঙহেৰে মোৰ মঙহ, তোমাৰ ছালেৰে মোৰ ছাল মিলাওঁ।"

পোনতে সামাজিক শৃঙ্খলা স্থাপনৰ উদ্দেশ্যতে বিয়াৰ উৎপত্তি হোৱাই সম্ভৱ। কিন্তু হিন্দুৰ বিয়া সৰ্ব্বতোভাৱে ধৰ্ম্মকাৰ্য্যত পৰিণত হৈছে। গতিকে পোনতে পাশৱিক কাম ভাৱ, তাৰ পিচত সামাজিক বান্ধ বা শৃঙ্খলা, আৰু সৰ্ব্বশেহত ই ধৰ্ম্মকাৰ্য্য। গতিকে কোনো হিন্দুৱে মুখ্য ভাৱে, তিৰুতাক কামপ্ৰবৃত্তিৰ চৰিতাৰ্থ কৰাৰ সামগ্ৰী



বুলি ভাবিবৰ অধিকাৰ নাই। এই কাম ভাৱ বিয়ানৰ ধৰ্ম্ম অনুষ্ঠানৰ দ্বাৰা সম্পূৰ্ণ মাৰ্জ্জিত, অৰ্থাৎ 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা' কৰি লোৱা হৈছে। সেইদেখি এজন প্ৰকৃত হিন্দুৱে নিজ ভাৰ্য্যাক কি সন্মান আৰু শ্ৰদ্ধাৰ চকুৰে চাব লাগে, তাক আনে অনুমান কৰিব নোৱাৰে—

"প্ৰজনাৰ্থং মহাভাগাঃ পূজাৰ্হা গৃহদীপ্তাঃ।
স্ত্ৰিয়ঃ শ্ৰিয়শ্চ গেহেষু ন বিশেষোঽস্তি কশ্চাৎ॥"

সেই কাৰণেই ভাৰ্য্যাৰ আন নাম জায়া; কিয়নো পতিয়েই নিজ ভাৰ্য্যাৰ গৰ্ভত পুনৰ প্ৰবেশ কৰি পুত্ৰৰূপে জন্ম পায়।

"পতি ভাৰ্য্যাং সম্প্ৰবিশ্য গৰ্ভো ভূত্বেহজায়তে।
জায়য়া শুদ্ধি জায়াত্বং যদস্যাং জায়তে পুনঃ॥" (মনু)
'পতিৰ্জ্জায়াং প্ৰবিশতি গৰ্ভো ভূত্বেহমাতৰম্
তস্যা পুনৰ্ণবোভূত্বা দশমে মাসি জায়তে।
তজ্জায়া জায়া ভৱতি যদস্যাং জায়তে পুনঃ॥"

আকৌ ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত কৈছে—

"ভৰণাদেব ভৰ্ত্তা স পালনাৎ পতিৰুচ্যতে।
শৰীৰেশাচ্চ স স্বামী কামদাৎ কান্ত উচ্যতে॥
বন্ধুশ্চ সুখদানাচ্চ প্ৰীতি দানাৎ প্ৰিয়ঃপৰং।
ঐশ্বৰ্য্যদানাৎ ঈশশ্চ প্ৰাণেশাৎ প্ৰাণনাথকঃ॥

"স্ত্ৰীক ভৰণ-পোষণ দিয়াৰ বাবে ( স্বামীক ) ভৰ্ত্তা পালন কৰাৰ বাবে পতি, শৰীৰৰ গৰাকী বাবে স্বামী, কামদানৰ বাবে কান্ত, সুখ দানৰ কাৰণে বন্ধু, প্ৰীতি দানৰ হেতু প্ৰিয়, ঐশ্বৰ্য্য দানৰ বাবে ঈশ, প্ৰাণৰ গৰাকী কাৰণে প্ৰাণনাথ বোলা হয়।"

গাৰ্হস্থ্য জীৱনত তিৰুতাৰ ঠাই কি এই বিষয়ে মহাভাৰতৰ তলৰ উপাখ্যানৰ পৰা ভাল আভাস পাব পাৰি।

"অৰ্দ্ধং ভাৰ্য্যা মনুষ্যস্য ভাৰ্য্যা শ্ৰেষ্ঠতমা সখা।
ভাৰ্য্যা মূলং ত্ৰিবৰ্গস্য ভাৰ্য্যা মূলং তৰিষ্যতঃ॥
ভাৰ্য্যাৱন্তঃ ক্ৰিয়াৱন্তঃ স ভাৰ্য্যা গৃহমেধিনঃ।
ভাৰ্য্যাৱন্তঃ প্ৰমোদন্তে ভাৰ্য্যাৱন্তঃ শ্ৰিয়ান্বিতাঃ॥"

"ভাৰ্য্যা মানুহৰ অৰ্দ্ধাঙ্গিনী, ভাৰ্য্যা মানুহৰ পৰম সখা, ভাৰ্য্যা ত্ৰিবৰ্গৰ ( ধৰ্ম্ম, অৰ্থ আৰু কামৰ ) মূল; ভাৰ্য্যা সংসাৰ সাগৰৰ তৰী স্বৰূপ, ভাৰ্য্যাৱন্ত মানুহেই ক্ৰিয়াৱন্ত, ভাৰ্য্যা থকা সকলেইহে গৃহী, ভাৰ্য্যাযুক্ত সকলেইহে সুখী আৰু শ্ৰীমন্ত।"

সাধাৰণতে বুজা যায় এক পতি আৰু এক পত্নীয়েই হিন্দুৰ আদৰ্শ। স্বৰূপতে প্ৰথমা পত্নীকেইহে নিত্য বা ধৰ্ম্মপত্নী বা সহধৰ্ম্মিনী বোলা হয়। তাৰ পিচত কন্যা বিবাহ কৰিবৰ বিধান থাকিলেও, তেনে পত্নীক কাম্য পত্নীহে বোলা হয়। "ৰতি পুত্ৰধৰ্ম্মত্বেন বিবাহস্ত্ৰিবিধঃ তত্ৰ পুত্ৰাৰ্থো দ্বিবিধঃ নিত্যঃ কাম্যশ্চ"। গতিকে তিৰুতাৰ যদি এবাৰ কোনো পুৰুষক হৃদয় আৰু সৰ্ব্বস্ব অৰ্পণ কৰি পুনৰ আন এজনক সেইবোৰ অৰ্পণ কৰিবৰ অধিকাৰ নেথাকে, পুৰুষৰ বিষয়তো সেই একে কথাই নিশ্চয় খটা উচিৎ। কিন্তু যৌনতত্ত্ববিদ্‌সকলৰ মতে এই বিষয়ত পুৰুষ আৰু তিৰুতাৰ নানা প্ৰভেদ। সঙ্গমত পুৰুষৰ বীৰ্য্য তিৰুতাৰ গৰ্ভত স্থাপিত হয়; সেই কাৰ্য্যৰ ফল পুৰুষৰ বিষয়ত সিমানতে ওৰ পৰে; কিন্তু তিৰুতাৰ বিষয়ত তেনে নহয়। সেই বীৰ্য্য তিৰুতাৰ সৰ্ব্বাঙ্গত বিয়পি পৰে, আৰু গৰ্ভ স্থায়ী হওকেই বা নহওকেই, তিৰুতাৰ হৃদয়ত সেই অভিনৱ ক্ৰীড়া প্ৰায়ে সদায় যুগমীয়া হৈ ৰয়। পুৰুষে সেই তিৰুতাক পাহৰিব পাৰে, কিন্তু তিৰুতাই প্ৰায়ে সদায়েই নোৱাৰে। বহুতে কয় সাধাৰণ অৱস্থাত এই তিৰুতাই সেই পুৰুষত বাজে আন পুৰুষলৈ সততে ইচ্ছা নকৰে; কিন্তু কিবা ৰূপে সেই একৰ পৰা স্খলিত হব লাগিলেই সেই তিৰুতাই আৰু সতীত্ব ৰক্ষা কৰিব নোৱাৰি, বাৰাঙ্গনাৰ লেখত পৰাৰ শঙ্কাই সম্ভৱ। কিন্তু পুৰুষৰ তেনে অভিজ্ঞতা নাই দেখিয়েই, পুৰুষৰ প্ৰেম বহুমুখী আৰু তিৰুতাৰ প্ৰেম একমুখী বুলি কোৱা হয়।

এই কথাটো যেনেই হওক লাগে, ধৰ্ম্মতঃ যেতিয়া বিয়াৰ ফলত তিৰুতাই পুৰুষ আৰু পুৰুষে তিৰুতাৰ লগত হৃদয় আৰু প্ৰাণ সলনাসলনি কৰি, আমৰণ কিয়, জন্মে জন্মে সেই বান্ধত আঁট খাই থাকিবলৈ প্ৰতিজ্ঞা-বদ্ধ হয়, আৰু তাৰ পাচত পুৰুষে অৰ্দ্ধাঙ্গিনী হেৰালে যদি তাৰ ক্ষতিপুৰণ কৰি লবলৈ সুবিধা পায়, তিৰুতায়ো ইচ্ছা কৰিলে নিশ্চয় সেই সুবিধা পোৱা উচিত। কিন্তু এক পতি আৰু এক পত্নী সমাজৰ আদৰ্শ ৰূপে থকাই বাঞ্ছনীয় বুলি মনে ধৰে।

অতীতৰ ভাৰতত বৰ আৰু কন্যাৰ স্বাধীন বাছনিৰ প্ৰথা আছিল বুলি আমি জানিব পাৰো। সীতা, ৰুক্মিনী


দ্ৰৌপদী আদিৰ স্বয়ম্বৰেই তাৰ সাক্ষী। বৰ্ত্তমান হিন্দু সমাজত প্ৰায়ে এই স্বাধীনতা লোপ পাইছে। প্ৰাচ্য দেশবিলাকত বৰ আৰু কন্যাৰ স্বাধীন বাছনি প্ৰণালী পূৰ্ণভাৱে প্ৰচলিত। নিজৰ জীৱনৰ সঙ্গ নিজে বাছি লোৱা প্ৰণালী নিশ্চয় ভাল। কিন্তু যি বয়সত এই বাছনি হব লগা হয়, সেই কালত দৰা-কন্যা উভয়েই সাধাৰণতে সংসাৰত অনভিজ্ঞ থাকে বুলিয়েই, বোধ কৰোঁ, হিন্দু সমাজত বৰ-কন্যাৰ অভিভাৱকে সেই বাছনি হাতত লোৱাৰ নিয়ম চলে। ইয়াৰ কোনো বাছনিয়েই এক-বাৰে দোষৰ হাত সাৰিব নোৱাৰিলেও, পশ্চিমীয়া ধৰণৰ বাছনিৰ দৰে ইটো বাছনিত তেনে বৰ ডাঙৰ বেমেজালি দেখা নেযায়। ডেকা বয়সত লোকক ৰূপজ মোহেই সাধাৰণতে অধিকাৰ কৰি পেলায়; তাৰ উপৰি মানুহৰ চৰিত্ৰ বুজিবৰ কাৰণে ৩।৪ বছৰ নেলাগে ৭।৮ বছৰো প্ৰায়ে অতি কম সময়। গতিকে অনেক সময়ত উপকৰা ভাৱে বিশেষ ভূ-ভা লৈও কোনো লোকৰ চৰিত্ৰ আৰু স্বভাৱৰ বিষয়ে তাতকৈ ভাল অনুসন্ধান পোৱা সম্ভৱ। সেইদেখি আংশিক ভাবে বৰকন্যাৰ মন, স্বভাৱ আৰু চৰিত্ৰলৈ লক্ষ্য ৰাখি, আৰু তাৰ সামঞ্জস্য আদিলৈ মন কৰি, অভিভাৱকৰ বাছনি অনুসাৰে বিয়াৰ প্ৰচলন হোৱাটোকেই তুলনাত প্ৰকৃষ্ট উপায় বুলিব পাৰি।

বাইবেল শাস্ত্ৰৰ মতে, ঈশ্বৰে পোনতে আদি মানুহ (এডাম) সৃজিলে আৰু তেওঁৰ হাড় মঙহৰ পৰাই আদি তিৰুতা (ঈভ) সৃজন কৰি তেওঁক গতাই দিলে। সেই কাৰণেই তিৰুতা স্বৰূপতে পুৰুষৰ অৰ্দ্ধাঙ্গিনী বা 'বেটৰ হাফ্'। এনে উপকথা আজি কালি অতি কম লোকেহে সচা বুলি অনুমান কৰে। সম্প্ৰতি ইউৰোপ আদি ঠাইত বিয়া এটা গাইগোটা সুখৰ বাবে কৰা সামাজিক বান্ধোন মাথোন। ইউৰোপৰ নাটক উপন্যাসত প্ৰায়ে দেখা যায়, তেওঁলোকৰ বিষয়ত ভাল পোৱাৰ বাবে ভাল পায় আৰু সুখ সম্পদৰ কাৰণে বিয়া কৰায়; যিজনক ভাল পায় তেওঁক হয়তো বহুত কাললৈ ভাল পায়ে থাকিব, কিন্তু বৈবাহিক জীৱনত সুখ সম্পদৰ আশা কম থকাৰ বাবে আনৰ লগতেই বৈবাহিক সম্বন্ধ ঘটিব পাৰে। এনে অৱস্থা কোনো মতে সভ্য জগতৰ উপযুক্ত বুলিব নোৱাৰি। হিন্দু সমাজত ধৰ্ম্ম আৰু সমাজৰ নানা দোহাই দি, নানা নিয়মেৰে বান্ধি বিয়াক এটি সুশৃঙ্খলিত অনুষ্ঠান কৰা বাবেই আজিও হিন্দুৰ গাৰ্হস্থ্য আশ্ৰমৰ পৰা শান্তিৰ শীতল ছাঁয়া একেবাৰে আঁতৰিব পৰা নাই।

শুচীয়া সুখৰ কাৰণে বিয়া কৰোৱা বা তিৰুতাক কেৱল পাশৱিক ভোগৰ অৱলম্বন বুলি ভবাটো সঙ্গত বুলিব নোৱাৰি। বিয়াৰ লক্ষ্য হৈছে গাৰ্হস্থ্য আশ্ৰম স্থাপন। এই আশ্ৰমত থাকলৈ নোতোৱাই আছি সময়ত এমুঠি খাবলৈ পাব লাগিব, পিয়াহত আতুৰ জনে পিয়াহ গুচাবলৈ এচলু পানী পাব লাগিব, নিৰাশ্ৰয়জনে বিচাৰি ৰাস্তেকৰ বাবে এফেৰি আশ্ৰয় পাব লাগিব। কবিৰ ভাষাৰে, এই আশ্ৰম—"সংসাৰ মৰুৰ শ্যাম বটবৃক্ষ ৰূপা; সন্তাপীৰ সুখ, পাপীৰ ত্ৰাণ"। আকৌ "গৃহিণী গৃহমুচ্যতে"। "ঘৈনীয়েই ঘৰ, ঘৈনী নহলে ঘৰো অৰণ্য"। প্ৰকৃত ঘৈনীয়েই ঘৰৰ লক্ষ্মীস্বৰূপা; শক্তিৰ নিদান ৰূপে তেওঁ স্বামীক শক্তিমন্ত কৰি "বেলিটিৰ দৰে পঠিয়াবা কামলৈ, সন্ধিয়াৰ দৰে হৰিবা ভাগৰ" আৰু "তৃষিত মৰত মুখে ঢালিবা পীযূষ, অন্ন দিবা অন্নপূৰ্ণা হই" (প্ৰতিমা)—ঘৈনীৰ আদৰ্শ ইয়াতকৈ কোনো গুণে কম নহয়। মুঠতে "সংসাৰত ঈশ্বৰৰ কাৰ্য্য কৰিবলৈ, মানুহক দিবলই ছিয়া"—স্ত্ৰী পুৰুষ একমতি হৈ, পাৰিবাৰিক আৰু সামাজিক জীৱনৰ মাজেদি শান্তিৰ শীতল সুঁতি এটি বোওৱাই দাম্পত্য প্ৰেম আৰু বৈবাহিক জীৱনৰ সাৰ্থকতা।

শ্ৰীভিম্বেশ্বৰ নেওগ।

---



চন্দ্ৰকান্ত সন্দিকৈ হল।

(এতে সাহিত্য সভাৰ কাৰ্য্যালয়।)

দৰ্পণ প্ৰেচ—যোৰহাট।

# কান্তেশ্বৰৰ গড় বা প্ৰাচীন কমতাপুৰৰ ধ্বংসাৱশেষ।

সৰুকালতে কমতাপুৰ ৰাজ্যৰ কথা আৰু প্ৰতাপী খেন বংশী ৰজাসকলৰ বিৱৰণ জানিবৰে পৰা প্ৰাচীন কামৰূপৰ গৌৰৱমণ্ডিত নগৰ কমতাপুৰৰ ধ্বংসাৱশেষ চাবৰ মন আছিল। কিন্তু আন নানা প্ৰকাৰ ইচ্ছাৰ নিচিনা এই ইচ্ছাও আমাৰ মনতে আছিল। এই পৰ্য্যন্ত এই ইচ্ছা ফলৱতী হোৱা নাছিল। পিচত যোৱা ১৮৪৯ শকত আসাম সাহিত্য সভাৰ প্ৰতিনিধি স্বৰূপে কোচবিহাৰ ৰাজ্যত অসমীয়া সাহিত্যৰ অনুসন্ধান কৰিবলৈ যোৱা সুযোগত কান্তেশ্বৰৰ গড় বা ইতিহাস-বিখ্যাত সেই কমতাপুৰ নগৰৰ ধ্বংসাৱশেষখিনিও চাই-চিতি অহা হ'ল। আমাৰ যোৱা হৈছিল বাৰিষা। বাৰিষাৰ অসুচল অৱস্থাত আমি যি বিৱৰণ সংগ্ৰহ কৰিব পাৰিছোঁ তাক প্ৰত্নতাত্ত্বিক সুধীসকলৰ অৱগতিৰ নিমিত্তে যথাযথ ৰূপে তলত প্ৰকাশ কৰিলোঁ।

কমতাপুৰৰ বিৱৰণ লিখাৰ আগতে আমাৰ যাত্ৰাৰ সংক্ষেপ বিৱৰণ অলপ দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। দীনহাটাৰ 'চবডিভিজনেল অফিচাৰ" বা হাকিম বাবুৰ অনুগ্ৰহত কমতাপুৰ চাবলৈ কোচবিহাৰৰ ৰাজকীয় হাতী এটা পোৱা হৈছিল। বৰ প্ৰকাণ্ড হাতী। প্ৰকাণ্ড হাতীৰ গাদীও প্ৰকাণ্ড। অসমত ক'তো হাতীৰ তেনে প্ৰকাণ্ড গাদী দেখা নাই। কেৱল গৌৰীপুৰৰ ৰাজা বাহাদুৰে কোচবিহাৰৰ পৰা মাজে সময়ে তেনে ২।৪ খন গাদী কৰাই আনে বুলি শ্ৰীমান প্ৰিয়ভূষণ চক্ৰবৰ্ত্তীৰ মুখে শুনিলোঁ।

প্ৰিয়ভূষণ কোচবিহাৰৰ স্বৰ্গীয় মহাৰাজ নৃপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰৰ পাৰিষদ আছিল। মহাৰাজাৰ মৃত্যুৰ পিচৰ পৰা কাৰেঙৰ বাহিৰত আছে। এই যাত্ৰাত প্ৰিয়ভূষণ আমাৰ সঙ্গী আৰু কমতাপুৰ দেখুওৱাৰ পাণ্ডা আছিল। শ্ৰীমান প্ৰিয়ভূষণৰ সহায়ত কান্তেশ্বৰৰ গড়ৰ সকলো দ্ৰষ্টব্য স্থান ভালৰূপে চাব পাৰিছিলোঁ। আৰু প্ৰবাসত থাকিও প্ৰবাসৰ কোনো অসুবিধা ভোগ কৰা নাছিলোঁ।

গজৰাজৰ পিঠিত আমাৰ সামান্য বয়-বস্তু তুলি দি আমি সকলোবিলাক উঠি বহিলো। মাউতে সৈতে পাঁচ-জন হলেও প্ৰকাণ্ড গজৰ প্ৰকাণ্ড গাদীত আৰু ২।১ জনৰ নিমিত্তে যথেষ্টৰূপে ঠাই পৰি থাকিল। ধীৰ মন্থৰ গতিৰে আমাৰ যাত্ৰা আৰম্ভ হল। পুৱা বেলা আমাৰ অসমৰ গাৱঁৰ নিচিনা নানা গাৱঁৰ মাজে মাজে আমি যাবলৈ ধৰিলোঁ। মনত নানা ভাবৰ উদয় হল। কমতাপুৰৰ প্ৰাচীন গৌৰৱ, খেন ৰজাসকলৰ প্ৰবল প্ৰতাপৰ কথা, মুছলমানসকলৰ অৱৰোধ, মুছলমান বীৰবিলাকে অধিকাৰ কৰিব নোৱাৰি ছল কৰি কমতা অধিকাৰ কৰাৰ কথা আদি কত কথা যে মনত পৰিল তাক কৈ শেষ কৰিব নোৱাৰি। এইবোৰ চিন্তাৰ মাজতে মাজে সময়ে শ্ৰীমান প্ৰিয়ভূষণৰ লগত প্ৰাচীন ইতিহাসৰ বিষয় দুই চাৰি আমাৰ কথা-বতৰা হোৱা গৈছিল। প্ৰায় সৰহভাগ কথাই আছিল, প্ৰাচীন কামৰূপ ৰাজ্যৰ পূৰ্ব্বগৌৰৱ আৰু কোচ ৰজাসকলৰ জ্ঞান বিদ্যা, সাহিত্যানুৰাগ প্ৰভৃতি বিষয়ক। ইয়াত এটা কথা উল্লেখ নকৰি নোৱাৰিলোঁ যে বাটত যাওঁতে লেংটী পিন্ধা, নতুনকৈ বৰ্দ্ধন হোৱা বাবে দীঘল লগুণ পিন্ধা ৰাজবংশী বৰ্দ্ধনবিলাকে বৰকৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বোধ কৰো আগৰ-পৰা বৰ্দ্ধন হোৱাৰ কথা-বতৰা শুনি থকাৰ কাৰণেই এনে হৈছিল।

যাত্ৰীদলৰ ভিতৰত অকল ময়ে মাত্ৰ আছিলোঁ নিৰামিষ-ভোজী। আন সকলোবিলাক চাহ, চিগাৰেটৰ নিষ্ঠাবান্ একান্ত ভক্ত। এই ভক্ত কেইজনৰ মোৰ নিচিনা অভক্তৰ সংসৰ্গ যে অসুবিধাজনক আছিল তাক বুজিব পাৰিছিলোঁ। যি হওক এনেকৈ বজাত গৈ কান্তেশ্বৰৰ গড় দেখা পালোঁ। তাৰপৰা এবন্টামান বাট গৈ গোসাঁনীমাৰীত উপস্থিত হলো।

গোসাঁনীমাৰী কমতাপুৰৰ ভিতৰৰে এখন ঠাই। কমতাপুৰৰ ৰাজ কাৰেঙৰ ওচৰৰ পৰা ভগৱতী কমতেশ্বৰী গোসাঁনীক তুলি আনি মহাৰাজ প্ৰাণনাৰায়ণে এই ঠাইত

নতুন মঠ কৰি দি বহুল পৰিমাণে মাটি বাৰী দি পূজা সেৱাৰ ব্যৱস্থা কৰি, স্থাপন কৰে। তেতিয়াৰপৰা কমতেশ্বৰী গোসাঁনীৰ নামে সেই ঠাইৰ নামো গোসাঁনীমাৰী হল। গোসাঁনীমাৰীত এখন বৰ ডাঙ্গৰ হাট বহে, আৰু তাত অনেক ভাল ভাল দোকান পোহাৰো আছে। ভাল চাদা ধপাতৰ কাৰবাৰো হয়। মগবিলাকে প্ৰায় গোটেই বছৰ তাত থাকি ধপাত কিনা-বেচা কৰে আৰু সুবিধামতে আন আন ঠাইলৈকো চালান দিয়ে। কোচবিহাৰ ৰাজ্যৰ এই অঞ্চলতে ভাল ধপাত হয়।

আমি গৈ আই গোসাঁনীৰ বৰ-দেউৰী শ্ৰীযুত যজ্ঞনাৰায়ণ ঝাঁ মহাশয়ৰ অতিথি হলোঁ। যজ্ঞনাৰায়ণ ঝাঁৰ নামে কোচবিহাৰৰ দেৱোত্তৰ বিভাগৰ অধিকাৰীৰ চিঠি আছিল। গতিকে আমাৰ শুশ্ৰূষা যে যোড়শ উপচাৰে হল তাক নকলেও হব। সেইদিনা তাত থাই বই উঠি ভাটী বেলাটো বিশ্ৰাম লোৱা হল।

ৰাতি মাউতে হাতীটো বান্ধা খুলি এনৰ মানুহৰ বাৰীত এৰি দি আহিল। তাত বোলে মাউতে গাৰঁলৈ গলে সেইদৰে ৰখাৰ হাতী এৰি দিয়ে। ঘাঁহ-পানী বিচাৰ কৰাৰ কোনো ৰকমৰ দিগ্‌দাৰ সহ্য কৰিব নেলাগে। ৰাতি এটা ঘটনা হল। মাউতে যাৰ বাৰীত হাতী এৰি দিছিল হাতী গৈ তাৰ থকা ঘৰৰ পিচফালে উপস্থিত হৈ কলগছ ভাঙ্গিলে। সেই ঘৰতে আসন্ন প্ৰসৱা গৃহিনী জনীও আছিল। ভয়তে তেওঁৰ মূৰ্চ্ছা হবৰ উপক্ৰম হোৱাত গিৰীয়েকজন আহি বৰ-দেউৰীৰ জৰিয়তে মাউতক জগাই নি হাতী খেদি আনি আন এঘৰ মানুহৰ বাৰীত সুমাই দিলে। গৃহস্থজনে পুৱা আহি মোত গোছৰ দিলে। মাউতে ৰাতি হাতী এৰি দি তাৰ বহুত কলগছ, আনাৰস নষ্ট কৰিলে। এডাল কথাল গছও ভাঙ্গিলে। এই দৰে তাৰ বাৰী নষ্ট নকৰি যিমান লাগে কলগছ ভাঙ্গি আনি দিলে তাৰ কোনো আপত্তি নাছিল। মোৰ মহা বিপদ হল। মাউতক কিবা কলে সি মোৰ কথা শুনেনে নাই তাৰো একো স্থিৰতা নাই। অথচ গৃহস্থজনকো প্ৰবোধ দিয়াৰ দৰ্কাৰ। পিচত যি হয় হব সম্প্ৰতি সি নো কি প্ৰতিকাৰ বিচাৰে তাকে সোধা যাওক বুলি ভাবি, সোধাত সি কলে যে, যি হৈ গল গলেই, এতিয়া হাতীটো খেদি আনিলেই হয়। মই মানুহজনৰ ভাব গতি দেখি বুজিলোঁ, সি এইখিনি কথাও সাহ কৰি কব নোৱাৰে। কি জানি কিবা জগৰ লাগে। মানুহজনে মোক বোধ হয় এজন ডাঙ্গৰ বিষয়া বুলি ভাবিছিল। যি হওক মাউতক কৈ হাতীটো ধৰাই অনালোঁ; তাতে মানুহজন কৃতাৰ্থ হোৱা যেন পালোঁ। মইও কোনোমতে ৰাজ সাৰিলোঁ।

## প্ৰাচীন কমতা নগৰ।

কমতাপুৰ নগৰৰ ধ্বংসাৱশেষ বৰ্ত্তমান কোচবিহাৰ ৰাজধানীৰ পৰা ১৫ মাইলমান দূৰৈত আছে। ঠাইডোখৰ কোচবিহাৰ ৰাজ্যৰ অন্তৰ্গত। অনেকে কমতাপুৰ ৰংপুৰ জিলাৰ ভিতৰত বুলি ভাবি ভুল কৰে। আন কি আসাম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সভাপতি শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ অভিভাষণতো এই ভুল আছে। আৰু তাকে লক্ষ্য কৰি প্ৰান্তবাসী বুলি ধুবুৰীৰ পৰা ওলোৱা বঙ্গালী কাকতখনত কোনোবাই ঠট্টা কৰি এটা প্ৰবন্ধও লিখিছিল। কমতাপুৰ দুই ভাগে বিভক্ত আছিল। বাহিৰ কমতা আৰু ভিতৰ কমতা। গড়ৰ ভিতৰৰ খণ্ডক ভিতৰ কমতা আৰু বাহিৰৰ খণ্ডক বাহিৰ কমতা বোলে। এতিয়াও পুৰণি কাকতে পত্ৰে ভিতৰ কমতা, বাহিৰ কমতা আদি নাম পোৱা যায়। কমতাপুৰৰ ভিতৰত তলত লিখা ঠাইবোৰেই চাব লগীয়া। যথা—১। কান্তেশ্বৰৰ গড় ২। ৰাজ—পাট ৩। শীতলাবাস ৪। টাক শাল ৫। গোসাঁনী-মাৰী। এই বিলাকৰ চমু বিবৰণ তলত এটা এটাকৈ দিয়া হল।

### ১। গড়।

গড়টো অতি প্ৰকাণ্ড। সৰু পাহাৰৰ শাৰী যেন দেখি। এতিয়াও ঠায়ে ঠায়ে ২০।৩০ ফুট্ ওখ হৈ আছে। গড়ৰ চাৰিওফালে গড়ৰে অনুৰূপ গড়খাৱৈ। ঠায়ে ঠায়ে পানী আছে। কালস্ৰোতত মাজে মাজে পোত গৈছে। বহল কিমান আছিল ঠিককৈ কব নোৱাৰি। এতিয়াও গুৰিত ১২।১৪ টাৰৰ কম নহব। গড়টো চতুষ্কোন।



চাৰিওফালৰ জোখ ২৪।৩০ মাইলৰ কম নহব। পূবৰ পৰা পশ্চিমলৈ ৮।১০ মাইলমান হব। উত্তৰ-দক্ষিণেও প্ৰায় সিমানেই বুলি শুনিলোঁ। এই প্ৰকাণ্ড গড় বা দুৰ্গ প্ৰাকাৰ দেখি মনত পৰিল প্ৰাচীন কামৰূপ ৰাজ্যৰ গৌৰৱৰ কথা; কামৰূপী সেনাপতি সকলৰ ৰণনৈপুণ্য, স্থপতিসকলৰ নিৰ্ম্মানকৌশল, দুৰ্গ নিৰ্ম্মানৰ বিধিব্যৱস্থা, আৰু সৰ্ব্বোপৰি কমতাপুৰৰ শত্ৰু সৈন্য ভয়ঙ্কৰ কামৰূপী বাহিনীৰ কথা।

### ২। ৰাজ-পাট।

ৰাজ-প্ৰাসাদ থকা ঠাই ডোখৰকে স্থানীয় মানুহে ৰাজপাট বোলে। ৰাজপাট গড়ৰ ভিতৰতৰ প্ৰায় কেন্দ্ৰ ঠাইতে। ৰাজপাটৰ চাৰিওফালে আয়তক্ষেত্ৰৰ আকাৰে ক্ৰমান্বয়ে এটি গড় খাৱৈ, এটি গড়, এইদৰে চাৰিটা গড়-খাৱৈ আৰু তিনিটা গড়। সকলোবিলাক গড়খাৱৈ আৰু গড় সমান্তৰাল। এই গড়বোৰো সৰুসুৰা নহয়। এতিয়াও তাৰ যি আকাৰ বৰ্ত্তমান আছে, তাকে দেখিলেই পূৰ্ব্বৰ আকাৰ অনুমান কৰিব পাৰি। এই গড়বিলাকৰ প্ৰতি কোণতে ভিতৰৰ ফালে গড়খাৱৈৰ লগত একেলগে একোটা সৰু পুখুৰী আছে। এইবোৰ পুখুৰি যে কি কাৰণত খনোৱা হৈছিল, তাক প্ৰাচীনকালৰ দুৰ্গাদি নিৰ্ম্মান বিধিত অভিজ্ঞলোক নহলে কোৱা টান। কিন্তু সি যে খোৱা পানীৰ বাবে নহয় তাক সহজে কব পাৰি। আমাৰ অনুমান (বিশেষজ্ঞ নহলেও) এইবিলাক পুখুৰী কোনো সাময়িক প্ৰয়োজনৰ বাবে খনা হৈছিল। কি জানি সেইবোৰ অস্ত্ৰসস্ত্ৰ বা খাৰবাৰুদ থোৱা ঠায়েই আছিল। কালক্ৰমত তাৰ পকী চাল খহি পৰি পুখুৰীৰ নিচিনা হৈ আছে।

ওপৰত বৰ্ণোৱা তিনি শাৰী গড়ৰ মাজত প্ৰকাণ্ড ৰাজপ্ৰাসাদ মাটিত পোত খাই আছে। ভয়ঙ্কৰ জঙ্গল। বনৰজাৰো ভয় আছে। অৱশ্যে আমাৰ সঙ্গী দুজন—শ্ৰীমান প্ৰিয়ভূষণ আৰু শ্ৰীযুত যজ্ঞনাৰায়ণ ঝাঁ মহাশয় সুদক্ষ চিকাৰী আৰু অতি সাহসী লোক। লগত বন্দুকো আছিল। গতিকে ভয়ৰ কাৰণ থাকিলেও বিশেষ ভয় লগা নাছিল। জঙ্গল ভাঙ্গি ভাঙ্গি গৈ ওপৰত উঠিলোঁ। ওপৰখন সমতল। মাজতে অলপ আশ্ৰমৰ নিচিনা আছে। তাত ফল-ফুলৰ গছো অলপ আছে। শুনিলোঁ বোলে তাত কিছুদিনৰ আগেয়ে এজন সন্ন্যাসী আহি আছিল। আৰু তেৱেঁই সেইবোৰ কৰিছিল। পিচত কোচবিহাৰৰ পৰা কিবা আপত্তি উঠাত তেওঁ তাৰপৰা গল। কি কাৰণত কি আপত্তি উঠিছিল তাক ভাল দৰে বুজু নাপালোঁ। আশ্ৰমৰ অলপ দূৰৈতে পুৰণি কালৰ এটা শিলেৰে বন্ধোৱা পাত কি আছে। ঠাইডোখৰ ৰজা মহাৰাজা বা ধনী মানুহৰ বন-ভোজনৰ বিশেষ উপযোগী। এয়ে কিজানি সন্ন্যাসী থকাত আপত্তি হোৱাৰ কাৰণ।

ৰাজ-প্ৰাসাদটো কিমান ডাঙ্গৰ আছিল হাবি হৈ থকাৰ কাৰণে তাক ভালদৰে অনুমান কৰিব নোৱাৰি। তথাপি এক মাইলৰ এক তৃতীয়াংশৰ কম নহব যেন লাগিল। এই কালকবলিত প্ৰাসাদটো দেখি শিৱসাগৰৰ তলাতলি ঘৰলৈ মনত পৰিল। আৰু দুয়োটা প্ৰাসাদৰে নিৰ্ম্মান কৌশলৰ সাদৃশ্য থকা যেন অনুমান হল। গতিকে মনত পৰিল কোচবিহাৰৰ ঘনশ্যাম মিস্ত্ৰীৰ কথা, যি জনে তলাতলি ঘৰ তৈয়াৰ কৰিছিল। আৰু মনত পৰিল প্ৰাচীন কামৰূপৰ স্থপতি বিদ্যা আৰু পৈণত স্থপতিসকলৰ কথা। ৰাজ-প্ৰাসাদৰ একাংশৰ কোনো এটাত ইটাৰ গাঁথনি ভালদৰে দেখাই যায়।

ৰাজ-প্ৰাসাদৰ বাহিৰে দুটা গড়ৰ বাহিৰত এটা ওখ ভিঠা আছে। তাতে ভগৱতী কমতেশ্বৰীৰ মন্দিৰ থকা বুলি লোকে কয়। পৰিখা পাৰ হবলৈ তাৰ ওচৰেদি দুপন সেতু থকাৰ কথাও কিম্বদন্তীৰ আকাৰে এতিয়ালৈকে লোকসমাজত প্ৰচলিত আছে। তাৰপৰা মহাৰাজা প্ৰাণনাৰায়ণে দেৱী কমতেশ্বৰীক আনি বৰ্ত্তমান মঠ সাজি দিয়াৰ কথা আগতে কোৱা হৈছে।

### ৩। টাকশাল।

ৰাজপাটৰ পৰা ডেৰ মাইল কি দুমাইল মান দূৰৈত টাকশাল। ঠাইডোখৰ জঙ্গলে আবৰি আছে। ক'ত কি আছে ভাল দৰে দেখা নাযায়। মজে মাজে ওখ ভেটি আছে। সেইবোৰ আগৰ পকীঘৰ আছিল। এতিয়া মাটিত পোত গৈ আছে। কিছুমান চাৰিকোণীয়া শিল আছে। সেইবিলাক দেখাত পেৰা যেন দেখি।

গাত তলা-ছাবি লগোৱাৰ নিচিনা খাঁজ কটা আছে। স্থানীয় মানুহে সেই কাৰণে সেইবোৰক কান্তেশ্বৰ ৰজাৰ টকা থোৱা পেৰা বুলি কয়। মুছলমানৰ হাতত ৰজা ঘাটিলত ৰজাৰ ঘৰ-দুৱাৰ, পেৰা-পেটাৰি টকা-কৰি ধন সোণ সকলো শিল হৈ পৰি ৰল, ম্লেচ্ছৰ স্পৰ্শত অপবিত্ৰ হব বুলি। আমাৰ অনুমান হল যে সেইবোৰ খুঁটা নাইবা আন কিবা কৰিবলৈ আৱশ্যক হোৱাত খাঁজ কাটি কাটি থৈ দিছিল। পিচত সেইবোৰ অসম্পূৰ্ণ অৱস্থাতেই পৰি থাকিল। নাইবা কোনো প্ৰাকৃতিক বিপ্লৱত সেইবোৰ শিল জোৰা স্থলকি তাত পৰি আছে। সঙ্গী কেইজনক এই কথা কোৱাত তেওঁলোকেও সমৰ্থন কৰিলে। হাতীৰ পৰা নামি দুটা এটা শিলৰ পেৰা লাৰি-চাৰি পিতিকি চোৱাত আমাৰ আগৰ অনুমানটো ডাঠ হল। আমি গৈছিলোঁ ধাৰিষা, গতিকে অনেক চাব লগা বস্তুও চাব নোৱাৰিলোঁ। যি চালোঁ সিও আধকৰা। খৰালি হাবি পুৰি পেলাব পাৰি, গতিকে চাবৰ বিশেষ সুবিধা। শ্ৰীযুত যজ্ঞনাৰায়ণ ঝাঁ মহাশয়ে খৰালি গলে এইবোৰ ভালদৰে দেখুৱাবলৈ গাত ললে।

## ৪। শীতলাবাস।

শীতলাবাস শব্দৰ অৰ্থ—শীতল আবাস অৰ্থাৎ গৰম কালি ৰজাৰ থকা ঠাই। শীতলাবাস ৰাজপাটৰ পৰা ৬।৭ মাইল মান দূৰৈত। শীতলাবাস এতিয়া এখন গাওঁ। ইয়াতে পুৰণি কালৰ পৰিখাৰ চিন আছে। মাজে মাজে ওখ ঠাইও আছে। সেইবোৰ ঘৰৰ ভেঁটি যেন লাগে। তাৰ অনেকত এতিয়া মানুহৰ ঘৰ-বাৰী, খেতি-পথাৰ আছে। চাবলগীয়া বস্তুৰ ভিতৰত এটা ডাঙৰ শিলৰ চৰিয়া আছে। দেখাত আমাৰ হাজোত থকা ভীমে পইটা খোৱা চৰিয়াৰ নিচিনা। ব্যাস ৬ ফুট হব। গভীৰ ৩ ফুট। কাণৰ বহল ৩ ইঞ্চিমান। চৰিয়াটোৰ একালে অলপ ভাগিছে। চৰিয়াৰ গা বৰ নিমজ নহয়। কিছুপৰিমাণে ওখোৰা-মোখোৰা। আন আন ঐতিহাসিক ঠাইতো এনে ধৰণৰ শিলৰ গা ধোৱা চৰিয়া আছে। এই গাধোৱা চৰিয়াটোৱে শীতলাবাসৰ অৰ্থ পৰিস্কাৰকৈ ৰাখিছে। কামৰূপ অনুসন্ধান সমিতিয়ে ইয়াক আনিব পাৰিলে ভাল।

শীতলাবাসৰ পৰা ঘূৰি আহিবলৈ ধৰোতে শ্ৰীযুত যজ্ঞনৰায়ণ ঝাঁৰ প্ৰস্তাৱ মতে আমাৰ সহযাত্ৰী মুছলমান পোষ্ট-মষ্টাৰ আৰু মাউত্তৰ নিমিত্তে দুটা পখী চিকাৰ কৰা হল। এটা পানীকাউৰী আনটোও কিবা জলচৰ পক্ষী; নামটো পাহৰিলোঁ। অব্যৰ্থলক্ষ প্ৰিয়ভূষণৰ গুলিত চৰাইদুটা আধামৰা হলেও মুছলমানী প্ৰথামতে মাউতজনে জবাই কৰিলে। প্ৰিয়ভূষণৰ আৰু চিকাৰ কৰিবৰ মন থাকিলেও অধিক ৰাতি হোৱাৰ ভয়ত আৰু বিশেষকৈ মোৰ অনিচ্ছাত সি হৈ নুঠিল। সকলোবিলাক ৰাতি ৯।১০ মান বজাত ঘূৰি আহি গোসানীমাৰীত শ্ৰীযুত যজ্ঞনাৰায়ণ বৰদেউৰীৰ ঘৰত ভগৱতীৰ প্ৰসাদ লোৱা হল। অৱশ্যে মুছলমান দুজন বাদ। তেওঁলোকে সেই চিকাৰৰ পখীৰে আত্মপূজা সম্পূৰ্ণ কৰিলে।

## ৫। গোসানীমাৰী।

গোসানীমাৰী ঠাই ডোখৰৰ বৰ্ণনা আগেয়ে অলপ দিয়া হৈছে। তাতে হাট বজাৰৰ কথাও কোৱা হৈছে। হাট বজাৰৰ লগে লগে অনেক আনুষঙ্গিক ভাল বেয়া কথা তাত আছে। আমাৰ ২।৪ দিনৰ অভিজ্ঞতাৰ পৰা সেই বোৰ বিষয়ৰ বৰ্ণনা নকৰাহে ভাল। সেই কাৰণে সেইবোৰ কথা নকৈ গোসানীৰ কথাহে অলপ কোৱা যাব।

গোসানী কমতেশ্বৰীৰ বৰ্ত্তমান মন্দিৰ মহাৰাজা প্ৰাণনাৰায়ণৰ নিৰ্ম্মিত বুলি আগেয়ে আন প্ৰসঙ্গত কোৱা হৈছে। মহাৰাজ প্ৰাণনাৰায়ণ বিদ্যোৎসাহী আৰু ধৰ্ম্মপৰায়ণ নৃপতি আছিল। তেওঁ গোসানীৰ মন্দিৰৰ বাহিৰে আন আন অনেক দান পুণ্য কৰাৰ কাহিনীও পোৱা যায়। তেওঁ এসময়ত নিজৰ জোখ পৰিমানে সোণৰ প্ৰতিমূৰ্ত্তি এটা কৰিও গঙ্গাৰ পাৰত ব্ৰাহ্মণক দান কৰিছিল।

মন্দিৰৰ চাৰিওকাষে চাৰিকোনীয়া পকী গড়। গড়ৰ পৰিমাণ প্ৰত্যেক ফালে ৩০ টাৰমানকৈ হব গতিকে গড়ৰ ভিতৰৰ ভূমিৰ পৰিমাণ ৭।৮ বিঘা মানৰ কম নহব। গড়ৰ চাৰিও কোণত চাৰিটা সৰু মন্দিৰ। এই সৰু মন্দিৰ চাৰিটা দুৰ্গৰ ওপৰত প্ৰহৰী থকা ঘৰৰ নিচিনা। গড়টোও সৰু দুৰ্গ যেন দেখি। উত্তৰ ফালে সোঁমাজতে সিংহদ্বাৰ, তাৰ ঠিক ওপৰতে নহবত্খানা। গড়ৰ ওপৰেদি উঠি যোৱা জখলা আছে। জখলাও পকা। এতিয়াও ভগৱতীৰ চুলীয়া পাইকে সেই নহবত্খানাৰ ওপৰত বহি পুৱা গধূলি নহবত্ বজায়। সিংহদ্বাৰেদি ভিতৰ সোমাইয়েই নাট-মন্দিৰ পোৱা যায়। নাট-মন্দিৰ এৰি গৈ জগমোহন। তাৰ পিচত মন্দিৰ। মন্দিৰ সৰু নহয়। ডাঙৰ মন্দিৰটো যোৱা ১৩০৪ চনৰ বিখ্যাত ভূমি-কম্পত অলপ হলিছিল। এতিয়াও সেই হলাৰ চিন অলপ আছে। বৰদেউৰীয়ে কৈছিল, আগেয়ে বেচি পৰিমাণে হলা আছিল। এতিয়া ভগৱতীৰ কৃপাত পোন হৈ আহিছে। ভূমিকম্পৰ পিচত নতুনকৈ চূণ-কাম কৰা হৈছিল।

মন্দিৰৰ সোঁমাজতে ভগৱতীৰ সিংহাসন। তাত দেৱী কমতেশ্বৰীৰ মূৰ্ত্তি বিৰাজিত। মূৰ্ত্তি এছটা সৰু শিলত কটা। মূৰ্ত্তি ঠানুৱা নহয়। দেখাত বৌদ্ধ যোগিণী মূৰ্ত্তি যেন অনুমান হয় (যদিও আমাৰ মূৰ্ত্তি পৰিচয়ৰ বিশেষ জ্ঞান নাই)। ভগৱতীৰ মূৰ্ত্তি থাকিলেও আচল পূজা হয় যন্ত্ৰতহে।

যন্ত্ৰটো এটা সোণৰ টেমাৰ ভিতৰত থাকে। সেইটো কোনেও মেলি চাব নোৱাৰে। যোৰহাট নগৰত যি বুঢ়ী গোসাঁনীৰ থান আছে তাতো এইদৰে সোণৰ টেমাৰ ভিতৰত থকা যন্ত্ৰতহে পূজা হয়। তাতো কোনেও টেমা মেলি চাব নোৱাৰে। হাজোৰ হয়গ্ৰীৱ মাধৱতো এই ধৰণৰ কিবা বিশেষ গোপনীয় বস্তু থকাৰ কথা শুনা যায়। উড়িষ্যাৰ জগন্নাথ মন্দিৰতো এনেকুৱা গোপনীয় ধাতুবস্তু থকা বুলি বিজ্ঞ লোকসকলে কয়। জগন্নাথৰ কলেৱৰ সলাবৰ সময়ত সেই ধাতুবস্তু আনি নতুন মূৰ্ত্তিত স্থাপিত কৰে বুলিও লোকে কয়। এইবোৰ গোপন বস্তু বে কি সেই সম্বন্ধে নানা মুনিৰ নানা মত। কোনেৱে কয় যন্ত্ৰ, কোনেৱে কয় ধাতু ইত্যাদি। অনেক পণ্ডিত-লোকে এইবিলাক কাৰণত জগন্নাথ আৰু হয়গ্ৰীৱ মাধৱক বৌদ্ধ মূৰ্ত্তি বুলি অনুমান কৰে। বিশেষত এতিয়াও ভোটান আৰু তিব্বতৰ বৌদ্ধবিলাক হাজোৰ হয়গ্ৰীৱ মাধৱত পূজা দিবলৈ আহে। যদি এয়ে হয়, তেনেহলে কোচবিহাৰৰ কমতেশ্বৰী গোসাঁনী আৰু যোৰহাটৰ বুঢ়ী গোসাঁনী পূৰ্ব্বত বৌদ্ধ মূৰ্ত্তি থকা বুলি অনুমান কৰিলে কোনো ডাঙৰ নহব। ভালদৰে অনুসন্ধান কৰিলে এতিয়াও তাত প্ৰাচীন বৌদ্ধপ্ৰথা বা প্ৰভাৱৰ বিষয় আবিস্কাৰ হোৱা অসম্ভৱ নহব পাৰে।

গোসাঁনীৰ নামে আগেয়ে বহুত দেৱোত্তৰ ভূ-সম্পত্তি আছিল। আমাৰ দেশৰ বৰদেউৰীসকলৰ নিচিনা তাতো বৰদেউৰীয়ে সেইবোৰ মাটি-বাৰীৰ আয়ৰপৰা দেৱালয়ৰ সেৱা পূজা চলাইছিল। বৰ্ত্তমান বৰদেউৰীৰ পিতাকৰ সময়ত কিবা বিশেষ গণ্ডগোল হোৱাত, দেৱোত্তৰ সম্পত্তি চলোৱাৰ ভাৰ ৰজাই নিজে হাতত লয়। এতিয়া ব্যৱস্থা হৈছে, ৰাজচৰকাৰে দেৱোত্তৰৰ আয়ৰপৰা খৰচ আদি বাদে নগদ ৪০১০ চাৰি হাজাৰ দহ টকা দেৱীৰ সেৱা পূজা চলাবৰ বাবে বৰদেউৰীক দিয়ে। বৰদেউৰীয়ে তাৰে গোসানীৰ সেৱা পূজা চলায়। মন্দিৰ মেৰামত আদি ৰজাঘৰৰ পৰা হয়। প্ৰতিদিনে ভগৱতীৰ আগত একোটা পাঠা বলি দিয়া হয়। আন ভোগ ভাতৰো ব্যৱস্থা আছে। আগৰ কালত হেনো নৰবলিৰো ব্যৱস্থা আছিল। আমি থকা কেইদিনত আমিও মহা প্ৰসাদী মাংস পাইছিলোঁ। আন বিশেষ অতিথি অভ্যাগত থাকিলেও পোৱাৰ দিহা আছে। মন্দিৰৰ প্ৰাচীন বস্তুৰ ভিতৰত এখন "দ্বিধাৰ অসি" দেখা পালোঁ। এনেকুৱা দ্বিধাৰ অসি, ভগৱতীয়ে ৰাপ্পাৰায়ক দিয়াৰ কথা ৰাজস্থানত পঢ়িছিলোঁ। গতিকে অসিখন ভালকৈ চালোঁ। বলবান মানুহ নহলে সেইখন দঙ্গা টান। এই দ্বিধাৰ অসিৰে কেতিয়াবা কেতিয়াবা ম'হ বলি দিয়া হয়। প্ৰাচীৰৰ ভিতৰত মন্দিৰৰ ওচৰতে ভঁৰাল ঘৰ, ভোগঘৰ, পূজাৰী থকা ঘৰ, আঠ পৰীয়াৰ ঘৰ আদি আছে। এখন ফল-ফুলৰ বাৰীও আছে। প্ৰাচীৰৰ বাহিৰে যাত্ৰী থকা সৰু টিনৰ ঘৰ এটা আছে। তাৰ অৱস্থা দেখি তাত যে কেতিয়াবা কোনো যাত্ৰী থাকে তেনে অনুমান নহল। বোধ কৰোঁ মেলাৰ সময়ত থাকিব পাৰে। আন সময়ত থাকিব লগা যাত্ৰী বৰদেউৰীৰ ঘৰতে থাকে।

## ৬। বৰদেউৰী।

বৰদেউৰী এঘৰ মাত্ৰ। এওঁলোক মৈথিলী ব্ৰাহ্মণ। এতিয়াও মৈথিলী আচাৰ ব্যৱহাৰ মানি চলে। বিয়া

বাকও মৈথিলী সমাজত হয়। কিন্তু ভাষা হলে বাঙ্গালী। ঘৰৰ লৰা-তিৰোতাৰ ভাষা কি, বিশেষৰূপে নাজানিলোঁ। বৰদেউবীৰ নিজৰ আৰু দেৱালয়ৰ সকলো চাকৰ বাকৰ মিথিলাৰ লোক, পূজাৰীও মৈথিলী ব্ৰাহ্মণ। কেৱল দুৰ্গা পূজাৰ সময়ত আৰু আন কোনো বিশেষ অনুষ্ঠানতো মৈথিলী ব্ৰাহ্মণৰ অভাৱ হলে, চণ্ডী পাঠ আদি সেৱা পূজাৰ কোনো কোনো কাম কামৰূপী ব্ৰাহ্মণে কৰে। ওচৰতে শ্ৰীমান ৰবিচন্দ্ৰ চক্ৰবৰ্ত্তী স্মৃতি ব্যাকৰণ তীৰ্থ ( কামৰূপী ব্ৰাহ্মণ ) যজমানী ব্যৱসায় কৰি আছে ; চণ্ডীপাঠ আদি তেওঁ বা তেওঁৰ পৰিচিত ভাল ব্ৰাহ্মণে কৰে। বৰ্ত্তমান বৰদেউবীৰ পূৰ্ব্ব-পুৰুষক ৰজা কান্তেশ্বৰে বা কমতেশ্বৰে মিথিলাৰ পৰা আনি ৰবদেউৰী পাতিছিলে। এতিয়ালৈকে চৈধ্য পুৰুষ হল। বৰ-দেউবীৰ নিজা জমিদাৰীও আছে, তাৰ আয়ও তাকৰ নহয়

বৰদেউবী শব্দটো লক্ষ্য কৰিবৰ বিষয়। কামৰূপৰ দেৱালয়ৰ পূজাৰীবিলাকক অতি প্ৰাচীন কালৰে পৰা ৰবদেউবী বোলে। ভাৰতবৰ্ষৰ আন কোনো প্ৰদেশত এই অৰ্থত বৰদেউৰী শব্দৰ চলন নাই। পূৰ কামৰূপতো আহোম ৰজাসকলৰ দিনত ৰাজগুৰু পৰ্ব্বতীয়া গোসাঁইৰ প্ৰভাৱত বৰদেউবীৰ অনুকৰণে ৰবঠাকুৰ শব্দৰ চলন হয়।* ৰবঠাকুৰ শব্দ বঙ্গলুৱা। অসমত বামুণক ঠাকুৰ নোবোলে।

বৰদেউৰীয়ে আমাৰ লগত খুব ভাল ব্যৱহাৰ কৰিছিল। পৰালি কালত আকৌ তালৈ যাবৰ কাৰণে বৰদেউৰীয়ে আমাক বিশেষ অনুৰোধ কৰিছে। কেতিয়াবা অনুৰোধ ৰক্ষা হয়নে নহয় তাক অন্তৰ্য্যামী ভগৱানেহে জানে। বৰদেউবীৰ নিজৰ পথাৰ ও নিজৰ খেতিত হোৱা বালাম চাউলৰ ভাত আৰু ঘৰৰ দৈ গাখীৰৰ কথা বহুকাললৈ মনত থাকিব। তেনে উৎকৃষ্ট চাউল আৰু দৈ গাখীৰ আজি কালি দিনত পাবলৈ টান।

৭। ৰাজা কান্তেশ্বৰ।

ৰাজা কান্তেশ্বৰৰ বিষয় যি স্থানীয় বিবৰণ পোৱা যায়, তাকে তলত দিয়া হল। ৰাজা কান্তেশ্বৰৰ পিতাকৰ নাম ভক্তীশ্বৰ। ভক্তীশ্বৰ ডখীয়া, সাধু, আৰু ভক্ত অছিল। ভক্তীশ্বৰে দেৱী কমতেশ্বৰীক আৰাধনা কৰি কান্তেশ্বৰক পুত্ৰ লাভ কৰে। কান্তেশ্বৰৰ নিচেই কেচুৱা বয়সতে পিতাক মাক মৰে। আশ্ৰয়হীন কান্তেশ্বৰক এঘৰ বামুণে তুলিতালি ডাঙৰ দীঘল কৰে। অলপ বয়স বৃদ্ধি হোৱাত কান্তেশ্বৰ আশ্ৰয়দাতা বামুণৰ গৰু ৰখীয়া কামত নিযুক্ত হয়। কান্তেশ্বৰে গৰু চৰাবলৈ গৈ গৰু এৰি দি পথাৰত শুই থকা বুলি অনেক লোকে অনেক দিন আহি বামুণত গোচৰ দিয়ে। এদিন বামুণে মানুহৰ কথা সচাঁ নে মিছা তাৰ প্ৰত্যয় লবলৈ বুলি পথাৰলৈ গৈ দেখে যে আচলতে কান্তেশ্বৰ পথাৰত শুই আছে। গৰু-বোৰে চাৰিও ফালে ঘাঁহ খাই আছে, অথচ ওচৰত থকা খেতিলৈ সোমোৱা নাই। তাকে দেখি বামুণ অলপ বিস্মিত হল। আৰু লাহে লাহে গৰখীয়াৰ ওচৰলৈ গৈ দেখে যে সি টোপনিত পৰি আছে আৰু তাৰ মুখৰ ওপৰত ফেঁটী সাপ এযোৰে ফেঁট মেলি ৰদ নপৰাকৈ ৰাখিছে। এই অদ্ভুত ঘটনা দেখি বামুণে ভাল দৰে চাই দেখে যে তেওঁৰ গৰখীয়া লৰা কান্তেশ্বৰৰ শৰীৰত চক্ৰবৰ্ত্তী ৰাজলক্ষণ আছে। তেতিয়া বামুণ তাৰপৰা মনে মনে গুচি আহি ঘৰত কান্তেশ্বৰলৈ অপেক্ষা কৰি থাকিল। সেইদিনা আৰু বামুণৰ কলৈকো যোৱা নহল। কান্তেশ্বৰ গধূলি গৰু লৈ আহি গৰু বান্ধি আজৰি হোৱাত তেওঁক বামুণে ভাল দৰে আদৰ সাদৰ কৰি খুৱাই ধুৱাই প্ৰতিজ্ঞা কৰাই ললে যে, কান্তেশ্বৰ যদি ৰজা হয় তেনেহলে বামুণক মন্ত্ৰী পাতিব লাগিব। এই সময়ৰ পৰা কান্তেশ্বৰৰ গৰু চৰোৱা কামৰ অন্ত পৰিল। কালক্ৰমত কান্তেশ্বৰ ৰজা হৈ বামুণক মন্ত্ৰী পাতি ললে। আৰু কমতাপুৰ নিৰ্ম্মান কৰি তাত ৰাজধানী পাতি মহা পৰাক্ৰমে ৰাজ্য শাসন কৰিবলৈ ধৰিলে। পিচত মুছলমানৰ অত্যাচাৰত কমতাপুৰ ৰাজ্য ধ্বংস হলত ৰজা কান্তেশ্বৰৰ ব্যৱহৃত সকলো বস্ত্ৰ-বস্তু, ঘৰ-দুৱাৰ, টকা-কৰি, ধন-সোণ আদি শিল হৈ ৰল, যিহেতু কান্তেশ্বৰ দেৱঅংশী আছিল, তেওঁৰ ব্যৱহৃত বস্তুবোৰো অছিল দেৱভোগ্য। মুছলমানৰ স্পৰ্শত অপবিত্ৰ হব ভাবি দেৱতা-সকলে তেনে কৰিলে। এনেবোৰ জনপ্ৰবাদত ঐতিহাসিক

* তেনেহলে শ্ৰীশঙ্কৰ দেৱৰ পুত্ৰ-নাতিসকলৰ নামৰ পাচত এই "ঠাকুৰ" শব্দটো লাগিবলৈ পালে কেনেকৈ ?—সম্পাদক।



সত্য যি নাথাকক, সকলো বিজ্ঞ ঐতিহাসিকে এইটো স্বীকাৰ কৰিব যে এনেবোৰ প্ৰবাদেও ঐতিহাসিক সত্য উদ্‌ঘাটনৰ পথত সহায় কৰে। ইতিহাসত পোৱা যায় কমতাপুৰ সেনবংশী ৰজাসকলৰ ৰাজধানী আছিল। এতিয়াও কমতাপুৰৰ চাৰিওফালে বহুতো সেনবংশী লোকৰ বাস আছে।

৮। উপসংহাৰ।

সামৰণিত কবলগীয়া বিশেষ কথা নাই। কেৱল এইটো মাত্ৰ কওঁ যে—প্ৰাচীন কামৰূপৰ আচল ইতিহাস বিচাৰ কৰিব খুজিলে, প্ৰাচীন কামৰূপৰ শিক্ষা-দীক্ষা, শৌৰ্য্য-বীৰ্য্য, শিল্প, সভ্যতা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি ভালদৰে জানি প্ৰকৃত ইতিহাস ৰচিব খুজিলে, ভালুক পুং, কমতাপুৰ প্ৰভৃতিৰ নিচিনা ঠাইবোৰ ভালকৈ চোৱাৰ বিশেষ প্ৰয়োজন। কোনে জানে এইবোৰ ঠাইত কত হাজাৰ বছৰৰ কত উন্নত সভ্যতাৰ নিদৰ্শন পোত খাই থকা নাই ? কোনে জানে এইবোৰ ঠাইত পোত খাই থকা এডোখৰ শিল নাইবা এছটা ইটাই কত বিজ্ঞ ঐতিহাসিকৰ সত্য সিদ্ধান্ত অসত্য কৰি দিব নোৱাৰে ?

প্ৰত্নতত্ত্বজ্ঞ শ্ৰীযুত আমানত উল্লা আহ্মদ চৌধুৰী ডাঙৰীয়াৰ মুখে শুনিলোঁ ভাৰতীয় প্ৰত্নতত্ত্ব বিভাগৰ বিখ্যাত ঐতিহাসিক পণ্ডিত শ্ৰীযুত ৰাখালদাস বন্দো-পাধ্যায় মহাশয় কোচবিহাৰলৈ আহোঁতে কান্তেশ্বৰৰ গড় পৰিদৰ্শন কৰি তাক সূক্ষ্মৰূপে চোৱাৰ প্ৰয়োজনীয়তা দেখু-ৱাই খৰচৰ বাবে কোচবিহাৰ দৰবাৰত এটা প্ৰস্তাৱ দিছিল। আৰু প্ৰস্তাৱৰ লগে লগে খৰচৰ আচনিও এখন তৈয়াৰ কৰি দিছিল আৰু তেওঁৰ বিভাগৰ পৰা উপযুক্ত কৰ্ম্মচাৰী দি সহায় কৰিবও খুজিছিল। সেই কৰ্ম্মচাৰীসকলৰ বেতনো গৱৰ্ণমেণ্টৰ পৰা দিবৰ কথা আছিল। পিচত তেখেত কোচবিহাৰ এৰি যোৱাৰ লগে লগে সেই প্ৰস্তাৱত পাচিৰ ঢাকনি পৰিল।

কামৰূপ অনুসন্ধান সমিতিয়ে অসম আৰু বঙ্গদেশৰ গৱৰ্ণমেণ্টৰ জৰিয়তে কোচবিহাৰ দৰবাৰত চেষ্টা কৰিলে কমতাপুৰত অনুসন্ধান কাৰ্য্যৰ খৰচখিনি পোৱা টান নহব পাৰে। এইবোৰ কাৰ্য্যত আমাৰ অভিজ্ঞতা নাথাকিলেও কৰ্ম্মচাৰীসকলৰ খৰচৰ বাহিৰে ২০।২৫ হাজাৰ টকা হলেই এই কাম সুচাৰুৰূপে হব পাৰে যেন লাগিল।

এই কাৰ্য্যৰ বাবে অকল কোচবিহাৰ দৰবাৰৰ পৰা টকা নাপালেও, কামৰূপ অনুসন্ধান সমিতিয়ে, চেষ্টা কৰিলে অসম আৰু বঙ্গদেশৰ গৱৰ্ণমেণ্টৰ পৰাও টকা পালে পাব পাৰে। নহলে আন উপায়ে টকা সংগ্ৰহ কৰি হলেও এই কাৰ্য্য কৰা উচিত। টকা পোৱাও অসম্ভৱ নহয়। লাগে কেৱল একাপনতীয়া উপযুক্ত কৰ্ম্মী। কৰ্ম্মীৰ অভাৱতে আমাৰ বহুতো কৰিবলগীয়া কাৰ্য্য পৰি পৰি আছে। কামৰূপ অনুসন্ধান সমিতিয়ে যদি ৪।৫ বছৰৰ ভিতৰত এনে একোটা কাৰ্য্য কৰিবলৈ হাতত লব পাৰে, তেনেহলে আন কাম কৰিব নোৱাৰিলেও সেয়ে সমিতিৰ পক্ষে অাহল বহল কাৰ্য্য হব।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী।

---

# সাহিত্যৰ ক্ৰম-বিকাশ।

"সাহিত্য" শব্দটো উপকৰাকৈ সকলোৰে বোধগম্য ; নিচেই তল-খাপৰ স্কুলীয়া ছাত্ৰবেও "সাহিত্য" বুলি খুজিলে পঢ়া কিতাপ ( Reader ) খনকে আগ বঢ়াই দিব ; নিৰক্ষৰ মানুহ এজনেও শুনা-শুনিৰ পৰা "সাহিত্য" শব্দে লিখা কথাকে বুজায় বুলি ধৰে। কিন্তু, ভালকৈ হিচাব ললে "সাহিত্য" শব্দৰ প্ৰকৃত অৰ্থ বুজা মানুহৰ সংখ্যা শতকৰা নকৈ জনবো ওপৰ হব। এই শব্দটোৰ অৰ্থ বৰ দ ; যেয়ে সেয়ে ইয়াক বুজিব নোৱাৰে ; অথচ সৰ্ব্ব-

সাধাৰণ মানুহৰ দৈনিক জীৱনত সাহিত্যৰ ব্যৱহাৰ সদায় হৈ লাগিছে। উঠোঁতে-বহোঁতে, খাওঁতে-শোওঁতে, বিয়াই বিহুয়ে, নামে-সবাহে, ৰঙ্গে-ধেমালিয়ে সকলো সময়তে—সকলো অৱস্থাতে আমি সাহিত্যৰ ব্যৱহাৰ কৰিবই লাগিছোঁ,—অথচ আমি হলে ইপিনে গমকে পোৱা নাই।

সাহিত্য বাস্তৱিকে এক অনুপম বস্তু; ই মানৱ জীৱনত মৰুদ্বীপৰ সদৃশ। মানৱ মনক ই উন্নত আৰু সূক্ষ্মদৰ্শী কৰে। সাহিত্যই প্ৰকৃত বীৰত্বৰ ভিত্তি, আৰু সাহিত্যৰ ওপৰতেই জাতীয়তাৰ ৰমক-জমক মন্দিৰ। সাহিত্যৰ প্ৰভাৱত মানৱ মনত বিমল সৌন্দৰ্য্য-জ্ঞান অঙ্কুৰিত হয়; আৰু ইয়াৰ অনুশীলনত সেই জ্ঞানৰ পৰিস্ফুৰ্ত্তি হলে মানুহ আদৰ্শ মানৱৰ ( Human Ideal ) শাৰীত গণ্য হয়গৈ। মুঠ কথা, আদৰ্শ মানৱত্ব কিম্বা ঈশ্বৰত্ব লাভৰ সকলো উপায় আছে সাহিত্যত।

"সাহিত্য" শব্দৰ অৰ্থ ( সম্+হি+ত=সহিত; সহিত+ষ্য=সাহিত্য ) সমানে সমানে বা লগে লগে যোৱাৰ অৱস্থা;—অৰ্থাৎ ভাষাৰ লগে লগে ভাবৰ প্ৰকাশ পোৱাৰ অৱস্থা।

এইখিনিতে অলপ কব লগা আছে।—গুটিটোৰ ভিতৰত কণটো থকাদি মনৰ ভিতৰত ভাব থাকে। কণটো ৰূপান্তৰিত হৈ মাটি ভেদ কৰি ওপৰলৈ উঠিলে যি দৰে সি বৃক্ষ নাম পায়, ঠিক সেইদৰেই ভাবে ভাষাৰ সাজ-পাৰ পিন্ধি মনৰপৰা বাজ হলেই সি সাহিত্য নামে অভিহিত হয়। এই অৱস্থাটো সাহিত্যৰ পানী-কেচুৱা অৱস্থা। কণটোৰ গজিবলৈ চেষ্টা হোৱা অৱস্থাত ই কণ নে গজালি তাক ঠাৱৰ কৰা বৰ টান হৈ পৰে। সাহিত্যৰ এই পানীকেচুৱা অৱস্থাতো ঠিক একে দৃশ্যকে দেখা যায়। এই অৱস্থাত ভাব ভাষাৰে পৰিস্ফুট হোৱাত ইহঁত দুয়োৰো মাজত যেনেকুৱা সম্বন্ধ ঘটে, তালৈ চালে ইহঁতৰ এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। তেতিয়া দুয়ো মিলি এনেকুৱা এটা আকৃতি লয়, যেন ঠিক ই এটা Chemical Compound ( ৰসায়নিক প্ৰক্ৰিয়াৰে মিহলি কৰা বস্তু )। ইয়াৰেই নাম হৈ পৰে তেতিয়া সাহিত্য। এই অৱস্থাত ভাষা আৰু সাহিত্যৰ কিবা পাৰ্থক্য আছে বুলি অলপো বুজা নাযায়। গতিকে সাহিত্য বুলিলে তেতিয়া ভাষাকে বুজিব লগা হয়। এই ভাষা দুই তিনি বছৰীয়া লৰা-ছোৱালীৰ মুখেদি পোনতে ফুটি ওলোৱা মাত; ইয়াক আশ্ৰয় কৰা ভাব একেবাৰেই প্ৰাথমিক অৱস্থাৰ। সেই কাৰণে যদিও বুৎপত্তিগত অৰ্থলৈ চাই এনেকুৱা মাত বা ভাষাক বুজাবলৈ "সাহিত্য" শব্দটো ব্যৱহাৰ কৰিব পাৰি, তথাপি পণ্ডিতসকলে এই শব্দটোৰ ব্যৱহাৰ এনেকুৱা ভাবৰ সময়ত হে অনুমোদন কৰিছে, যি ভাব প্ৰাথমিক বা সাধাৰণ ভাব নহয়।

এই মূল কাৰণৰ বাবেই সাহিত্যক প্ৰথমতে প্ৰধান দুটা ভাগত ভাগ কৰা হয়। এই ভাগ দুটাৰ এটা হৈছে প্ৰাথমিক বা সাধাৰণ সাহিত্য,—বুৰঞ্জী, ভূগোল দৰ্শন, বিজ্ঞান প্ৰভৃতি এই ভাগত পৰে। আনটো ভাগৰ নাম নাটকীয় বা কাব্য সাহিত্য। এইবিধ সাহিত্যৰ সম্পৰ্কেহে আমি এই প্ৰবন্ধত আলোচনা কৰিম। আমি জনা সাহিত্য ( গদ্য বা ছন্দ ), কাব্য, উপন্যাস আৰু নাটক পিচৰ শ্ৰেণীৰ সাহিত্য। "সাহিত্য" শব্দৰ অৰ্থ ইয়াত শ্ৰেণীবিভাগ কৰিবৰ সময়ত বহল ভাবে আৰু দ্বিতীয় ভাগৰ অন্তৰ্গত সাহিত্যৰ সময়ত সঙ্কীৰ্ণ ভাবে ধৰা হৈছে। সঙ্কীৰ্ণভাবে ধৰিলে শ্ৰীযুত পদ্মনাথ বৰুৱাৰ "নীতি শিক্ষা," শ্ৰীযুত সত্যনাথ বৰাৰ "সাৰথি," শ্ৰীযুত দণ্ডিনাথ কলিতাৰ "প্ৰদীপ", মফিজুদ্দিন আহমদ হাজৰিকাৰ "জ্ঞান মালিনী," শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাৰ "নিৰ্ম্মালি", ৰবীন্দ্ৰনাথ ঠাকুৰৰ "গীতাঞ্জলি" কালিপ্ৰসন্ন ঘোষৰ "প্ৰভাত চিন্তা," "নিশীথ-চিন্তা," "নিভৃত চিন্তা" প্ৰভৃতি কিতাপবোৰক, নাইবা তেনেবিধৰ লিখাকে সাহিত্য বোলা হয়।

ওপজোঁতে লৰা-ছোৱালীয়ে বা মানুহে যি বুদ্ধি পায় সি স্বাভাৱিক বুদ্ধি ( Instinct )। ইতৰ প্ৰাণীয়েও জন্মৰ লগে লগে এই বুদ্ধি পায়; কিন্তু, পালেও সিহঁতৰ জীৱনত এই বুদ্ধিৰ কোনো বৃদ্ধি বা উন্নতি ( Development ) নাই। মানুহৰ সময়ত হলে এই বুদ্ধিৰ বৃদ্ধি বা উন্নতি আছে; সেই কাৰণেই মানুহ আৰু ইতৰ প্ৰাণীৰ ভিতৰত পাৰ্থক্য।



মানুহৰ বুদ্ধি বৃদ্ধি বা উন্নতিশীল হোৱাত জন্মৰ পৰাই মনৰ ভাব ক্ৰমে গাঢ় বা ঘনীভূত হৈ যাবলৈ ধৰে। তাৰ ফলত বস্তুবোৰৰ সাদৃশ্য বৈসাদৃশ্য নিৰ্ণয় কৰিবলৈ, সিহঁতক বিন্যাস বিশ্লেষণ কৰিবলৈ আৰু মানৱ জীৱনৰ লগত সিহঁতৰ সম্পৰ্ক নিৰূপণ কৰিবলৈ মন পাৰগ হয়। এই অৱস্থা বিশেষৰ ভাববোৰ প্ৰকাশ কৰা ভাষাই সাহিত্য। এই অৱস্থাত ভাষা আৰু সাহিত্যৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি। জুইৰ তাপত ৰভা হৈ থকা সোণ এডোখৰৰ লগত সুৰগা অলপ দিলে যি দৰে দুয়ো মিলি এটা জুলীয়া আকাৰৰ বস্তু হৈ পৰে,—অথচ আগেয়ে সোণ আৰু সুৰগা দুটা পৃথক বস্তু আছিল, ঠিক সেইৰূপে স্বাভাৱিক ভাষাৰ লগত ভাবৰ ৰহন পৰাত সি সাহিত্য হৈ পৰে।

বয়সৰ লগে লগে মন বৃদ্ধিপ্ৰাপ্ত হৈ যেতিয়া বস্তুবোৰৰ সাদৃশ্য-বৈসাদৃশ্য বুজিব পৰা হয়, আৰু নতুন নতুন ভাবে যেতিয়া মনক আশ্ৰয় কৰে, তেতিয়াই মনত সাহিত্যৰ অঙ্কুৰৰ সৃষ্টি হয়; আৰু ভাষাৰ সহায়েৰে এইবোৰ প্ৰকাশ হলেই সাহিত্য আখ্যা পায়।

মনৰ ক্ৰম-বৃদ্ধিৰ লগে লগে ভাবৰ জটিলতাৰ ক্ৰম-বৃদ্ধি আছে; গতিকে সাহিত্যেও প্ৰাথমিক অৱস্থাৰ পৰা চৰম সীমালৈকে ক্ৰমিক জটিলতা লাভ কৰে। এই জটিলতাই সাহিত্যৰ বৃদ্ধি;—এয়ে সাহিত্যৰ সৌন্দৰ্য্য; ইয়াৰ ভিতৰতে সাহিত্যৰ ৰহঘৰা; ইয়াক বিচাৰি, ইয়াক পান কৰি, ইয়াৰ গুণানুকীৰ্ত্তন কৰিয়েই সাহিত্যিক-সকল মতলীয়া। বৃদ্ধিশীল বস্তুৱে কোনো সীমা গ্ৰাহ্য নকৰে,—বান পানীৰ চলৰ আগত কোনো বান্ধ্ বা ভেঁটা নিতিষ্ঠে। সেইদৰে সাহিত্যৰ এই ক্ৰম-বৃদ্ধি বা বিকাশৰ কোনো চৰম বা উৰ্দ্ধ সীমা নাই। তথাপি কাল্পনিক সীমা এটা ধৰি প্ৰাথমিক সীমা আৰু এই সীমাৰ ভিতৰৰ সাহিত্যৰ ক্ৰম-বিকাশলৈ সূক্ষ্মৰূপে লক্ষ্য কৰিলে বুজিব পাৰি যে, এই ক্ৰম-বিকাশৰ কিছুমান খাপ ( Stage ) আছে। এইবোৰ ঠিক যেন কোনো দেৱমন্দিৰলৈ উঠি যাব পৰা খট্খটিৰ থাপ।

মানুহৰ বুদ্ধিৰ ক্ৰম-বৃদ্ধিৰ তিনিটা মূল অৱস্থা আছে; যেনে (১) অনুভূতি ( Perception ), (২) ধাৰণা বা কল্পনা (Imagination) আৰু (৩) চিন্তা (Thought)। মনৰ লগত সাহিত্যৰ সম্পৰ্ক আছে যেতিয়া এই তিনটা অৱস্থাই সাহিত্যৰ ক্ৰম-বিকাশৰো মূল তিনিটা খাপ হৈ পৰে। ইয়াৰ প্ৰথম অৰ্থাৎ অনুভূতিৰ খাপটো নিচেই তলৰ। এই খাপৰ সাহিত্যক আমি সাহিত্য বুলিব নোৱাৰোঁ বুলি আগতে উল্লেখ কৰিছোঁ; মানুহৰ স্বাভাৱিক ভাষাত বাজে ই যে আন একো নহয় তাকো ওপৰত দেখুওৱা হৈছে। দ্বিতীয় খাপতহে অৰ্থাৎ কল্পনা বা ধাৰণাৰ লগে লগেহে সাহিত্যৰ বীজ অঙ্কুৰিত হয়; এই অঙ্কুৰ বৃদ্ধি-প্ৰাপ্ত হৈ তৃতীয় খাপ চুকি পালে,—সহজকৈ কব লাগিলে মনে চিন্তা-ৰাজ্যত ভ্ৰমিব পৰা হলে,—ই সাহিত্য বৃক্ষৰূপে পৰিচিত হয়। তেতিয়া এই বৃক্ষৰ সুগন্ধী কুসুমৰ সৌৰভ উপভোগ কৰি কিমানে অতুলনীয় সুখ লাভ কৰে!—কিমানে এই বৃক্ষৰ স্নিগ্ধ শীতল ছাঁত জিৰণি লৈ অন্তৰৰ তাপ দূৰ কৰে!—আৰু এই বৃক্ষৰ অমৰত্বপূৰ্ণ সুস্বাদি ফল লাভৰ আশাত কিমানে ইয়াৰ সেৱা কৰে! তাক ইয়াত উল্লেখ নকৰিলেও চলিব।

এতিয়া সাহিত্যৰ ক্ৰম-বিকাশৰ যি কেইটা খাপ পোৱা গ'ল তাত সাহিত্যই কি দৰে পৰিস্ফূৰ্ত্তি লাভ কৰে সেই সম্পৰ্কে কিছু আলোচনা কৰিলেই এই প্ৰবন্ধৰ সামৰণি পৰিব। ইয়াকো এই খিনিতে কৈ থবলৈ পাহৰা উচিত নহয় যে, ব্যক্তিগত অৰ্থাৎ গুটীয়া মনৰ চিন্তাপ্ৰসূত সাহিত্যৰ ক্ৰম-বিকাশৰ লগত জাতীয় অৰ্থাৎ এক জাতিৰ বিভিন্ন মনৰ চিন্তাপ্ৰসূত সাহিত্য ক্ৰম-বিকাশৰ কোনো পাৰ্থক্য নাই। ব্যক্তিগত সাহিত্য বা জাতীয় সাহিত্য পূৰ্ণ মাত্ৰায় পৰিস্ফুৰিত হলে, সি বিশ্বসাহিত্যত পৰিণত হয়। সাহিত্যৰ এই অৱস্থাটো আদৰ্শ মানৱত্ব লাভৰ দুৱাৰ। এই বিষয়ে আমি পিচতো আলোচনা কৰিম।

সম্প্ৰতি, অনুভূতিয়েই সাহিত্যৰ প্ৰাথমিক অৱস্থা। সাহিত্যই যদিও কল্পনা বা ধাৰণাৰ খাপতহে এটা আকাৰ লয়, তথাপি ইয়াৰ মূল হলে আচলতে অনুভূতিতেই থাকে। মানুহৰ অনুভূতিৰ ইন্দ্ৰিয়বোৰে বস্তুবোৰক চিনি লৈ সিহঁতৰ বিষয়ে জ্ঞান বা অভিজ্ঞতা মনত সাঁচি থয়। যেতিয়া ভাষাই এই জ্ঞান

বা অভিজ্ঞতাৰ দ্বাৰা এটা বস্তুক আন এটাৰ লগত সম্পৰ্কিত কৰা বুজায়, তেতিয়াই সাহিত্য উৎপত্তীয়া হোৱাৰ লক্ষণ পোৱা যায়। এনেকুৱা সাহিত্যপূৰ্ণ ভাষা পোনতে আমি লৰা-ছোৱালীৰ মুখত শুনোঁ। "আনাৰ পাভী হাঁহজনীয়ে চাৰিটা সোণৰ নিচিনা কণী পাৰিছে"।—লৰাই এই কথাৰ সময়ত মনেদি সি সোণৰ বৰণৰ অভিজ্ঞতা আৰু কণীটোৰ বৰণৰ অভিজ্ঞতা, অৰ্থাৎ দুয়োটা বস্তুৰ সাদৃশ্য মনতে ধাৰণা বা কল্পনা কৰিছে, তাকে ভাষাৰ সহায়েৰে প্ৰকাশ কৰাত, সি এক প্ৰকাৰৰ সাহিত্য হৈ পৰিল।

বয়সৰ লগে লগে মনৰ ক্ৰম-বৃদ্ধি আছে যদিও, চৰ্চা বা অনুশীলন নহলে সাহিত্যৰ ক্ৰম-বিকাশ হব নোৱাৰে; সাহিত্য তেতিয়া প্ৰাথমিক অৱস্থাৰ পৰা উন্নত নহয়। গতিকে এনে বিধৰ সাহিত্যপূৰ্ণ ভাষা লৰাৰ পৰা বুঢ়ালকে, চহাৰপৰা পণ্ডিতলৈকে, সকলোৰে মাজত জীৱন্ত মূৰ্ত্তিৰে লীলাখেলা কৰি থকা দেখা যায়। এই হিচাবত চালে জগতৰ সকলো মানুহেই একো একো জন সাহিত্যিক. এইবিধ সাহিত্যৰ কেইটামান নমুনা তলত দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।—

(১) "ঐ আই! ইয়াৰ মুখখন দেখোন লাওপাত-কচুপাত!"—(টেটোন তামুলী।) এই কথা এজন চহা-মানুহৰ মুখৰ। ইয়াত দুটা বস্তুৰ স্বভাৱ বা গুণ বিজাই এটাক আনটোত আৰোপ কৰা হৈছে। অৰ্থাৎ লাওৰ পাত আৰু কচুৰ পাতত যেনেকৈ পানী লাগি থাকিব নোৱাৰে, পিছলি পৰে, ইয়াৰ মুখতো তেনেকৈ কথা নাথাকে, ওলাই পৰে। মূঠ কথা, "ই দোখোন মুখত যি আছে তাকে কয়"। এই স্বাভাৱিক ভাষাক আশ্ৰয় কৰি ওপৰৰ সাহিত্য প্ৰকাশ পাইছে।

(২) "মোৰ পেটজনক পুজা এভাগি নিদিলে তোমাক পাপে ছুব দেই"।—(টেটোন তামুলী।) ইয়াতো আগত দিয়া বিধৰ নমুনা প্ৰকাশ পাইছে। দেৱতাক মানুহে পূজে। ইয়াৰ পৰা পুণ্য আৰু তাৰ বিপৰীতে পাপ হয় বুলি মানুহৰ ধাৰণা। এই খিনিত পেটটোক এটা দেৱতাৰ লগত তুলনা কৰি কৌতুকৰ ছলত খাওনকে পূজাভাগ বুলি প্ৰকাশ কৰিছে। স্বাভাৱিক ভাষাত প্ৰকাশ কৰিলে, "মোক খাবলৈ নিদিলে তোমাক পাপে ছুব দেই" এনেকুৱা হলহেতেন।

(৩) "অ, বহালো বাপেকে। এইটো গুড়ৰ টেকেলীয়ে ধৰা দিছে।"—(টেটোন তামুলী) ইয়াত সাহিত্যই অলপ অন্য আকাৰ ধৰিছে। পুলিচে অপৰাধীৰ অনু-সন্ধানত ফুৰোতে কেতিয়াবা অপৰাধীয়ে আপোনা-আপুনি আহি পুলিচত আত্মসমৰ্পণ কৰে। ঠিক এনেকুৱা ভাব প্ৰকাশ কৰিবলৈ যোৱাত ভাষাই তেনেকুৱা গঢ় লৈছে। "অ, বগালো বাপেকে, গুড়ৰ টেকেলী এইটো পাইছো।"—এইটোহে ইয়াৰ ভিতৰৰ স্বাভাৱিক ভাষা।

(৪) "কি জানি মাকজনীয়ো সেই গছৰে পান!" (টেটোন তামুলী।) "বিধতাই একেখন সাঁচতে ভাল মাৰিলে তইত চাৰিওকো" ।—(টেটোন তামুলী।) এই দুটা নমুনাত আকৌ অলপ নতুন ৰকমৰ ভাব প্ৰকাশ পাইছে। তামোলৰ গছত পান উঠে; তামোল-ডাল যি ফালে হলে বা ভাঁজ লয় পানেও সেই ফালে হলিবৰ বা ভাঁজ লবৰ বাধ্য। পানৰ তেতিয়া কোনো স্বাধী-নতা নাথাকে; ই তামোলৰ আশ্ৰয়ত আছে যেতিয়া তামোলৰ মত অনুযায়ী চলিব লাগিব। এই ভাবটো আনি মাক যে স্বাভাৱিকতে বাপেকৰ মতানুবৰ্ত্তী ইয়াত তাকে প্ৰকাশ কৰিছে। লগৰ নমুনাটোতো এই একে ভাবেই স্ফুট ওলাইছে।

(৫) "হেৰ, গতাত মূৰ নৌ ছিঙ্গোতেই ওলাই গা এতিয়া ইয়াৰ পৰা।"—(টেটোন তামুলী।) এই খিনিত আৰু এটা সম্পূৰ্ণ নতুন ভাব প্ৰকাশ পাইছে। স্বাভা-বিকতে গতাত মূৰ ছিঙ্গিব নোৱাৰে; তথাপি মূৰ ছিঙ্গা বুলি কোৱাত ভাষাই বিশেষত্ব পাইছে। ইয়াত গতাৰ পৰা হোৱা যন্ত্ৰনাৰ অতিমাত্ৰা প্ৰকাশ কৰা হৈছে মাথোন। "কিনো কম, দুদিনলৈ মোৰ বুকুখনে ধান বনাদি বানি আছিল,"—(টেটোন তামুলী।); "আইৰ ঘৰলৈ যাম, দুইহাতে খাম; বিধতাই বোলে মই পিচে পিচে যাম।" —এই উক্তিবোৰতো সেইদৰে কাৰ্য্যৰ অতিমাত্ৰা প্ৰকাশ পাইছে।

(৬) "কি হৈছিল ভাঙ্গি নকৰ কিয়?" "ভাঙ্গিম কেনেকৈ আকৌ? হাতেৰে ধৰিব পৰা বস্তু হলেহে



ভাঙ্গিব পাৰো।"—(টেটোন তামুলী।) এই নমুনাত আকৌ অন্য এবিধ ভাব প্ৰকাশ পাইছে। ইয়াত কওঁতাজনে 'ভঙ্গা' শব্দটোৰ অৰ্থ ধৰি লৈছে 'খোলোচা কৰা'; কিন্তু উত্তৰ কৰোঁতাজনে সেই শব্দটোৰ স্বাভাৱিক অৰ্থ 'নষ্ট কৰাকে'হে ধৰিছে। গতিকে একেটা শব্দৰে দুটা বিভিন্ন অৰ্থ দুজনে লোৱাত ভাষাত সৌন্দৰ্য্য স্ফুট ওলাইছে। এজনে কৈছে, "অ, তই মোকেহে চৰ্চ্চি অছিলি হবলা?" (—টেটোন তামুলী।) সি জনে উত্তৰ কৰিছে, "সঁচা, তোমাক্ লৈয়ে মোৰ চৰ্-চৰণি বাঢ়িছে হওঁতে।" —(টেটোন তামুলী।) ইয়াতো প্ৰায় একে বিধৰে সাহিত্য প্ৰকাশ পাইছে।

(৭) "বোপায়ে পতাল ছিড়ি তলৰ মাটি ওপৰ কৰি-বলৈ গৈছে।"—(টেটোন তামুলী) অৰ্থাৎ হাল বাবলৈ গৈছে। "আয়ে সাদিনীয়া পঁইতা খুৱাই মৰা জীয়াবলৈ গৈছে।"—(টেটোন তামুলি) অৰ্থাৎ ভুঁই ৰুবলৈ গৈছে। "বায়ে সাগৰ চালি মানিক তুলিবলৈ গৈছে।"—(টেটোন তামুলী) অৰ্থাৎ মাছ মাৰিবলৈ গৈছে। এই নমুনা-বোৰত আচল আৰু অতি সহজ কথাটো মেৰপাক খুৱাই জটিল কৰি প্ৰকাশ কৰা হৈছে। "তেওঁ নাকৰ তলে ভাত গুজিছে;" "শহুৰৰ জীয়েকৰ মাকে আমাক আদৰ নকৰিলে।"—এইবোৰতো সেই একে ৰকমৰ ভাব প্ৰকাশ পাইছে। আমাৰ চলিত ফকৰাবোৰ এই নমুনাৰ সাহিত্য।

(৮) এই বিধ সাহিত্যৰ বেলেগ নমুনা দিয়াৰ কোনো প্ৰয়োজন নাই; সকলো জাতিৰ সাধুকথাবোৰ এই বিধ সাহিত্যৰ নমুনা। কোনো এটা নীতিশিক্ষা দিয়াৰ সময়ত শিক্ষাৰ্থীয়ে যাতে ধেমালিৰ ছলেও ইয়াক শিকিব পাৰে আৰু যাতে এই শিক্ষা মনোৰঞ্জক হয়, সেই আদৰ্শেৰে কওঁতাই সাধুকথাৰ সৃষ্টি কৰে। শিক্ষনীয় নীতিটো যেনিবা সাধুকথাটোৰ ঠিক বাজহাড়। ঈছপৰ সাধুকথা আৰু বিষ্ণু শৰ্ম্মাৰ পঞ্চতন্ত্ৰ এই বিধৰ অমূল্য সাহিত্য।

এইদৰে এই একে থাপৰ সাহিত্যৰে আৰু নতুন নতুন বিধৰ নমুনা দেখুৱাব পাৰি; কিন্তু, তাকে কৰিবলৈ গলে ই প্ৰবন্ধ গুচি গ্ৰন্থহে হব। গতিকে ইচ্ছা থকা স্বত্বেও তাৰ লোভ সামৰিব লগা হৈছে। যি হক, এই চলতে এটা কথা কৈ এই সম্পৰ্কে লেঠাশূন্য হৈ থকা ভাল।

সকলো বস্তুৰে ভাল আৰু বেয়া, ৰূপহ আৰু আপচু ঢিলা আৰু টান, সহজ আৰু জটিল প্ৰভৃতি শ্ৰেনীৰ বিভাগ আছে। গতিকে সাহিত্যৰো এইবোৰ গুণ-দোষ থকাটো স্বভাৱসিদ্ধ। বস্তু এটা দেখিবলৈ ভালনে বেয়া, ৰূপহনে আপচু ইয়াক বাহিৰৰ অৱয়ৱ বা অৱস্থা দেখি থিৰ কৰা যায়; আৰু ই ঢিলানে টান, সহজ নে জটিল তাক নিৰ্ণয় কৰা হয় বস্তুটোৰ ভিতৰৰ গুণ বুজি। কিন্তু প্ৰথমতে বাহিৰৰ ৰেহ-ৰূপৰ দ্বাৰাইহে বস্তু এটাই স্বাভা-ৱিকতে মন আকৰ্ষণ কৰে, তাৰ পিচতহে ভিতৰৰ গুণা-গুণ বুজি ইয়াৰ বিষয়ে মন্তব্য প্ৰকাশ কৰা হয়। সাহিত্যৰো সেইদৰে বাহ্যিক ৰূপ অৰ্থাৎ সৌন্দৰ্য্য আৰু আভ্যন্তৰিক গুণ-দোষ স্বভাৱতে আছে। এই সৌন্দৰ্য্য আৰু গুণৰ যেতিয়া সমাবেশ হয়, তেতিয়াহে সাহিত্যৰ পৰিস্ফুৰ্ত্তি,—তেতিয়াহে সাহিত্যৰ মধুৰতা,—আৰু তেতিয়া-হে সাহিত্যৰ উদ্দেশ্য সাধিত হয়। ইয়াৰ পিচৰ থাপত আমি এইবিধ সাহিত্যৰ বিষয়ে আলোচনা কৰিম। সম্প্ৰতি, এই দ্বিতীয় থাপৰ সাহিত্যৰ বিষয়ে কব লাগিলে ইয়াতো সন্দোৰ্য্য অৱশ্যে আছে,—নহলে ই মাত্ৰ ভাষা হৈয়ে থাকিলহেঁতেন। কিন্তু, সৌন্দৰ্য্য ইয়াত আছে যদিও, সি তিমান চিত্তাকৰ্ষক হোৱা নাই; তদুপৰি গুণ ইয়াৰ ভিতৰত নাই বুলিয়েই কব পাৰি।

সৌন্দৰ্য্য বৃদ্ধিৰ নিমিত্তে বস্তু এটাক বা মানুহক বাহিৰৰ জাক-জমক বসন-ভূষণ কিম্বা অলঙ্কাৰ লাগে। এনেকুৱা অলঙ্কাৰ সাহিত্যৰো থাকে; অৰ্থাৎ ভাষাই অলঙ্কাৰ পিন্ধি ওলালেহে মানুহৰ চকুত পৰে, নহলে সি ঠিক যেন ৰঙ্গমঞ্চৰ বাহিৰত থকা কোনো এজন সৰ্ব্বসাধাৰণ মানুহ। ওপৰৰ নমুনাত দেখুওৱা সাহিত্যৰ যি সৌন্দৰ্য্য চকুত পৰিছে, সি ইয়াৰ অলপীয়া অলঙ্কাৰ পৰিধানৰ ফল। এই থাপৰ সাহিত্য-অলঙ্কাৰ সম্পৰ্কে ঠিক যেন এজন দুখীয়া মানুহৰ মৈণী এপদ বা দুপদ অলঙ্কাৰেৰে মানুহৰ আগত ওলায়। ইয়াৰ প্ৰতি বিধৰ নমুনাতে একোটা প্ৰায় বেলেগ অলঙ্কাৰ আছে; আৰু মন কৰিলে দেখা যাব সিইঁতৰ ভিতৰত আগৰটোতকৈ

পিচৰটো ক্ৰমে জটিল। এই অলঙ্কাৰবোৰৰ যে নাম নাই এনে নহয়,— ইইঁতৰ প্ৰতি বিধৰেই বেলেগ বেলেগ নাম আছে; তাৰ আলোচনা ইয়াত কৰিবলৈ গলে মাত্ৰ সময় নষ্ট কৰাহে হব। মুঠতে, এই থাপৰ সাহিত্য সম্পূৰ্ণ নিখুঁত নোহোৱাত লিখিত সাহিত্যৰ সাধাৰণতে ই প্ৰহসন বা Farce বিলাকতহে ব্যৱহৃত হয়।

এতিয়া সাহিত্যৰ শেষৰ অৰ্থাৎ চিন্তাৰ থাপটোলৈ যোৱা যাওক। দ্বিতীয় অৰ্থাৎ কল্পনাৰ থাপত সাহিত্যৰ যিখিনি বিকাশ হয়, তাত বস্তুবিলাকৰ সাদৃশ্য-বৈসাদৃশ্য আৰু বিন্যাস-বিশ্লেষণসূচক ভাবহে প্ৰকাশ পায়। ভালকৈ লক্ষ্য কৰিলে দেখা যাব যে, এই থাপটোৰ সীমা পাৰ হওঁ হওঁ হোৱাত আৰু ইয়াৰ পিচৰ থাপত ভৰি দিয়াৰ চেষ্টা কৰাৰ সময়তহে মাত্ৰ সাহিত্যে মনৰ চিন্তাৰ লক্ষণ প্ৰকাশ কৰে। এই থাপত সাহিত্যৰ ভিতৰত যি কিছু উচ্ছৃঙ্খলতা চকুত পৰে, চিন্তাৰ থাপত সি দূৰ হয়;—অলঙ্কাৰ আৰু সৌন্দৰ্য্য অৱশ্যে আগৰ দৰেই থাকে। নতুনৰ ভিতৰত উচ্ছৃঙ্খলতাৰ ঠাই গাম্ভীৰ্য্যই পূৰ্ণ কৰাত সাহিত্যৰ আগৰ সৌন্দৰ্য্য এক কণা বৃদ্ধিহে হয়। উদাহৰণ স্বৰূপে সম্প্ৰতি নমুনা এটা দেখুওৱা যাওক।—

"বুঢ়াৰ বয়সে আশীৰ ডেওনা ডেইছে কি নাই ঠিক কব নোৱাৰোঁ। মূৰত এডালিও চুলি নাই, তানপুৰাৰ খোলাটো পালিচ কৰাদি কোনোবাই যেন মূৰটো চিক্মিকীয়াকৈ পালিচ কৰিহে থৈছে। দাঁত নাইকীয়া সোতোৰা পৰা মুখখন দেখিলে সহজে মনত নেপেলায় যে একালত সেই মুখ দালিম-গুটিয়া দাঁতে পোহৰাই থৈছিল। প্ৰায় পোন্ধৰ মিনিতমান বুঢ়াই কোনো কথা নকৈ কেৱল দুই চকুৰপৰা দুধাৰ চকুলো টুকিলে। সেই দৃশ্য দেখিলে কঠুৱা হিয়াও করুণ ৰসত দ্ৰৱ নহৈ থাকিব নোৱাৰে।"— ( সাধু কথাৰ কুকি )

এইখিনিত দ্বিতীয় থাপৰ সাহিত্যৰ অলঙ্কাৰ আৰু সৌন্দৰ্য্য আছে। উচ্ছৃঙ্খলতা হলে ইয়াত নাই;—ইয়াত মনৰ গাম্ভীৰ্য্য প্ৰকাশ পাইছে। গতিকে এই নমুনাৰ সাহিত্যে দ্বিতীয় থাপতকৈ কিছু ওপৰৰ ঠাই যে অধিকাৰ কৰিছে তাক সহজে বুজিব পাৰি। এই বিষয়ে আৰু এটি নমুনা নিদিলে স্পষ্ট নহব—

"কৌটা খুলি, ৰক্ষো বধু যত্নে দিলা ফোঁটা
সীমন্তে; সিন্দুৰ-বিন্দু শোভিল ললাটে,
গোধূলী-ললাটে, আহা! তাৰা-ৰত্ন যথা।
দিয়া ফোঁটা, পদধূলী লইলা সৰমা।"

( মেঘনাদ বধ )।

এইটো নমুনাত ভাবৰ গাম্ভীৰ্য্য বা গুৰুত্ব আগৰটোতকৈ বহুগুণে বাঢ়িছে। গতিকে আগৰটোতকৈ এইটোত সৌন্দৰ্য্যও বহুগুণে ফুটি ওলাইছে; লগতে দ্বিতীয় থাপৰ অলঙ্কাৰো ইয়াত আছে। এই নমুনাত সাহিত্যৰ সৌন্দৰ্য্য বৃদ্ধিৰ মূল কাৰণ হৈছে, গধূলি বেলিকাক সধৱা স্ত্ৰী বুলি কল্পনা আৰু এই কল্পিত স্ত্ৰীৰ লগত সীতাদেৱীৰ তুলনা।— ইয়াত সীতা দেৱীৰ মুখৰ বৰণ গধূলি বেলিকাৰ পশ্চিম আকাশৰ বৰণৰ লগত মিলাই সেন্দুৰৰ ফোঁটে সৈতে সীতা দেৱীৰ কপালখন গধূলি বেলিকাৰ এটা তৰাৰে সৈতে দেখা আকাশৰ লগত তুলনা কৰা হৈছে। ইয়াৰ উপৰিও এই সাহিত্য ছন্দেৰে প্ৰকাশ হোৱাত ইয়াৰ সৌন্দৰ্য্য আৰু চৰিছে।

এই থাপৰ সাহিত্যই এই প্ৰণালীতে ক্ৰম-বিকাশ লাভ কৰে। দ্বিতীয় থাপৰ সাহিত্যত যিবোৰ অলঙ্কাৰ চকুত পৰিছিল সেইবোৰৰ উমৈহতীয়া নাম শব্দালঙ্কাৰ। এই থাপৰ সাহিত্যত শব্দালঙ্কাৰত বাজেও কেতিয়াবা এটা আৰু কেতিয়াবা দুটা আন অলঙ্কাৰ যুক্ত থাকে। সাধাৰণ অৱস্থাত এই থাপৰ সাহিত্যত শব্দালঙ্কাৰৰ লগত অৰ্থালঙ্কাৰ যোগ হয়। শব্দালঙ্কাৰৰ দৰে অৰ্থালঙ্কাৰৰো বেলেগ বেলেগ নাম আছে। এই দুয়ো বিধ অলঙ্কাৰৰ লগত যেতিয়া ছন্দালঙ্কাৰো আহি লগ লাগে, তেতিয়া সাহিত্যে এক নতুন আকাৰ ধাৰণ কৰে। এই লক্ষণভেদে এই থাপৰ সাহিত্যকো আকৌ সৰু দুই ভাগত ভাগ কৰিব পাৰি। ইয়াৰ এক ভাগৰ নাম গদ্য বা ঔপন্যাসিক সাহিত্য, আৰু আন ভাগৰ নাম কাব্য বা নাটকীয় সাহিত্য। ওপৰত দেখুওৱা দ্বিতীয় বিধ নমুনাৰ সাহিত্য এই শ্ৰেণীৰ।

গদ্য বা ঔপন্যাসিক সাহিত্যতকৈ কাব্য বা নাটকীয় সাহিত্য বেচি সৌন্দৰ্য্যপূৰ্ণ আৰু গুণসম্পন্ন। মুঠ কথা, কাব্যতেই সাহিত্যৰ সম্পূৰ্ণ পৰিস্ফুৰণ। সাহিত্যৰ চৰম উদ্দেশ্য সাধিত হৈছে কাব্য বা নাটকীয় সাহিত্যত। এই বিধৰ সাহিত্যে জগতৰ চকুত কিছুমান আদৰ্শ দাঙ্গি ধৰে।



জগতৰ মানৱ প্ৰাণীৰ আকাঙ্ক্ষনীয় বস্তু হৈছে সুখ কিম্বা আনন্দ, যাক আধ্যাত্মিক ভাবে 'সৎ-চিৎ-আনন্দ' নাইবা 'সত্যম্-শিৱম্-সুন্দৰম্' বুলি প্ৰকাশ কৰিব পাৰি। এই সুখ বা আনন্দৰ Standard কিম্বা আদৰ্শ দাঙ্গি ধৰে এই শ্ৰেণীৰ সাহিত্যই। এনেকুৱা অদাৰ্শৰ সৃষ্টিভূত সাহিত্য কোনো এক নিৰ্দ্দিষ্ট জাতিৰ হলেও সেই আদৰ্শে জগতৰ হিত সাধিব পৰা হোৱাত সি তেতিয়া বিশ্ব সাহিত্যৰ শ্ৰেণীত ভুক্ত হয়। এয়েই সাহিত্যৰ চৰম উদ্দেশ্য। এই উদ্দেশ্য সাধিত হোৱাৰ কাৰণেই আজি মহাকবি কালিদাসৰ নাটক "শকুন্তলা", কবিগুৰু বাল্মিকীৰ মহাকাব্য "ৰামায়ণ", কবিশ্ৰেষ্ঠ চেক্চ্পীয়াৰৰ নাটক "ওথেলো" আৰু 'মেকবেথ্' আৰু প্ৰসিদ্ধ কবি মিলটনৰ কাব্য 'পেৰেডাইজ্ লষ্ট্' বিশ্ব সাহিত্যৰ শ্ৰেণীত গণ্য হৈছে।

আগৰ দুবিধ নমুনাৰ লগত ক্ৰম ৰাখি এই খিনিতেই এই থাপৰ সাহিত্যৰ আৰু কেইটামান নমুনা দেখুৱালেহে কথাবোৰ বেচি স্পষ্ট হব।—

"শুনা, জ্বলি থকা চাকি শোৱনী কোঠাৰ!—
তোমাক নুমাও যদি, পুনু ইচ্ছা হলে,—
জ্বলাব পাৰিম; কিন্তু জীৱনৰ চাকি
নুমালে প্ৰিয়াৰ হায়, আকৌ নজ্বলে!
ছিঙ্গিলে গোলাপপাহি লেৰেলি শুকাব,
গছত থকাৰ দৰে আৰু নোগোন্ধাব!!"—ডেচ্ডিমোনা।

ইয়াত জীৱনৰ শেষ অৱস্থা চাকিটোৰ শেষ অৱস্থাৰ লগত এবাৰ, আৰু জীৱনক গোলাপ ফুলটিৰ অৱস্থাৰ লগত আনবাৰ মিলাই চাকিটোত মানুহৰ শক্তি আৰোপ কৰি কবিয়ে ভাব প্ৰকাশ কৰিছে। গতিকে আগৰ দুবিধতকৈ এই বিধৰ নমুনাত ভাবৰ গাম্ভীৰ্য্য আৰু সৌন্দৰ্য্যৰ মাত্ৰা বেচি হৈছে। তলৰ নমুনাত এই গাম্ভীৰ্য্য আৰু সৌন্দৰ্য্যৰ মাত্ৰা আৰু বাঢ়িছে—

"হে আকাশ, শুনিয়াছি তুমি শব্দবহ,
( আৰাধিনু মনে মনে ) এ দাসীর দশা
ঘোর রবে কহ যথা রঘুচূড়ামণি,
দেবর লক্ষণ মোর ভুবনবিজয়ী!
হে সমীর! গন্ধবহ তুমি; দূত-পদে
বরিনু তোমায় আমি, যাও ত্বরা করি
যথায় ভ্রমেন প্রভু। হে বারিদ! তুমি
ভীমনাদী, ডাক নাথে গম্ভীর নিনাদে।
হে ভ্রমর! মধুলোভি! ছাড়ি ফুলকুলে
গুঞ্জর নিকুঞ্জে, যথা রাঘবেন্দ্র বলী,
সীতার বারতা তুমি। গাও পঞ্চস্বরে
সীতার দুঃখের গীত, তুমি মধুসখা
কোকিল! শুনিবে প্রভু, তুমি হে গাইলে।"

মেঘনাদ বধ।

এইখিনিত ভাবৰ গাম্ভীৰ্য্য আৰু সৌন্দৰ্য্যৰ লগতে মাধুৰ্য্যৰো সমাবেশ হৈছে। ৰক্ষৰাজ ৰাৱণে সীতা দেৱীক হৰি শূন্যেদি লৈ যাব ধৰিছে। তেওঁৰ তেতিয়া কোনো সহায় নাই। গতিকে তেওঁ আকাশ, সমীৰ, মেঘ, ভোমোৰা আৰু কুলিক মানুহ জ্ঞানে খাটিছে, যেন সিবোৰে নিজ নিজ স্বভাৱজ শক্তিৰে এই নিঃসহায় অৱস্থাত তেওঁৰ স্বামী প্ৰভু ৰামচন্দ্ৰ আৰু দেওৰ লক্ষ্মণক এই সংবাদ দি তেওঁক সহায় কৰে। আচল কথা, কবিয়ে নিজৰ মনৰ ভাবক সীতাদেৱীৰ ভুমিকাত প্ৰকাশ কৰিছে; অথচ তাত অস্বাভাৱিকতাৰ ছাঁ তিলমাত্ৰো পৰা নাই। এয়ে সাহিত্যৰ প্ৰভাৱ; এই প্ৰভাৱৰ বলত কবিয়ে নাভূত-নাশ্ৰুত অসম্ভৱ বা অস্বাভাৱিকক কল্পনা পটলৈ আনি চিন্তাৰ তুলিৰে এনেদৰে ইয়াত স্বাভাৱিকতাৰ বহন দিয়ে যে, তাক দেখি জগত মুগ্ধ হবলৈ বাধ্য হয়। ইয়াতেই কবিৰ বাহাদুৰি আৰু ইয়াতেই কবিৰ প্ৰতিভা বা মৌলিকতাৰ বিকাশ। এনেকুৱা আৰু এটি নমুনা চাওক;—

'বিপাণ্ডুভিৰ্ম্লানতয়া পয়োধৰৈঃ
চ্যুতাচিৰাভাগুণ হেমদামভিঃ।
ইয়ং কদম্বানিল ভৰ্ত্তুৰত্যয়ে
ন দিগ্বধূনাং কৃশতা ন ৰাজতে॥'—কিৰাতাৰ্জ্জুন।

ইয়াৰ অনুবাদটো আগতে কৰি ললেহে সকলোৰে পক্ষে সুবিধা হব। প্ৰথমতে ইয়াৰ গদ্য—"কদম্বানিল ভৰ্ত্তুঃ অত্যয়ে ম্লানতয়া বিপাণ্ডুভিঃ চ্যুতাচিৰাভা গুণ হেম দামভিঃ পয়োধৰৈঃ দিগ্বধূনাম্ ইয়ং কৃশতা ন ৰাজতে ইতি ন।" ইয়াৰ এতিয়া অনুবাদ—"স্বামীস্বৰূপ বৰ্ষাঋতুৰ বিদায়ত স্ত্ৰীৰূপ দিকসকলে মনৰ দুখতে বিমৰ্ষ হৈ

পয়োধৰৰপৰা বিদ্যুতৰূপ স্বৰ্ণহাৰ সোলোকাই থলেও আৰু (মানসিক চিন্তা বশতঃ) খীণাই লেৰেলা হৈ পৰিলেও তেওঁবিলাকৰ স্বাভাৱিক ৰূপত কোন মুগ্ধ নহব !" এতিয়া ইয়াৰ ভিতৰৰ সৌন্দৰ্য্যলৈ সকলোৰে চকু সহজে যাব।

উক্ত শ্লোকত বৰ্ষা ঋতুৰ অন্তত শৰৎ কালত আকাশৰ যি দৃশ্য চকুত পৰে কবিয়ে তাৰে আভাস মাত্ৰ দিছে। কবিয়ে ইয়াত মনৰ ভাব পোন বাটে প্ৰকাশ নকৰি ভাবৰ মেৰপাক ঘূৰাই থৈছে। ইয়াত বৰ্ষাঋতুক স্বামী-ৰূপে কল্পনা কৰি দিশ দহোটাক বাৰিষাৰ দহজনী স্ত্ৰী বুলি কবিয়ে কল্পনা কৰিছে। তাৰ পিচৰ পয়োধৰ শব্দৰ অৰ্থ 'স্তন' আৰু 'মেঘ' এই দুটাক বেলেগে দুবাৰ লৈ তুলনা কৰি কৈছে যে, স্বামীৰ বিৰহত মনৰ দুখতে স্ত্ৰীয়ে যিদৰে স্তনৰপৰা অৰ্থাৎ স্তনৰ ওপৰত পৰি থকা ডিঙিৰ সোণৰ হাৰ সোলোকাই থয় আৰু মানসিক চিন্তাত যিদৰে স্ত্ৰীৰ শৰীৰ খীণাই যায়, ঠিক সেইদৰে বাৰিষা কালৰ অন্ত পৰাত শূন্যৰ সকলো দিশৰ মেঘবোৰত বিজু-লিৰ চকমকনি নোহোৱা হয় আৰু মেঘবোৰেও খীণ আকাৰ ধৰে। এই দৃশ্যৰ ৰমনীয়তা দেখি মানুহৰ মন আনন্দিত নোহোৱাকৈ থাকিব নোৱাৰে।

এতিয়া চাওক এই অলপমান কথাৰ ভিতৰতে কিমান ভাব, কিমান সৌন্দৰ্য্য আৰু কিমান কল্পনা আহি মিশ্ৰিত হৈছে! আৰু তাৰ ফলত ই কেনেকুৱা মনোমোহা হৈ উঠিছে! এনেকুৱা সাহিত্যে আগৰ সকলো বিধ সাহিত্যতকৈ উচ্চ আসন নাপাবনে ?

কবিৰ মন এনেকুৱা দৃশ্য কিছুমানৰ কল্পনাতে অকল সীমাবদ্ধ নাথাকে। তেওঁবিলাকে মনৰ তীক্ষ্ণতা বশতঃ সৰ্ব্বসাধাৰণে মনিব নোৱাৰা সুদূৰস্থিত কোনো লক্ষ্যলৈও দৃষ্টি নিক্ষেপ কৰিব পাৰে। কবিৰ এই সময়ৰ মনৰ ভাবৰপৰা আৰু নতুন এক প্ৰকাৰৰ সাহিত্যৰ সৃষ্টি হয়। সাহিত্যৰ লক্ষ্য এই খিনিতেই অন্ত পৰে। অৰ্থাৎ সাহিত্যৰ উৰ্দ্ধগামী স্ৰোত এনেকুৱা ঠাইত গৈ লীন হয়, যত বেদ-বেদাঙ্গ, শ্ৰুতি-স্মৃতি আৰু পুৰাণ-ভাগৱত গৈ মিলিত হৈছে। এইবিধ সাহিত্যৰো দুটামান নমুনা দেখুৱাই আমি সামৰণি মাৰিম। পোনতে—

" Through primrose tufts, in that sweet bower
    The periwinkle trailed its wreaths ;
And 'tis my faith that every flower
    Enjoys the air it breathes.

" The birds around me hopped and play'd
    Their thoughts I cannot measure—
But the least motion which they made
    It seemed a thrill of pleasure.

" The budding twigs spread out their fan
    To catch the breezy air ;
And I must think, do all I can
    That there was pleasure their.

" If this belief from heaven be sent
    If such be Nature's holy plan
Have I not reason to lament
    What man has made of man ? "

—Wordsworth.

এইখিনিত কবিয়ে কৈছে যে, সেই ৰম্য লতাকুঞ্জত প্ৰিমৰোজ ফুলৰ থোপাবোৰৰ মাজে মাজে পেৰিউইঙ্কিল লতাবোৰ বগাই উঠিছিল ; তাকে দেখি মোৰ বিশ্বাস হয় যে, ফুলবোৰে বতাহ সেৱন কৰি আমোদ লভে। চৰাইবোৰে মোৰ চাৰিওপিনে জঁপিয়াই ধেমালি কৰি ফুৰিছিল ; সিহঁতৰ মনৰ ভাৱৰ গভীৰতাৰ জোখ লবৰ মোৰ শক্তি নাই, তথাপি সিহঁতৰ সামান্য লৰণ-চৰণতে সিহঁতৰ অন্তৰৰ সুখৰ আভাস পোৱা যেন লাগে। মানুহে, এনে কি বিছনীৰ সহায়েৰেও, বতাহক ধৰিবৰ চেষ্টা কৰাৰ নিচিনাকৈ ফুল থকা ঠাৰি-বোৰেও যেন বতাহৰ অন্বেষণত পাতবোৰ মেলি দিছিল।— এইবোৰ দেখি মই মানিবলৈ বাধ্য হওঁ যে, সিবোৰৰ মাজতো সুখ আছে। তেনেহলে 'সুখী হব লাগে' এই ধাৰণা যদি ঈশ্বৰে সকলোৰে মনত জন্মাই দিছে আৰু প্ৰকৃতিৰো যদি 'সুখ দিয়াটো'ৰেই পবিত্ৰ উদ্দেশ্য হয়, তেন্তে আমাৰ মানুহৰ সুখ লাভত যে মাত্ৰ মানুহে-হে প্ৰতিবন্ধক এই কথা মনত পৰিলে অন্তৰত মৰ্ম্মান্তিক বেদনা জন্মে।



দেখাত কবিৰ এই কথাখিনি মাত্ৰ এটা বৰ্ণনা যেন হে দেখি ; কিন্তু যি ইয়াক সূক্ষ্ম দৃষ্টিৰে চাব, তেওঁৰ চকুত পৰিব যে, কবিয়ে এই কবিতা কেইফাকিৰ ভিতৰত সুখৰ অৰ্থাৎ আগত উল্লেখ কৰা 'সৎ চিৎ আনন্দ'ৰ আদৰ্শ এটা দাঙ্গি ধৰিছে। এই শ্ৰেণীৰ সাহিত্যৰ আৰু এটি মাথোন নমুনা দিম—

" It is the cause, it is the cause, my soul,—
Let me not name it to you, you chaste stars !—
It is the cause. Yet I'll not shed her blood ;
Nor sear that whiter skin of hers than snow,
And smoother as monumental alabastar.
Yet she must die, else she'll betray more men."

—Othelo.

কবিকুলগৌৰৱ চেক্‌চপীয়াৰৰ ওথেলো নাটকৰ নায়িকা ডেচ্‌ডিমোনা। সেনাপতি ওথেলোৰ মহিষী ডেচ্‌ডিমোনাৰ লগত তেওঁৰ সহকাৰী সেনাপতি কেচিওৰ প্ৰণয় ভাব আছে বুলি ইয়াগো নামে তেওঁৰ চৰ্দ্দাৰ এজনে তেওঁৰ আগত প্ৰকাশ কৰিছে। ঘটনাটো হলে ষড়যন্ত্ৰমূলক। যিহওক, ওথেলোৰ অন্তৰ ইমান মহৎ ইমান উদাৰ, ইমান বিশ্বাসপূৰ্ণ আৰু ইমান সৰল যে ওথেলোৰ বিমোৰ উপস্থিত হল। ডেচ্‌ডিমোনা সতী, সাধ্বী, পতিব্ৰতা স্ত্ৰী বুলি আৰু তেওঁৰ চৰিত্ৰ একেবাৰে নিখুঁত বুলি ওথেলোৰ পূৰা বিশ্বাস ; আৰু ইয়াগোয়ো সঁচা কথাকে কৈছে বুলি ওথেলোৰ সম্পূৰ্ণ ধাৰণা। ডেচ্‌ডিমোনাই ইপিনে নিজৰ সতীত্বৰ পৰা তিলমাত্ৰো ভ্ৰষ্টা হোৱা নাই বুলি ডঢ়াই কৈছে ; ইয়াগোয়ো সিপিনে ডেচ্‌ডিমোনাৰ ভ্ৰষ্টাচাৰিতাৰ সুন্দৰ প্ৰমাণ দেখুৱাইছে। এনেকুৱা শঙ্কটাৱস্থাত ওথেলো হতবুদ্ধি! সত্য বুলি যে পৃথিবীত কিবা এটা বস্তু আছে ওথেলোৰ প্ৰতি শেষত সেয়ে সন্দেহজনক হৈ উঠিল। ওথেলোৰ সত্যতাৰ ওপ-ৰতেই অবিশ্বাস জন্মিল। সৰ্ব্বশেষত প্ৰাণৰ ধৈৰ্ণীয়েক ডেচ্‌ডিমোনাক নিজহাতে হত্যা কৰাটোকে স্থিৰ কৰি টোপনিত থকা ডেচ্‌ডিমোনাৰ কাষলৈ গৈ ওপৰত উল্লেখ কৰামতে নিজে নিজে বিচাৰ আৰু সিদ্ধান্ত কৰিছে। উক্ত নমুনাত ওথেলোৱে কৈছে,—"দেখি, (ডেচ্‌ ডিমোনাক উপলক্ষ কৰি) তোমাক হত্যা কৰাৰ কাৰণ এইটোৱেই—এইটোৱেই তোমাৰ হত্যাৰ কাৰণ। সতীত্বৰ আদৰ্শভূত তাৰকাপুঞ্জ, তোমালোকৰ আগত ইয়াক প্ৰকাশ কৰা উচিত নহয়,—সতীত্বভ্ৰষ্টই ইয়াৰ কাৰণ। এই দেৱীৰ ৰক্তপাত মই নকৰো, কিম্বা ৰক্ততকৈয়ো শুভ্ৰ আৰু মাৰ্‌বল্‌ পাথৰতকৈয়ো মিহি এওঁৰ এই দেহটো মই খুন নকৰোঁ। কিন্তু এওঁ হলে মৰিবই লাগিব ; নহলে আকৌ এওঁ বহুতক বিপথগামী কৰিব।"

এতিয়া চাওক, কবিৰ প্ৰকৃত ভাবটো ইয়াৰ ভিত-ৰত এতিয়াও লুকাই আছে। কবিয়ে ওথেলোৰ ভূমি-কাত আচলতে এইদৰে ভাবিছে. —ডেচ্‌ডিমোনাৰ প্ৰাণ লবলৈ অহাত মই হত্যাপৰাধ কৰিবলৈ আহিছোঁ! কিন্তু, আচলতে ই হত্যা নহয়, ই প্ৰায়শ্চিত্ত! ইয়াত হত্যাপৰাধৰ পাপ নাই, মাত্ৰ দণ্ডবিধান আৰু কলঙ্কমোচনৰ পূণ্যহে ইয়াত আছে। প্ৰকৃততে এই হত্যাত ডেচ্‌ডিমোনাৰ প্ৰাণবধ কৰা নহব। এই হত্যাত ডেচ্‌ডিমোনা পাপৰ পৰা মুক্ত হব, আৰু আন পক্ষে এই হত্যাকাণ্ড দেখি আনে অসতীত্বৰ বাটত আগ বাঢ়িবলৈ ইচ্ছা নকৰিব। মুঠতে কবিয়ে ওথেলোৰ মুখেদি জগতৰ আগত এক মহৎ আদৰ্শ দাঙ্গি ধৰিছে। আমাৰ ভাৰতীয় কবি ভৱ-ভূতিৰ নাটক উত্তৰৰামচৰিতৰ শ্ৰীৰামচন্দ্ৰৰ শূদ্ৰ তপস্বী শম্বুক হত্যাৰ আদৰ্শও প্ৰায় এনেকুৱা।

মানৱ জীৱনৰ standard বা আদৰ্শপূৰ্ণ সাহিত্য পঢ়িবৰ কাৰবাৰ মন গলে তেওঁ মহাকবি কালিদাসৰ শকু-ন্তলা নাটক আৰু কবিগুৰু বাল্মিকীৰ মহাকাব্য ৰামায়ণ আগৰপৰা গুৰিলৈকে পঢ়ক। কিন্তু, সাধাৰণতে প্ৰথম-বাৰ পঢ়াৰ সময়ত আদৰ্শ বিচাৰি পোৱা টান হব ;— হওক, আৰু পঢ়ক—বাৰে বাৰে পঢ়ক। এনেকুৱা ওপৰা-ওপৰিকৈ পঢ়াৰ ফলত যেতিয়া তেওঁ কবিৰ অৱস্থাত নিজক বহুৱাব পাৰিব তেতিয়া কবিৰ আদৰ্শ আপোনা-আপুনিয়েই আহি তেওঁৰ চকুত পৰিব। তেতিয়াহে তেওঁ বুজিব পাৰিব সাহিত্যৰ সোৱাদ কেনেকুৱা মধুৰ।

কাঁচৰ দুৱাৰ এখনৰ সিফালে থকা বস্তু এটা ইফালৰ মানুহজনে সহজতে দেখে। মানুহজনৰ লক্ষ্য বস্তুটোলৈ যোৱাৰ সময়ত মাজতে থকা কাঁচখনৰ বিষয়ে কোনো

ভাবনাই মনলৈ নাহে,—এনেকি কাঁচখন দুইবো মাজত আছে বুলি গমেই নেথাকে। এই শ্ৰেণীৰ কবিসকলৰো অৱস্থা ঠিক এনেকুৱা। তেওঁবিলাকৰ সাহিত্য যেন দৃষ্টি পথৰ মাজত থকা ঠিক কাঁচডোখৰ,—লক্ষ্য হলে থাকে সেই বস্তু বা আদৰ্শটোত। এই কাৰণেই কমদৃষ্টিৰ অৰ্থাৎ সাহিত্য-জ্ঞান-হীন মানুহৰ পক্ষে এই বিধ কবিৰ প্ৰকৃত ভাব বা উদ্দেশ্য বুজি উঠাটো কঠিন হৈ পৰে। ফলত কবিৰ অভিপ্ৰেত বস্তু লাভত তেওঁবিলাকৰ প্ৰতিবন্ধক জন্মে। এনেকুৱা প্ৰতিবন্ধক দূৰ কৰিবৰ উদ্দেশ্যেই সাহিত্য চৰ্চ্চাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীচিন্তাহৰণ পাটগিৰি।

---

# যেনে কুকুৰ তেনে টাঙ্গোন।

এখন চহা গাৱঁত, বুধিয়ক, নৈষ্ঠিক, জনা-শুনা, এগৰাকী আদহীয়া বয়সৰ ভাল পণ্ডিত বামুণ আছিল। সেই গাৱঁত আৰু তাৰ কেউফালে কেবাখন গাৱঁতো ভালকৈ লিখিব পঢ়িব জনা আৰু কোনো আন মানুহ নথকাত, সেই অঞ্চলত সকলোৰে তেওঁক বৰ সন্মান কৰিছিল আৰু তেওঁৰ কথা শুনিছিল। তেওঁ সেই কেউখন গাৱঁৰ মানুহৰে দৰা-কন্যাৰ বাহি-জোৰা চাই দিছিল, দোষৱণী চাই গ্ৰহ বেয়া থাকিলে তাৰ প্ৰতিকাৰৰ বিধান দিছিল, পৰাচিতৰ ব্যৱস্থা দিছিল, বিবাদ লাগিলে মেল দোৱান সুধি দুই পক্ষক মিলাই দিছিল আৰু গাৱেঁ গাৱেঁ নাম ঘৰত ৰাইজৰ আগত কেতিয়াবা পুৰাণ বা কেতিয়াবা ভাগৱত পঢ়ি তাৰ ব্যাখ্যা কৰি শুনাই সকলোকে ধৰ্ম্ম শিক্ষা দিছিল। মুঠতে সেই কেউখন গাৱঁৰ সকলো মানুহৰে তেৱেঁই পণ্ডিত, তেৱেঁই ব্যৱস্থাদাতা, তেৱেঁই গণক আৰু তেৱেঁই ধৰ্ম্মশিক্ষক আছিল; আৰু সকলোৱে তেওঁক নিজৰ গুৰুৰ দৰে ভক্তি, ভাই-ককাইৰ দৰে মৰম আৰু নিচেই আপোন মানুহৰ দৰে বিশ্বাস কৰিছিল।

সেই গাৱঁতে, নকৈ পঢ়ি অহা এজন ডেকা পণ্ডিতে ঘৰ ললেহি। এওঁৰ দিনে ৰাতিয়ে ধাউতি হ'ল, কেনেকৈ পুৰণি পণ্ডিতজনে একো নেজানে বুলি লোকক দেখুৱাব পাৰি; কেনেকৈ তেওঁতকৈ নিজক ডাঙৰ পণ্ডিত বোলাব পাৰি; কেনেকৈ তেওঁ পোৱা মান-সন্মানখিনি নিজৰ গালৈ সামৰিব পাৰি। কিন্তু এওঁ এই কথা কাৰো আগত মুখেৰে ফুটাই কোৱা নাছিল। তথাপি এওঁৰ গতি-গোত্ৰ দেখি পুৰণি পণ্ডিতে কথাটোৰ মনতে গম ধৰিব পাৰিছিল।

এদিন আটাইকেখন গাৱঁৰ মানুহে একে ঠাইতে গোটখাই ভাগৱত শুনিবৰ দিহা কৰিলে। কেউখন গাৱঁৰ ভিতৰত সকলোতকৈ যিটো ডাঙৰ নামঘৰ, তাতে আটাইকেখন গাৱঁৰ ৰাইজ গোট খালে। নামঘৰ গোটেইটো মানুহেৰে খুন্দখাই ভৰি পৰিল। পুৰণি পণ্ডিতে ভাগৱত পঢ়ি তাৰ ব্যাখ্যা কৰিছে আৰু সকলো ৰাইজে নিবিষ্ট মনেৰে শুনিছে। নতুন পণ্ডিত গৰাকীও এখন বেলেগ আসনত গধুৰ ভাও জুৰি ভেম ধৰি বহি আছে। তেওঁ ভাবিছে, সকলো ৰাইজ গোট খাইছে, আৰু সেই দেখি নজনা মানুহৰ আগত সঁচাই মিছাই এটা দোষ ধৰি, পুৰণি পণ্ডিতক নজনা বুজাই নিজক ডাঙৰ পণ্ডিত বোলাবলৈ আজিয়েই বৰ চল লাগিছে। তেওঁৰ দীঘল ডাঢ়ি আছিল; আৰু সেই ডাঢ়িকে সোঁ হাতৰ আঙুলিৰে ফনিয়াই, ফনিয়াই, পুৰণি পণ্ডিতৰনো কেনেকৈ সেই মূৰ্খ মানুহবোৰৰ মনত খাই যোৱা এটা মিছা-মিছি দোষ উলিয়াব পাৰি, তাকে ভাবি ভাবি নতুন পণ্ডিত গহীন হৈ বহি আছে।

ভাগৱতৰ পঢ়া হৈছিল অমৃতমথন। দেৱতা আৰু অসুৰে গোটখাই কেনেকৈ সাগৰ মথিলে, সাগৰৰপৰা



কেনেকৈ উচ্চৈশ্ৰবা ঘোৰা ওলাল, কেনেকৈ ঐৰাৱত ওলাল, কেনেকৈ চন্দ্ৰ আৰু কেনেকৈ লক্ষ্মী ওলাল আৰু শেহত কেনেকৈ অমৃত ওলাল, এই সকলোবিলাক কথা পুথিত পঢ়ি, সকলো ৰাইজে বুজিব পৰাকৈ সুন্দৰকৈ ভাঙ্গি পুৰণি পণ্ডিতে কৈ গৈছে। পাচত সেই অমৃত অসুৰবিলাকক নিদি অকল দেৱতাসকলেই খাবলৈ বাঁটি লোৱাৰ কথা ওলাল। পুৰণি পণ্ডিত এই কথাৰ মাজ পাওঁতেই, নতুন পণ্ডিতে গহীনাই মাত লগালে— "দেউ ৰ'ব, ৰ'ব, একেৰিমান ৰ'ব"। কিনো হৈছে একো বুজিব নোৱাৰি পুৰণি পণ্ডিত ৰ'লত, নতুন পণ্ডিতে সকলো ৰাইজে শুনাকৈ ডাঙৰ মাতেৰে কবলৈ ধৰিলে— "সেইখিনিতে অকণমান কথা এৰা পৰি গৈছে। সেই যে সাগৰৰপৰা অমৃত ওলাল, সেই অমৃত থকা ঘটটিৰ একালে কাণটি অলপ ভগা আছিল। এইটি বৰ নিগূঢ় কথা; য'তে ত'তে পাবলৈ নাই; এইবিলাক পুথিত ক'ত পাব? ব্যাসদেৱৰ দুৰ্লিয়াটি পুতেক ন্যাসদেৱে বৃহৎ-ভাগৱত বুলি আৰু এখন ইয়াতকৈ ডাঙৰ ভাগৱত লিখিছিল। এইফেৰি অতি নিগূঢ় কথা অকল সেইখন পুথিতহে আছে। আপুনি সেই পুথিখন পঢ়িবলৈ পোৱা নাই হবলা মনেৰে। ক'তনো পাব? সেইখন পুথি আমাৰ এই ফালে পাবলৈ নাই। মই কাণ্যকুব্জ দেশত পঢ়িবলৈ যাওঁতে, অতি সাধ্য সাধনা কৰাতহে অধ্যাপক শ্ৰীমৎ বিদগ্ধানন্দ সৰস্বতী ভাগৱত-মহাসিন্ধুৱে, এবাৰ পঢ়ি চাবলৈ মোক উলিয়াই দিছিল।"

এই কথা শুনা মাত্ৰে, আমাৰ পুৰণি পণ্ডিতে নতুন পণ্ডিতৰ অভিপ্ৰায় ততালিকে বুজিব পাৰিলে। বিজুলি সঞ্চাৰে তেওঁৰ মনত খেলালে যে, সেই সমাজত তেনে দুষ্ট বুদ্ধিৰ কুট পণ্ডিতে সৈতে তৰ্ক কৰিবলৈ যোৱাটো মিছা, কাৰণ সেই সমাজৰ কোনো মানুহে সেই তৰ্কৰ মৰ্ম্ম বুজিব নোৱাৰে। এতেকে সেই দুষ্টক ভালকৈ এটা শিকনিহে দিব লাগে। ইয়াকে থিবাং কৰি তেওঁ একে চাবেই গিৰিষাই উঠি, ৰাইজে তমোল খাবলৈ অনা বটা এটাতে তামোল পান গোটাদিয়েক ভৰাই লৈ নতুন পণ্ডিতৰ আগত থ'লে আৰু অতি ভকতিৰ ভাও ধৰি তেওঁৰ ওচৰত আঠু কাঢ়ি বহিলগৈ। তেওঁনো কি কৰে সকলো ৰাইজে নিতাল মাৰি চাবলৈ ধৰিলে।

তামোল পানৰ বটাটো আগত থৈ, আঠু কাঢ়ি বহি হাত যোৰ কৰি পুৰণি পণ্ডিতে নতুন পণ্ডিতক কবলৈ ধৰিলে—"আপুনি অদ্বিতীয় পণ্ডিত; কোনোবা জন্মৰ মহা পুণ্যৰ বলেৰেহে মই আপোনাৰ দৰ্শন পাইছোঁ। কৃপা কৰি মোক বস্তু এটি দিলেহেতেন যদি—"

নতুন পণ্ডিতে "কি বস্তু বিচাৰিছে জানো" বুলি সুধিলত, পুৰণি পণ্ডিতে আকৌ মাত লগালে—"বস্তুটি আপোনাৰ পক্ষে একো নহয়; কিন্তু মোৰ পক্ষে সি ইমান ডাঙৰ বস্তু যে, ধন সোণেৰে তাৰ মূল্য নিৰূপণ কৰিব নোৱাৰি। আপুনি মোৰ প্ৰতি প্ৰসন্ন হৈ, দয়া কৰি মোক আপোনাৰ ডাঢ়ি এডালি দিলে মই কৃতাৰ্থ মানিম। শাস্ত্ৰ যদি সঁচা হয়, আপোনাৰ এডালি নোমো যাৰ ঘৰত থাকিব, তাৰ ১৪ পুৰুষ মহা দিগ্বিজয়ী পণ্ডিত হব।" তেওঁৰ কুট বুদ্ধিৰ কথা আগাৰে তপতে তপতে ইমান গুণ ধৰা দেখি, নতুন পণ্ডিতে মনে মনে বৰ বং পালে আৰু ডাঢ়ি এডাল দিলে, ৰাইজৰ চকুত তেওঁৰ নথৈ মোল বাঢ়িব বুলি ভাবি মিচিককৈ হাঁহি মাৰি, ডাঢ়ি এগছ উভালি আনি, গহীন ভাৱেৰে পুৰণি পণ্ডিতৰ হাতত দিলে। পুৰণি পণ্ডিতে সেই ডাঢ়িডাল নিজৰ মূৰলৈ তোঁৱাই অতি যতনেৰে গামোচাৰ আগত বান্ধি গামোচাখন ডিঙিত পকাই ললে।

তাৰ পাচত, সেই ৰাইজৰ ভিতৰৰ কেজনমান বয়সীয়াল মানুহেও গাইপতি একোডালকৈ ডাঢ়ি খুজি খুজি বান্ধি ললে। তাকে দেখি, সেই দীঘল বহল নামঘৰটোৰ গোটেইখৰ মানুহে, চাপি আহি, "দেউ, মোকো এডালি দিয়ক", "এডালি মোকো দিয়ক" বুলি উবুৰি খাই পৰি, কেউকালৰ পৰা পণ্ডিতক বেৰি ধৰিলে। পণ্ডিতে পোনতে গোটাদিয়েকক একো একোডাল ডাঢ়ি দিলে; পাচত উঘালোতে উঘালোতে ভম্-ভমনি উঠা বাবে দুখ পাই, "আৰু দিব নোৱাৰোঁ" বুলি সকলোকে ভালেৰে কলে। কিন্তু সেই কথালৈ কোনে কাণ কৰে? "নহয় দিয়ক, দিয়ক" বুলি সেই গোটেইজাক মানুহে তেনেই জুমুৰি দি ধৰিলে। পণ্ডিতে একো উপায় নেপাই শেহত টান

মুখেৰে নিদিওঁ বুলি কবলৈ বাধ্য হল। তেতিয়া সেই বাহ ৰাইজে ধৰি পণ্ডিতক বাগৰাই পেলাই লৈ, কোচা-কোচে ডাঢ়ি উঘালিবলৈ লাগিল; কিন্তু একোডালকৈ ন'লৈ, কোচা-কোচে লোৱা বাবে, সকলোলৈকে ডাঢ়িয়ে নোজো-ৰাত, ডাঢ়িৰ পাচত গোফ, গোফৰ পাচত চুলি, তাৰ পাচত চেলাউৰী আৰু শেহত চকুৰ পিৰিকতিৰ নোমো উভালি নেফা-নেফ কৰি এডালো নোহোৱা কৰিলে আৰু গাইপতি একোকোচা লৈ দিহা-দিহি ঘৰলৈ গুচি গল। পণ্ডিতে তেজেৰে ৰাঙলি হৈ বহু বেলি ছট-ফটাই থাকি, পাচত কোনো মতে চুচৰি বাগৰি ঘৰ ওলালগৈ।

ঘৰলৈ গৈ, ভালকৈ গমি পিটি চাই, পণ্ডিতে শেহত বুজিব পাৰিলে যে তেওঁৰ টেঙৰালি ধৰিব পাৰি, সিজন পণ্ডিতে তেওঁক বুধি ছলনেৰে ছলি এইদৰে উগ্ৰ শাস্তি কৰালে। এই টিগক পণ্ডিতে পাচলৈ কিবা ফন্দিৰে কেনেবাকৈ ইয়াতকৈও বিপাঙত পেলাই বুলি ভয় কৰি নতুন পণ্ডিতে, যিমান পাৰে লৰালৰিকৈ, সেই গাওঁ এৰি, পুৰণি পণ্ডিতে হাতে ঢুকি নোপোৱা বহুত দূৰৈৰ এখন গাৱঁত ন-কৈ ঘৰ ললেগৈ। পুৰণি পণ্ডিতে আগৰ ঠাইতে আকৌ আগৰ দৰেই সুখেৰে থাকিবলৈ ধৰিলে।

---

## সমালোচনা।

**তিনি বৈণী**—ই এখনি সৰু নাটক। "ধেমেলীয়া নাট" বুলিছে যদিও, আমি ইয়াক সাধাৰণ নাটকৰ শাৰীতহে ঠাই দিছোঁ; কাৰণ ইয়াত ধেমেলীয়া নাটৰ লক্ষণ দেখা নাযায়। লিখক শ্ৰীযুত বেনুধৰ ৰাজ-খোৱা ডাঙৰীয়া। ৰাজখোৱা ডাঙৰীয়া যে অসমীয়া সাহিত্য ক্ষেত্ৰত এগৰাকী আশাশুধীয়া আৰু নেবা-নেপেৰা কৰ্ম্মী আৰু সেইবাবে সকলোৰে আহিঁৰ স্থল হৈছে, এই কথা তেখেতৰ মহা শক্ৰৰেও নুই কৰিব নোৱাৰে। আজি কালি অসমীয়া কিতাপ লিখি তাক ছপা কৰাই কোনেও ধন ঘটিব পৰা নাই। ৰাজখোৱা ডাঙৰীয়াই তেখেতৰ কিতাপবোৰৰ পৰা বোধ কৰোঁ একো লাভ যি কৰিবই পৰা নাই, ছাপাখানাৰ খৰচটোকে ঘূৰাই পাইছে বুলি আমাৰ মনে নধৰে। তথাপি, চৰ্কাৰী কামৰ বিবিধ জঞ্জালৰ মাজতো, তেখেতে বছৰেপতি কেবাখনকৈও কিতাপ উলিয়াবলৈ আহৰি পাইছে আৰু তাক ছপা কৰাই ধন ভৰিবলৈকো পাচ হোঁহকা নাই—ই আমাৰ বৰ সৌভাগ্যৰ কথা।

এই নাটকখনি পাই আমি সন্তোষ পাইছোঁ। সম্প্ৰতি আমাৰ নাটকৰ বৰ প্ৰয়োজন। বহুবিবাহ কৰি মানুহে যি অশান্তি চপাই লয়, এই নাটকত লিখকে তাৰ এটি পটু আঁকি দেখুৱাইছে।

"তিনি বৈণী"ৰ যি দুটা চাৰিটা আসোঁৱাহ আমাৰ চকুত পৰিছে, তলত আমি তাৰ উল্লেখ কৰিলোঁ:—

(১) ইয়াত সৰু সৰু ১৮ টা দৰ্শন আছে আৰু তাৰেই সাতোটা অঙ্ক পাতিছে। ২৫ পতীয়া সৰু নাটক এটাত অতবোৰ অঙ্কৰ আমি একো প্ৰায়োজন নেদেখোঁ। ধেমেলীয়া নাটত, এটা দুটা বা অতি টানে তিনটা অঙ্কতে নাটকৰ সকলোখিনি কথা চমুকৈ কিন্তু স্পষ্টৰূপে ওলাব লাগে।

(২) কোনো ঠাইত দুটা দৰ্শনৰ মাজত সময়ৰ ব্যৱ-ধান নিচেই তাকৰ হৈছে; যেনে ৭ম অঙ্কৰ ৩য় আৰু ৪ৰ্থ দৰ্শনৰ মাজত।

(৩) লিখকে পাতনিত লিখা "ডেকালী তেজেৰে" আৰু "ডেকালী চকুৰে" কথা দুটা আমাৰ কাণত বাজি গৈছে। "ডেকালী" শব্দটো বিশেষ্যহে বিশেষণ নহয়; সেই দেখি "ডেকালী কৰা" বুলিব পাৰি, কিন্তু "ডেকালী তেজ" বা "ডেকালী চকু" বুলিব নোৱাৰি।



(৪) ৩ পিঠিত "সটকাই" নিলিখি "সতকাই", ১৯ পিঠিত "ধূলি" নিলিখি "ধুলি", ২০ পিঠিত "অমিয়া" নিলিখি "আমিয়া", ২১ পিঠিত "ডেলে" নিলিখি "দেলে", ২৭ পিঠিত "দিঠকৰ" নিলিখি "দিঠিকৰ" আৰু ৩৪ পিঠিত "সাৰ পাই" নিলিখি "শাৰপাই" লিখা হৈছে। ই অৱশ্যে ছপাৰ ভুল।

(৫) ৩ আৰু ১৭ পিঠিৰ "মানিহী" শব্দটোৰ অৰ্থ আমি বুজিব নোৱাৰিলোঁ। কেৰপাইৰ বৈণীয়েক মলাহীৰ নামটোকে যদি ভুলকৈ ছাপিছে, ক'ব নোৱাৰোঁ।

(৬) ৩ পিঠিত মলাহী আৰু কেৰপাই দুইজনে "চঞ্চল" শব্দটো ব্যৱহাৰ কৰিছে। সিহঁত যি শাৰীৰ মানুহ আৰু নাটত সিহঁতে যি ভাষাৰে কথা কৈছে, তালৈ চাই, "চঞ্চল" শব্দটো সিহঁতৰ মুখত নুশুৱায়।

(৭) ৪ পিঠিত, "জুপি" চোৱা, ১৭ পিঠিত "জুপি-জাপি" চোৱা আৰু ৪৬ পিঠিত "জুপি থাকিম" আছে। লিখকে, বোধ কৰোঁ ইয়াৰে মনে মনে চোৱা বা জুমি চোৱা বুজাব খুজিছে। কিন্তু "জুপি চোৱা" বুলিলে থাপ দিয়া, মূৰ পুতি একেবাহে চাই থকা বা চকুৰে ভালকৈ নেদেখা মানুহে চকুৰ ওচৰলৈ নি চোৱাহে বুজায়।

(৮) ৪ পিঠিত আছে "তুমিয়ে দেখোন বুদ্ধিৰ ভঁৰাল" আৰু ১৮ পিঠিত আছে "বিচিয়ে দিওঁ" ইয়াত "তুময়েই" আৰু "বিচিয়েই" হোৱা হলে, আৰু ভাল হ'লহেতেন।

(৯) মলাহীয়ে কেবা ঠাইতো গিৰীয়েকক নাম কাঢ়ি মাতিছে। অসমীয়া সমাজৰ কোনো থাপতে এই নিয়ম প্ৰচলিত থকা দেখা নেযায়।

(১০) বি, এ, পাচ কৰা, বিবাহিতা মহিলা পত্নীয়ে পৰপুৰুষে কোৱা মাত্ৰে মদ খোৱা দৃশ্যটো বহুতৰ কেনেবা লাগিব।

(১১) বেদকণ্ঠৰ নিচিনা পুৰণি শ্ৰেণীৰ পণ্ডিতে "পুৰুষৰ চৰিত্ৰ যেনেকি বিভৎস হওক, তিৰোতাই তেওঁকে ঈশ্বৰ বুলি মানিব লাগে। এয়ে হিন্দু ধৰ্ম্ম" বুলি কব পাৰে, কিন্তু সুশিক্ষিত অলিৰামে "হিন্দু ধৰ্ম্ম এনে উদাৰ দেখিহে কুৰি শতিকাৰ প্ৰবল সোঁতত ই উটি যোৱা নাই" বুলি সেই কথাকে সমৰ্থন কৰাটো সকলোৰে চকুত ভাল নেলাগিব।

আমি আশা কৰোঁ দ্বিতীয় তাঙৰণ ছপা কৰাওঁতে, সামান্য হলেও, আমি উলুকিওৱা এই কথাকেইটা ৰাজখোৱা ডাঙৰীয়াই এবাৰ ভাবি চাব।

**প্ৰহ্লাদ**—ই লৰা-ছোৱালীৰ উপযোগী এখনি সৰু কিতাপ। আজি ২।৪ বছৰমানৰ আগতে আমাৰ শিশু-সাহিত্য সমূলি নাছিল। কিন্তু এই কেব-ছৰতে কেবাখনিও এনেবিধৰ কিতাপ ওলোৱা দেখি আমি সন্তোষ পাইছোঁ। "প্ৰহ্লাদ"ত প্ৰহ্লাদৰ সকলোখিনি বৃত্তান্ত লৰাৰ পঢ়ি ভাল লগাকৈ লিখা হৈছে। গ্ৰন্থকাৰ শ্ৰীযুত হৰেন্দ্ৰনাথ শৰ্ম্মা। কিতাপখনি ভাল হৈছে। গ্ৰন্থকাৰে যি উদ্দেশ্যেৰে ইয়াক লিখিছে, সেই উদ্দেশ্য সফল হৈছে। ইয়াত মাজে মাজে দুটামান ছবি থকা হলে, লৰা-ছোৱালীয়ে ইয়াক আৰু ভাল পালেহেতেন। "প্ৰহ্লাদ"ৰ যি দুটা এটা সামান্য দোষ আমাৰ চকুত পৰিছে, তাক আমি তলত উল্লেখ কৰিলোঁ—

২য় পিঠিত, নাৰদৰ হাতৰ "বীণটো"ৰ ঠাইত "বীণখন" আৰু "গদাটো কান্ধত পেলাই লৈ"ৰ ঠাইত "গদাডাল কান্ধত পেলাই লৈ" হব লাগিছিল। ৩৩, ৪০ আৰু ৫৪ পিঠিতো "গদাডালৰ" সলনি "গদাটো" লিখা হৈছে।

২য় পিঠিত, "বিষ্ণু নিশ্চয়কৈ তেওঁৰ ভয়ত পানীত লুকাই আছে" লিখা হৈছে। এই ঠাইত "নিশ্চয়কৈ" নিলিখি "নিশ্চয়"হে লিখিব লাগিছিল। "নিশ্চয়কৈ কৈছোঁ "নিশ্চয়কৈ জানিছোঁ", "নিশ্চয়কৈ বুজিছোঁ" এনে ঠাইতহে "নিশ্চয়কৈ" লিখিব লাগে। ওপৰত লিখাৰ দৰে ঠাইত "নিশ্চয়কৈ" নিলিখি অকল "নিশ্চয়" লিখাহে যুগুত।

৩য় পিঠিত, "পাতালৰ একোণৰপৰা"ৰ মূৰে পাতালৰ এচুকৰপৰা" লিখিব লাগিছিল। "কোণ" কথাটো অসমীয়া নহয়।

সেই পিঠিতে, "হিৰণ্যকশিপুই মুনিক সুধিলে" লিখিছে। ইয়াত "হিৰণ্যকশিপুই"ৰ পৰিবৰ্ত্তে "হিৰণ্যকশিপুৱে" হব লাগিছিল। এনে দোষ আৰু কেবা ঠাইতো আছে, যেনে,—৪ৰ্থ, ৫ম, ১০ম পিঠিত আৰু পাচতো বহুত ঠাইত "হিৰণ্যকশিপুই", ২৯ পিঠিত "কুমতিয়ে" নিলিখি, "কুমতি ধৰিলে" ৩১ পিঠিত, "ৰাণী·····স্তুতি কৰিবলৈ ধৰিলে,"

৩৩ পিঠিত "দুৰ্ব্বল হৃদয়……তোমাৰ নাম নলয়", ৪০ পিঠিত, "হাতীয়েও নেমাৰে" নিলিখি "হাতীও নেমাৰে" ৪৭ পিঠিত "দৈত্যশিশুই কেনেকৈ তোমাৰ মহিমা পাম" ৪৯ পিঠিত "বিষ্ণুই……কোলাত তুলি ললে" ৫০ পিঠিত "বিষ্ণুই ক'লে"।

আকৌ সেই ৩য় পিঠিতে, "সৈন্য সাজিবলৈ হুকুম দিলে," এই বাক্যটোও ভাল অসমীয়া হোৱা নাই

১০ম পিঠিত. "ফুলবোৰ ফুটি" লিখা আছে। ফুল "ফুলে"হে "ফুফুটে"। "গোলাপ এটি চিঙ্গি" ন'হৈ "ছিঙ্গি" হব লাগে। "দৌৰি গৈ" নহৈ "লৰি গৈ" হব লাগিছিল। ৪৬ পিঠিতো, "দৌৰ মাৰি" লিখা আছে। অসমীয়াত "দৌৰ" নোবোলে "লৰ" বা "চেকুৰ"হে বোলে।

১২ শ পিঠিত. "ধমকালে" নিলিখি "ডবিয়ালে" লিখিব লাগিছিল। সেই পিঠিত, "হৰিনাগত বাহিৰে" হুবুলি "হৰিনামৰ বাহিৰে" বোলা হলে, আৰু ভাল হলহেতেন।

১৭ আৰু ৩৬ পিঠিত. গ্রন্থকাৰে "দুভাগ নিশা" নিলিখি "দোভাগ নিশা" কিয় লিখিছে, আমি বুজিব নোৱাৰিলো।

১৮ পিঠিত, "মোক কালি কাটি পেলাব" শুদ্ধ নহয়; "কাইলৈ" লিখিলেহে শুদ্ধ হয়। অসমীয়াত "কালি" মানে যোৱা কালিহে; আজিৰ পাচ দিনা বুজাবলৈ হ'লে "কাইলৈ" লিখিব লাগে।

১৯ পিঠিত, "হাজাৰ হওক পিতাৰ হৃদয়তো" – ইয়াৰ ঠাচটো অসমীয় হোৱা নাই। "পিতাৰ হৃদয়হে তেও" বা "পিতাৰ হৃদয় নহয়" বুলিলেহে অসমীয় ঠাচ হয়। এনে বিদেশী ঠাচ্ সুমালে, ভাষাৰ বৰ হানি কৰা হয়। সেই পিঠিতে "কুলত কলঙ্ক অনা" নিলিখি, "কুললৈ কলঙ্ক অনা" বা "কুলত কলঙ্ক সনা" লিখিব লাগিছিল।

২১ পিঠিত মূৰৰ "খুলিত" নহৈ "খোলাত" হ'ব লাগিছিল।

২৯ পিঠিত. "কেৰপাকেই নাই" নিলিখি "কেৰেপেই নাই" লিখাহে যুগুত আছিল। "কেৰপাক" শব্দটো অসমীয়া ভাষাত থকাটোত আমাৰ সন্দেহ আছে।

৩২ পিঠিত. "অভয় চৰণে ৰাখ মুৰাৰি," ইয়াত "ৰাখ" নহৈ "ৰাখা" হব।

৩৪ পিঠিত "জুয়েও নুপুৰে" আছে। "নুপুৰে"ৰ ঠাইত "নোপোৰে" হ'ব।

৩৬ পিঠিত "কিন্তু কৈ"? অসমীয়া নহয়। হ'ব লাগিছিল "কিন্তু ক'তা"?

৩৮ পিঠিত "টানাটানি"ৰ সলনি "টনাটনি" লিখিব লাগিছিল; "টানাটানি" অসমীয়া নহয়।

৪২ পিঠিত "পোন বাটেৰে নাষাই আওবাটেৰেহে যোৱাত" আৰু ৫১ পিঠিত "তল নাযাই ওপঙ্গি" লিখিছে। এই দুই ঠাইত "নাযাই" নিলিখি "ন'গৈ" লিখা হলেহে শুদ্ধ হলহেতেন।

৪৩ পিঠিত, "বেয়ে যি পালে……সকলে প্রহ্লাদক আক্রমণ কৰিলে" আছে। ইয়াত "সকলে"ৰ ঠাইত "সকলোৱে" হব।

৪৭ পিঠিত "জগমোহিনী মুৰতি" আৰু ৫৫ পিঠিত "ভুবন মোহিনী মূৰ্ত্তি" লিখা আছে। এই বিশেষণ দুটা স্ত্রীলিঙ্গত লিখাৰ কাৰণ কি?

আমি উল্লেখ কৰা এই কেইটাৰ বাজে কিতাপ-খনিত আৰু কোনো বিশেষ দোষ আমি দেখা নাই। ইয়াৰ পাচৰ তাঙ্কৰণত এই দোষ নেথাকিব বুলি আমি আশা কৰিছো।

---

# বিবিধ।

এই জড় জগত যেনেকৈ ভিন্ন ভিন্ন থাপৰ সূক্ষ্ম সূক্ষ্ম মূল উপাদানেৰে নিৰ্ম্মিত, এই বিশ্ব ব্রহ্মাণ্ডতো সেই দৰেই ভিন ভিন থাপৰ সূক্ষ্ম উপদানেৰে নিৰ্ম্মিত অসংখ্য সূক্ষ্ম জগত আছে; আৰু সেই সূক্ষ্ম উপাদানবিলাকেই বিশ্ব-ব্রহ্মাণ্ডত শক্তি সঞ্চালন কৰিছে। এই জগতেই নানা প্রকাৰৰ আছে, যেনে, য'ত বৈজ্ঞানিক শক্তি ব্যক্ত হৈছে সেয়ে জড়জগত, য'ত ভাব আৰু জীৱনী শক্তি ( Feeling & vitality ) প্রকাশ পাইছে, সেয়ে ভাব জগত; য'ত মানসিক বৃত্তিৰ ( mentality ) বিকাশ হৈছে সেয়ে মনোজগত; তাৰ পাচত আধ্যাত্মিক জগত; স্বৰ্গ, ইত্যাদি ইত্যাদি।

কৰ্ম্মী হৈ থকা কালত মানুহ জড় জগতত বাস কৰে; টোপনিত অলপ সময়লৈ স্থূল শৰীৰ এৰি গৈ সূক্ষ্ম শৰীৰ ধাৰণ কৰি সূক্ষ্ম জগতত বিচৰণ কৰে; কিন্তু টোপনি ভগা মাত্রে আকৌ ঘূৰি আহে। মৰণত মানুহৰ আত্মাই স্থূল শৰীৰ একেবাৰেই পৰিত্যাগ কৰে আৰু সেই স্থূল শৰীৰৰ উপাদানবিলাক তেতিয়া থান থান হৈ যায়। কিছুকালৰ মূৰত আত্মাই এই জগতলৈকে আকৌ ঘূৰি আহি নতুন স্থূল শৰীৰ ধাৰণ কৰে। ইয়াকে পুনৰ্জন্ম বোলে।

মৃত্যুৰ পাচত প্রথমতে কিছুদিনলৈ মানুহে সূক্ষ্ম দেহ ধাৰণ কৰি সূক্ষ্ম জগতত বাস কৰে। তাত দেহ ত্যাগ কৰি মনোজগতলৈ যায়। এই মনোজগতকে কোনো কোনোৱে স্বৰ্গও বোলে। মনোজগততো মানুহৰ মৃত্যু ঘটিলে, আত্মাই পুনৰ এই জগতলৈ আহি নৰদেহ ধাৰণ কৰে। এই পুনৰ্জন্মৰ নিয়মটো জীৱনৰ স্বাভাৱিক গতি আৰু এই নিয়মৰ বাবেই মানুহ ঘূৰি ঘূৰি এই জগতলৈ আহি থাকিব লাগে।

মানুহৰ মূল শক্তিৰ ( energy ) ধ্বংস নাই বাবেই এই পুনৰ্জন্ম হয় আৰু এই মূল শক্তিয়েই ক্রমবিকাশৰ কাৰণ। এই দৰে সূক্ষ্ম জগতত ঘূৰি ঘূৰি জনম লৈ মানুহে বাৰে বাৰে জ্ঞান লাভ কৰে; আৰু সেই জ্ঞান বা অভিজ্ঞতা লগত লৈ এই জগতত বাৰে বাৰে জনম ধৰেহি। এই জ্ঞান বা অভিজ্ঞতাকে বিবেক শক্তি বোলে। এই নিয়মৰ বাবেই, কোনো কোনো আত্মাক অন্য আত্মাতকৈ জ্ঞানী দেখা যায়, কাৰণ, সেইবিলাক আত্মাই আনবিলাকতকৈ সৰহ বাৰ জনম ধৰিছে। সুসভ্য জাতিবিলাকৰ আত্মা অসভ্যজাতিৰ আত্মাতকৈ বেচি পুৰণি। জগতত যিবিলাক মানুহ ঋষি, লোকনায়ক বা বীৰ বুলি প্রখ্যাত হয়, তেওঁলোকৰ আত্মা বহুদিনীয়া পুৰণি। যিবিলাক মানুহ ধৰ্ম্মজগতৰ নেতা, তেওঁলোকৰ আত্মাই জন্মান্তৰত আধ্যাত্মিক জগতত সৰহকৈ জ্ঞান লাভ কৰি আহিছে আৰু সেই বাবে তেওঁলোকৰ আধ্যাত্মিক জগতে সৈতে সম্পৰ্কও সৰহ।

এই জন্মান্তৰবাদৰ দ্বাৰাই শিক্ষিত আৰু কৰ্ম্মশীল মানুহে, জগতৰ ভৌতিক মূল উপাদানৰ অবিনাশিতাৰে সৈতে সামঞ্জস্য ৰাখি, মনুষ্য জীৱনৰ এটা কল্পনা কৰি লব পাৰে।

এয়ে হৈছে চুম্বকৈ থিয়চফীৰ জন্মান্তৰবাদ। হিন্দুৰ পুনৰ্জন্ম তত্ত্বৰে সৈতে ইয়াৰ বিশেষ মিল আছে।

* * * *

সিদিনা আমাৰ শিক্ষা বিভাগৰ মন্ত্রী মহোদয় যোৰহাটলৈ আহোঁতে, আসাম সাহিত্য সভাই তেখেতক চাহ খাবলৈ নিমন্ত্রণ কৰিছিল। নগৰৰ প্রায় সকলোবিলাক গণ্য মান্য মানুহক তালৈ নিমন্ত্রণ কৰা হৈছিল। মন্ত্রী মহোদয়ক সভাৰ পুথিভঁৰাল দেখুওৱা হৈছিল আৰু সভাৰ গোটাদিয়েক অভাৱ অভিযোগৰ কথাও জনোৱা হৈছিল।

* * *

কিছুমান নতুন নিয়ম ধৰি যে আমি দিনকদিনে তললৈ গৈছো, ইয়াত হলে একো সমূলি সংশয় নাই। আমি, যিসকলে নিজক শিক্ষিত বুলি ভাবোহঁক, সক বুলি, এই কথালৈ চকু নিদিয়াটো অনুচিত কথা। আজি কালি আমাৰ ভিতৰত কৰবাত কোনোবাইহে শৌচ কৰিবলৈ যোৱা বাবে কাপোৰ সলায় বা পাইখানালৈ যোৱা জোতাৰে ভিতৰ নোসোমায়; কুৰি অহা জোতা

আৰু সাজ-পাৰ বেলেগ ঠাইত থোৱা মানুহ প্ৰায় নাই বুলিলেই হয়; মুখ-হাত ধুবলৈ যাবৰ হলে পানী বিচৰা মানুহ নিচেই তাকৰহে ওলাব; পুৱা চকু মেলিয়েই, বাচী মুখেৰে চাহ একাপ এপিয়লা খোৱা মানুহো আছে; ভদ্ৰ সমাজৰ মাজতে, নাকেদি ওলোৱা সেই মনত পৰিলে ঘিণ লগা বস্তুবিধ, বিপুল শব্দেৰে নাকৰপৰা উলিয়াই কমালত ধৰি জেপত ভৰাই থোৱা মানুহো যে দুই চাৰিজন নোলাব, সিও নহয়; মুখৰ সেপ ছুই যি কোনেও হাত নোধোৱেই, বহুতে উৰাই গুৰাই নখ কামুৰিও থাকে। অলপ ভাবি চালেই দেখা যায় এই-বিলাক কথাত আমি আমাৰ নিজা নিকা দস্তুৰ এৰি দি লোকৰ লেতেৰা দস্তুৰ ধৰি লেতেৰা হৈছোঁ। সেই দেখি আন জাতিৰ অনুকৰণ কৰোতে আমি এই বিলাক আৰু এনে আনবিলাক দস্তুৰ শিকিব নেলাগে। মুঠ কথা হৈছে, লোকৰ ভালটোহে ল'ব লাগে, কিন্তু নিজৰ ভালৰ সলনি লোকৰ বেয়াটো কেতিয়াও ধৰিব নেলাগে। নিজৰ ভালৰ লগতে লোকৰো ভালখিনি আনি মিহলাই ললেহে মানুহৰ প্ৰকৃততে উন্নতি হয়।

* * * *

অসমীয়াৰ ভিতৰত পঢ়োতা মানুহ নাই। পঢ়া সমাজ এটা গঢ়ি লব পৰা নহয় মানে অসমীয়া সাহিত্য উধাৰ নোহাৱে। এই কথা মাজে সময়ে সভাই সমিতিয়ে কোনো কোনোৱে কোৱা শুনা যায়। কিন্তু, কাৰ্য্যক্ষেত্ৰত হলে, এই কথালৈ কোনেও একো কাণ কৰা নাই। আন কি, আমাৰ আলোচনী আৰু সপ্তাহিক কাগজ কেখনেও এইবিষয়ে কিবা আলোচনা কৰা আমাৰ মনত নপৰে। সাহিত্য সভায়ো বিশেষ উল্লেখযোগ্য একো কৰিব পৰা নাই।

গাৱঁলীয়া তৰপৰ কথা নকৈয়েই, আমাৰ উচ্চশিক্ষিত-সকলৰ ভি ৰতো পঢ়াৰ খেল নাই। জ্ঞান সঞ্চয় কৰিবলৈ বুলি পঢ়িবলৈ ধাউতি থকা মানুহৰ লেখ আমাৰ দেশত নিচেই তাকৰ। লিখিব পঢ়িব পৰা মানুহে আগেয়ে মহাভাৰত ৰামায়ণকে পঢ়িছিল, আজিকালি তাকো এৰিলে। গাৱঁত কৰবাত কোনোবাই দুখন এখন পদ পুথিৰ বাহিৰে আন একো নপঢ়ে। পঢ়িবলৈ যে এটা হেপাহ, সি আমাৰ মানুহৰ এতিয়ালৈকে হোৱা নাই। আঙুলিৰ মূৰত লেখিব পৰা এমুঠিমান মানুহে সাহিত্য সাহিত্য বুলি চিঞঁৰি ফুৰিলে, দেশৰ এনেকুৱা অৱস্থাত আমাৰ সাহিত্যৰ কি উন্নতি হব পাৰে?

পঢ়া সমাজ গঢ়িবলৈ হলে দেশত প্ৰথমতে শিক্ষা বিস্তাৰ হব লাগে। আমাৰ ক্ৰম ক্ৰমতে সেই খিনিতে পাক লাগিছে। লকেল বৰ্ডৰ প্ৰাইমেৰী স্কুল কেখনতকৈ ওপৰ শ্ৰেণীৰ স্কুল আমাৰ গাৱঁে ভূঁয়ে কেইখন আছে? সেই প্ৰাইমেৰী স্কুলো আকৌ আমাক লগাৰ জোখাৰে হোৱা নাই। ছোৱালীৰ স্কুলৰ কথা যি কবলৈ সকাম নাই। তাৰ পাচতে লাগে সৰ্ব্বসাধাৰণ মানুহে পঢ়ি সোৱাদ পোৱা, সহজ ভাষাৰে লিখা বিজ্ঞান, সাহিত্য, দৰ্শন, নীতি, নাটক, উপন্যাস, ইতিহাস আৰু ভ্ৰমন প্ৰভৃতিৰ কিছুমান ভাল ভাল কিতাপ আৰু বৰ্ত্তমান অৱস্থাত সাধাৰণ সমাজৰ উপযোগী আৰু শিক্ষা-প্ৰদ খনদিয়েক আলোচনী আৰু বাতৰি কাকত। এই পাকেও আমি তেনেই পাচ পৰি আছোঁ। আমাৰ আলোচনী আৰু বাতৰি কাকত সৰ্ব্বসাধাৰণৰ মাজত সচলনি[illegible] প্ৰচাৰ হোৱা নাই আৰু পুৰণি কবিসকলৰ ধৰ্ম্মসম্পৰ্কীয় কিতাপকেখন বাদ দিলে, স্কুলৰপৰা ওলাই অহা মানুহৰ হাতত দিবৰ যোগ্য কিতাপ আমাৰ নাই বুলিলেও সৰহ বঢ়াই কোৱা নহব। কোনোবাই দুখন এখন লিখিছে যদিও, পঢ়া দূৰৰ কথা, ভালকৈ প্ৰচাৰ নোহোৱা বাবে, দেশৰ শতকৰা ৯৫ জন মানুহে তাৰ নামকে শুনা নাই। আমাৰ মনেৰে, পঢ়োতা সৰহ কৰিবলৈ সম্প্ৰতি আমাৰ দেশত সকলো থাপৰে আৰু বহুত স্কুল লাগে আৰু ওপৰত কোৱা শ্ৰেণীৰ কিছুমান কিতাপ, আলোচনী আৰু বাতৰি কাকত লাগে।

আমাৰ পঢ়া সমাজ বঢ়াবলৈ কি কৰিব লাগে, এই বিষয়ে কোনোবাই কিবা ভাল প্ৰবন্ধ পঠালে আমি তাক আদৰেৰে ছপা কৰাম।

[illegible]